# ৰাজসূয়

( কাব্য )

MORAN H. S. SCHOOL, MORANHAT - LIBRARY -
Book No.
Date

মহাপুৰুষ

শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত

# ৰাজসূয়

( কাব্য )


মহাপুৰুষ

শ্রীশ্রীমাধৱদেৱ বিৰচিত



LIBRARY

1220/829



সম্পাদনা

হৰিনাৰায়ণ দত্তবৰুৱা



দত্তবৰুৱা এণ্ড কোম্পানী

গুৱাহাটী ১ ॥ অসম

প্ৰকাশক :
শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা, এম-এ
দত্তবৰুৱা এণ্ড কোম্পানী
গুৱাহাটী—১

প্ৰথম প্ৰকাশ : ৪৯৮ শকাব্দ
দ্বিতীয় প্ৰকাশ : ৫১৮ শকাব্দ

বেচ :—৩·০০ টকা

মুদ্ৰণ :
শ্ৰীগুৰু প্ৰেছ
গুৱাহাটী—১১

# সম্পাদকৰ নিবেদন

মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ "ৰাজসূয়" (কাব্য) অতি মূল্যবান দুষ্প্ৰাপ্য গ্ৰন্থ । আজি ৬।৭ বছৰে অনুসন্ধান কৰি শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ শ্ৰীযুত ধৰ্মেশ্বৰ হাজৰিকা নামলগোৱা মহাশয়ৰ যত্নত সংগ্ৰহ কৰোৱা হয় । পুথিখনৰ কিছুমান পাত জৰাজীৰ্ণ আছিল । আমি কোনোমতে পাঠ উদ্ধাৰ কৰি ছপা কৰিলোঁ । দ্বিতীয় পুথি নাপাই পাঠ মিলাব পৰা নহ'ল । পুথিখনৰ মাজে মাজে দুই এটা শব্দৰ আমাৰ আশঙ্কা আছে; এই অমূল্য সম্পদটো ৰক্ষা হওক বুলিয়েই "শ্ৰীমদ্ভাগৱত ভঁৰালৰ" পৰা ইয়াক প্ৰকাশ কৰোৱা হ'ল । ভৱিষ্যতে আৰু এখন পুথি পালে ভালদৰে সম্পাদন কৰিব পৰা হব ।

ভাষাতত্ত্বৰ ওজা শ্ৰদ্ধাস্পদ ৰায় বাহাদুৰ শ্ৰীযুত কালিৰাম মেধি ডাঙৰীয়াই "ৰাজসূয়" ছপা কৰোৱা শুনি আনন্দ লাভ কৰে আৰু ইয়াত যোগ কৰিবলৈ তেখেতে ৰুগ্ন শৰীৰে গ্ৰন্থৰ "পৰিচয়" লিখি দি আমাক সহায় কৰিছে । এইবাৰে এইখিনিতে তেখেতৰ শলাগ স্বীকাৰ কৰিলোঁ ।

নলবাৰী

শকাব্দ ৪৯৮

বিনীত—

শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা

# পৰিচয়

এই ৰাজসূয় গ্ৰন্থ এখন উৎকৃষ্ট কাব্য। মহাপুৰুষ শঙ্কৰদেৱৰ ৰুক্মিণী-হৰণ কাব্যৰ লগত হে ইয়াৰ তুলনা হয়। ৰচোঁতা মহাপুৰুষ মাধৱদেৱ :—

গুৰুৰ চৰণে মনে কৰি নমস্কাৰ।
মাধৱে ৰচিলা কৃষ্ণ চৰিত্ৰ পয়াৰ ॥

চৰিত্ৰতো এই কাব্যৰ উল্লেখ আছে।

গ্ৰন্থৰ বিষয়-বস্তু :—

যেন মতে কৃষ্ণে ভকতিত বশ্য হুই।
যুধিষ্ঠিৰ ৰাজাৰ কৰাইলা ৰাজসূয় ॥
জৰাসন্ধ বধ সাধি নিজ প্ৰয়োজন।
ভক্ত ৰাজা সমস্তক কৰাইলা মোচন ॥
লক্ষেক নৃপতি জিনি একখান কৰি।
সভা মধ্যে শিশুপাল ৰাজাক সংহৰি ॥
যিমতে কৰাইলা অৱভৃথ অভিষেক।
সিসৱ কথাৰ পদ ৰচিবো প্ৰত্যেক ॥৫৬

উদ্দেশ্য :—ধৰ্ম্মমত অৰ্থাৎ (১) "কৃষ্ণস্তু ভগৱান্ স্বয়ম্"। অৰ্থাৎ পূৰ্ণাৱতাৰ শ্ৰীকৃষ্ণৰ নিৰতিশয় মাহাত্ম্য, (২) একেশ্বৰবাদ বা "আন দেৱ-দেৱী নকৰিবা সেৱ" মত আৰু (৩) অব্যভিচাৰী ভক্তি প্ৰচাৰ কৰাই এই গ্ৰন্থৰ মুখ্য উদ্দেশ্য। যেনে, শ্ৰীকৃষ্ণঃ—

(১) (ক) উপাধি ৰহিত জ্যোতি ৰূপ আত্মা এক ।
সমস্তকে ব্যাপি আছা আপুনি প্ৰত্যেক ॥
চিদানন্দ পূৰ্ণ সত্য নিত্য নিৰন্তৰ ।
মোহোৰ প্ৰকাশে প্ৰকাশয় চৰাচৰ ॥
সৃষ্টি স্থিতি প্ৰলয়ৰো কাৰণ সাক্ষাত ।
জীৱৰো অবিদ্যা গুচে মোহোৰ সেৱাত ॥
নোচোৱয় মোক দোষ গুণে জগতৰ ।
পৰম ঈশ্বৰময় প্ৰকৃতিতো পৰ ॥
আপোনাৰ বোধে মজ্ঞি আপুনি সংযমি ।
অন্তৰ্য্যামী ৰূপে আছা জীৱক নিয়মি ॥
আপোন শকতি নিজ মায়া বশ্য কৰি ।
আপোনাকে থাকন্ত আপুনি চিন্তি হৰি ॥৩১-৩৩

(খ) ভকতসৱৰ পতি প্ৰভু ভগৱন্ত ।
এহেন্তেসে শ্ৰেষ্ঠ অগ্ৰমান্য অৰিহন্ত ॥
জগত প্ৰসিদ্ধ এন্তে সৰ্ব্বদেৱময় ।
ইহাক পূজিলে জগতৰে পূজা হয় ॥
দেশ কাল ক্ৰতু মন্ত্ৰ তন্ত্ৰ ধন যত ।
অগনি আহুতি পাত্ৰ ঋত্বিজ সমস্ত ॥
জ্ঞান সাংখ্যযোগে ধৰ্ম্ম কৰ্ম্ম সমস্তৰ ।
কেশৱেসে পৰামাৰ্থ আত্মা জগতৰ ॥
অনাদি অনন্ত এক ঈশ্বৰ পৰম ।
জগততে দ্বিতীয় নাহিকে যাক সম ॥
জনম মৰণ একো নাহিকে যাহাৰ ।
জগত জনক কৃষ্ণ পুৰুষতো সাৰ ॥

আপোন আশ্রয় ইটো জগত যতেক।
সৃষ্টি স্থিতি লয় আৰ কৰন্ত প্ৰত্যেক ॥
যাহাৰ নিমিত্তে ইটো লোক নিৰন্তৰে।
নানাবিধ ৰূপাশ্ৰয় কৰ্ম্মক আচৰে ॥
যিহেতু কৃষ্ণেসে পৰমাত্মা জগতৰ।
সিহেতু অনেক বিধে চেষ্টা কৰে নৰ ॥
অন্যথা যতেক জড় বস্তু অচেতন।
এতেকেসে কৃষ্ণ এন্তে জগত কাৰণ ॥
যত কৰ্ম্মফল মানে অধীন কৃষ্ণৰ।
কৃষ্ণ তুষ্ট ভৈল তুষ্ট হোৱে চৰাচৰ ॥৫৪৮-৫৫৩

(২) ব্ৰহ্মা, মহেশ্বৰ, ইন্দ্ৰ আদিৰ আগত কৃষ্ণহে অৰিহনাৰ পাত্ৰ। বিৰোধী উক্তিঃ—

নুহি যোগ্য কৃষ্ণ ইটো অগ্ৰ অৰিহনে।
নেদিবা সম্মত তুমি সব মহাজনে ॥
জগততে শ্ৰেষ্ঠ দুই ব্ৰহ্মা মহাদেৱ।
যাহাৰ চৰণ সুৰাসুৰে কৰে সেৱ ॥
জগত কাৰণ দুয়ো দেৱতে উত্তম।
ব্ৰহ্মাণ্ডতো নাহি ইটো দুহান্তকো সম ॥
প্ৰথমে নকৰি পূজা আৰা দুইহান্তক।
কমন যুগুতি পূজা কৰিলা কৃষ্ণক ॥
ব্যাসক প্ৰমুখ্যে মহা মহা ঋষিগণ।
জপ তপ বিদ্যা ব্ৰত ধৰি সৰ্ব্বক্ষণ ॥
জ্ঞান বলে নষ্ট কৰি কল্মষ সমস্ত।
নুগুচয় সৰ্ব্ব কালে সমাধি ব্ৰহ্মত ॥

বেদত পাৰ্গত ব্ৰহ্মনিষ্ঠ সৰ্ব্বদাই ।
লোকপাল সবো পূজা কৰে যাক পাই ।।
যাক পূজা কৰিলে অনন্তগুণ ফল ।
কেনে মান্য যোগ্য নুহি ইহাৰা সকল ।।
পুৰন্দৰ আদি দিকপালগণ যত ।
কেনে মান্যবিহ আৰা নুহি সমাজত ।। ইত্যাদি ৫৯৭-৬১৮

(৩) ভক্তি :—

হুইয়া সাৱধান পুত্ৰ আদি কৰি
বঢ়াইয়া বংশ সন্ততি ।
দুখত সুখত লাভ অলাভত
কৰিবা সমান ৰতি ।।
দেহত গেহত হৈবা উদাসীন
তেজিবাহা অহম্মম ।
আত্মাতেসে মাত্ৰ কৰিবাহা ৰতি
ধৰিয়া ব্ৰত নিয়ম ।।
সুদৃঢ় বিশ্বাসে আত্মাত সদায়
কৰিবা মন নিবেশ ।
অন্তকালে গৈয়া সমস্তে সাক্ষাত
আত্মাতে হুইবা প্ৰবেশ ।।৪২৯-৪৩০

মূল :—এই পুথিৰ মূল মহাভাৰত নহয়, শ্ৰীমদ্ভাগৱতহে (দশমস্কন্ধ, ৬৯-৭৪ আধ্যা ।)

মহাভাগৱত পদ সাক্ষাতে অমৃত ।
আনো শাস্ত্ৰমত কিছো কৰিবো মিশ্ৰিত ।।

অন্যো অন্যে ৰসে আতি হৈবে মনোৰম।
যেন চেনি মিশ্রে দুগ্ধ স্বাদত উত্তম ॥১১

যেনে ঃ— মূলত নথকা তলৰ মনোৰম চিত্ৰ ঃ—

পূৰ্ব্বৰ বচন হৰি মনে সুমৰিল।
যিকালত ইটো শিশুপাল উপজিল ॥

তিনি চকু চাৰি হাত সহিতে জন্মিল।
অনন্তৰে আকাশত বচন শুনিল ॥

ইটো ছৱালৰ এক আঁখি দুই হাত।
গুচে ততকালে জানা যাহাৰ কোলাত ॥

তাহাৰে হাতত ইটো মৰিব নিশ্চয়।
হেন শুনি সবন্ধু বান্ধৱে ভৈলা ভয় ॥

পৃথিৱীৰ ৰাজাগণ যতেক আছিলা।
সবাৰো হাতত নিয়া ছৱালক দিলা ॥

কাহাৰো কোলাত নুগুচিল চক্ষু হাত।
অনন্তৰে লৈলা গৈয়া মাধৱে কোলাত ॥

এক আঁখি দুই হাত লুকাইল তেখেনে।
দেখি দমঘোষ গৈয়া পৰিল চৰণে ॥

ভাৰ্য্যা সমে মাধৱক পৰম কাতৰ।
বোলে প্ৰভু আমাক দিয়োক পুত্ৰ বৰ ॥

দিনে দশ দোষ আৰ ক্ষমিবাহা জানি।
মাধৱে বোলন্ত পেসী শুনা মোৰ বাণী ॥

দিনে একশত দোষ ক্ষমিবো তোমাৰ।
একশতাধিক ভৈলে চিন্তবোহো মাৰ ॥৬২২-৬২৮

গুণাগুণ :—এই ৰাজসূয় কাব্য অসমীয়া সাহিত্যৰ এটি উজ্জ্বল ৰত্ন। ইয়াৰ ভাষা প্ৰাঞ্জল, আৰু অসমীয়া ভাষা আৰু সংস্কৃতিৰ পৰিচায়ক। পদৰ লালিত্য, অলঙ্কাৰৰ মাধুৰ্য্য, ভাৱৰ গাম্ভীৰ্য্য, চিত্ৰৰ সৌন্দৰ্য্য আৰু ভক্তিৰ প্ৰাচুৰ্য্যই ইয়াক বাস্তৱিকে মনোৰম কৰিছে। বৰ্ণ বিন্যাস আছে। কিন্তু ছপাৰ ভুল নাই। এই বাবে প্ৰকাশক শলাগৰ পাত্ৰ। সেই একে মূলৰপৰা একে বিষয়ে অনন্ত কন্দলি বিৰচিত ৰাজসূয় কাব্য এখন আমি পাইছোঁ। তাৰ আদি আৰু শেষ পদ এই :—

শুক নিগদতি শুনিয়োক সমৰাট।
মহাৰঙ্গে জগন্নাথ আছন্ত সভাত ॥১
শুনিয়োক সৰ্ব্বজন ভাগৱন্ত পদ।
পৰলোক জানিবাহা হৰিসে সম্পদ ॥
অনন্ত কন্দলি কহে শুনিয়ো সংসাৰ।
বোলা ৰাম ৰাম হোক পুৰুষ উদ্ধাৰ ॥৮৬০

কিন্তু এইখন পুথিয়ে মহাপুৰুষৰ কাব্যৰ ঠাই অধিকাৰ কৰিব পৰা নাই। এই পুথি দুষ্প্ৰাপ্য, আগেয়ে ছপা হোৱা নাছিল। প্ৰকাশকক শলাগিছোঁ।

গুৱাহাটী — শ্ৰীকালিৰাম মেধি

২।৭।৪৭

# ৰাজসূয়

শ্ৰীকৃষ্ণায় নমঃ

শ্লোক

বাচকঃ প্ৰণবো যস্য ক্ৰীড়াৰস্যাখিলং জগৎ ।
শ্ৰুতিৰাজ্ঞা বপুৰ্জ্ঞানং তং বন্দে দৈৱকীসুতং ॥

**পদ**

জয় জয় কৃষ্ণ জ্ঞানময় কলেবৰ ।
চাৰি বেদে যাৰ আজ্ঞা বাণী নিৰন্তৰ ॥
নিখিল ব্ৰহ্মাণ্ড ক্ৰীড়া ভাণ্ড ভৈল যাৰ ।
হেনয় কৃষ্ণক কোটি কোটি নমস্কাৰ ॥১
জয় নমো নাৰায়ণ দৈৱকী নন্দন ।
ব্ৰহ্মা আদি কৰৈ যাৰ চৰণে বন্দন ॥
মহা মহা পাপী তৰৈ যাক সুমৰণে ।
সদায় প্ৰণামো তান অৰুণ চৰণে ॥২

চৰাচৰ আত্মা কৃষ্ণ দেৱতাৰো দেৱ ।
হেনয় কৃষ্ণক কৰো লক্ষ কোটি সেৱ ।।
গুৰুৰ চৰণে মনে কৰি নমস্কাৰ ।
মাধৱে ৰচিল কৃষ্ণ চৰিত্ৰ পয়াৰ ।।৩
কৃষ্ণৰ কীৰ্তন মহা মাঙ্গল্য আচৰি ।
গুৰু কৃপা উপদেশ শিৰোগত কৰি ।।
বিৰচিবো কৃষ্ণ-লীলা যেন লৱে মনে ।
আৰম্ভৰ সিদ্ধিহৌক কৃষ্ণৰ স্মৰণে ।।৪
যেন মতে কৃষ্ণে ভকতিত বশ্য হুই ।
যুধিষ্ঠিৰ ৰাজাৰ কৰাইলা ৰাজসূয় ।।
জৰাসন্ধ বধি সাধি নিজ প্ৰয়োজন ।
ভক্ত ৰাজা সমস্তক কৰাইলা মোচন ।।৫
লক্ষেক নৃপতি জিনি এক থান কৰি ।
সভা মধ্যে শিশুপাল ৰাজাক সংহৰি ।।
যিমতে কৰাইলা অৱভৃথ অভিষেক ।
সিসব কথাৰ পদ ৰচিবো প্ৰত্যেক ।।৬
শুনা সভাসদ বোলো কৃতাঞ্জলি হুই ।
পৰম গহন কথা ৰাজ ৰাজসূয় ।।
অল্প মতি হুয়া মহা কৰিলো আৰম্ভ ।
তুমিসবে আত নকৰিবা উপালম্ভ ।।৭
ক্ষমাসে ভূষণ মহা মহন্ত জনৰ ।
তুমিসব মহাগুণী বুদ্ধিত সাগৰ ।।
মূৰ্খৰ পদৰ দূষণত নেদি চিত ।
কৰা পান কৃষ্ণ-কথা পৰম অমৃত ।।৮
মধু মাখি সব বিদ্যা ৰূপে গুণে হীন ।
সুখে মাত্ৰ মধু সাধি আছে অনুদিন ।।

সুন্দৰ আকৃতি জাতি তাহাৰ নেদেখি।
কমল মহন্তে আছে মধুক উপেখি ॥৯
মোৰ পদ ভৈল মধু মাখি সমসৰ।
কৃষ্ণৰ চৰিত্ৰ মহা মধু পটন্তৰ।
হেনজানি কৃষ্ণৰ চৰিত্ৰ কৰা সাৰ।
শ্ৰৱণতে তৰি সুখে দুৰ্ঘোৰ সংসাৰ ॥১০
মহাভাগৱত পদ সাক্ষাতে অমৃত।
আনো শাস্ত্ৰ মত কিছু কৰিবো মিশ্ৰিত ॥
অন্যো অন্যে ৰসে আতি হৈবে মনোৰম।
যেন চেনি মিশ্ৰে দুগ্ধ স্বাদত উত্তম ॥১১
ৰাজসূয় কথা পাছে কহো অনুক্ৰমে।
কথাৰ প্ৰস্তাৱ যেন শুনিও প্ৰথমে ॥
শুকমুনি পৰীক্ষিত ৰাজাত কহিলা।
যেনমতে হৰি গৃহাশ্ৰমত ক্ৰীড়িলা ॥১২
সাগৰ মধ্যত প্ৰভু পুৰুষ পুৰাণ।
দিব্য মনোহৰ পুৰি কৰিলা নিৰ্ম্মাণ ॥
দ্বিতীয় বৈকুণ্ঠ সিটো কৃষ্ণৰ নগৰ।
ত্ৰিভুবন মধ্যে নাহি যাক পটন্তৰ ॥১৩
দীৰ্ঘে প্ৰস্থে জুৰি আছৈ দ্বাদশ যোজন।
আছোক মনুষ্য দেৱতাৰো দুৰ্গমন ॥
সুবৰ্ণৰ গড় বান্ধি হীৰাৰ দুৱাৰ।
ফটিক কপাত যত লোহাৰ হাঙ্গাৰ ॥১৪
দীৰ্ঘে সৰোবৰ আলি চৌপন্থ পদূলি।
বিচিত্ৰ চত্বৰ * বহুবিধ বস্ত্ৰ স্থলি ॥

---

* চোতাল, প্ৰাঙ্গণ।

উপবন আৰাম অনেক পুষ্প বাতি।
শুদ্ধ সুবৰ্ণৰ গৃহ নগৰ চৌহাটি ॥১৫
আপুনি নিৰ্ম্মিলা কৃষ্ণে নিজ যোগ বলে।
কমন মনুষ্যে তাক বৰ্ণাইব সকলে।
ৰত্নমণিময় কামে কৰে জাতিকাৰ।
কৃষ্ণৰ আবাস দিব্য ষোড়শ হাজাৰ ॥১৬
একৈ একৈ গৃহ যেন কৈলাস শিখৰ।
অসংখ্যাত সূৰ্য্য যেন জ্বলৈ নিৰন্তৰ ॥
হীৰা মৰকত মণিময় ৰত্ন কাষে।
শাৰী শাৰী গৃহসব জ্বলৈ বাসে বাসে ॥১৭
বিশ্বকৰ্ম্মে শিল্পি কৰ্ম্ম জানন্ত যতেক।
কৃষ্ণৰ আৱাসে তাক দেখিয় প্ৰত্যেক ॥
দিব্য মনোহৰ গৃহে জগত আধাৰ।
দেখাই মনুষ্যৰ লীলা ক্ৰীড়িলা অপাৰ ॥১৮
ৰুক্মিণী প্ৰমুখ্যে কন্যা ষোড়শ হাজাৰ।
পৰম সুন্দৰী ত্ৰিভুবন মধ্যে সাৰ ॥
কৃষ্ণৰ মহিষীৰূপে নাহি পটন্তৰ।
কটাক্ষতে মন মোহ মিলে মদনৰ ॥১৯
হেন ভাৰ্য্যা সঙ্গে ৰঙ্গে কৃষ্ণ কৃপাময়।
কৰিলা অনেক কেলি মনুষ্যৰ নয়।
কৃষ্ণৰ লীলাক কোনে বৰ্ণাবে শকত।
কৰন্ত শয়ন ৰত্নময় আসনত ॥২০
বিচিত্ৰ বহল হংস তুলি মনোহৰ।
দুগ্ধফেন সম সুকোমল নিৰন্তৰ ॥
ৰুচিকৰ চন্দ্ৰতাপ উপৰে প্ৰকাশে।
মুকুতা মুৰালি খোপা হালয় বতাসে ॥২১

হেনয় সাক্ষাত হৰি কৰন্ত বিহাৰ ।
ৰত্নৰ প্ৰদীপচয় প্ৰকাশে অপাৰ ॥
প্ৰিয়াৰ কণ্ঠত আলিঙ্গিয়া বাহু মেলি ।
কৰন্ত অনঙ্গ ৰস কৌতূহলে কেলি ॥২২
কৃষ্ণ আলিঙ্গনে সন্তোষ মনমথ ।
নিৰন্তৰে নাৰী পুৰিলন্ত মনোৰথ ॥
কৃষ্ণৰ পৰশে ৰতি ৰঙ্গ মিলে অতি ।
কৃষ্ণৰ অধৰ মধু পিয়ে মুখ পাতি ॥২৩
যদি আত্মাৰাম পূৰ্ণকাম ভগৱন্ত ।
ভকতৰ মনোৰথ তথাপি পূৰন্ত ॥
ইসব সুখত স্পৃহা নাহিকে কিঞ্চিত ।
নাপাৰিলা নাৰীগণে কৃষ্ণক মুহিত ॥২৪
যেতিক্ষণে কৃষ্ণে যোগমায়াক আগ্ৰহি ।
মনুষ্য চেষ্টাক দেখাই থাকা লীলা কৰি ॥
কৃষ্ণৰ আলাপে হীন হুয়া নাৰীগণ ।
মোহ হুয়া কৰৈ কৃষ্ণ চৰিত্ৰ কীৰ্ত্তন ॥২৫
অনন্তৰে হোৱে আসি ৰজনী প্ৰসন্ন ।
পুষ্পিত বনত ৰৱে তেজে পক্ষীগণ ॥
লক্ষ লক্ষ মলয় বহয় নিৰন্তৰ ।
পুষ্প চুম্পি গীত যেন গাৱয় ভ্ৰমৰ ॥২৬
মলয় আনন্দ মৈৰা কোকিলৰ ৰাৱে ।
নট ভাট সবে যেন কৃষ্ণক জগাৱে ॥
কৃষ্ণে বাহু মেলি আলিঙ্গিয়া আছা গলে ।
সুতিয়া আছন্ত সুখে মহিষীসকলে ॥২৭
উষা সময়ত কৰৈ কুকুৰা আৰাৱ ।
শুনি নসহয় অতি তাসম্বাৰ গাৱ ॥

পাপীষ্ঠ কুকুৰা ৰৱ তেজেঁ এতিক্ষণে ।
আম্ভাক তেজিবা প্ৰিয়তম নাৰায়ণে ।।২৮
প্ৰভাত জানিয়া কোপে ৰাত্ৰিকো শপন্ত ।
ব্ৰাহ্ম্য মুহূৰ্ত্তত গাৱ চালা ভগৱন্ত ।।
প্ৰিয়তম কৃষ্ণসমে নপাই আলাপক ।
নসহন্ত নাৰীগণে সিতো মুহূৰ্ত্তক ।।২৯
মনুষ্যৰ আচাৰ আচৰি নাৰায়ণ ।
কৰি সমাপত যত শৌচৰ লক্ষণ ।।
যাৱত নুহিকে ভালে ৰজনী প্ৰভাত ।
তাৱে আপুনাকে চিন্তি থাকন্ত সাক্ষাত ।।৩০
উপাধি ৰহিত জ্যোতি ৰূপ আত্মা এক ।
সমস্তকে ব্যাপি আছা আপুনি প্ৰত্যেক ।।
চিদানন্দ পূৰ্ণ সত্য নিত্য নিৰন্তৰ ।
মোহোৰ প্ৰকাশে প্ৰকাশয় চৰাচৰ ।।৩১
সৃষ্টি স্থিতি প্ৰলয়ৰো কাৰণ সাক্ষাত ।
জীৱৰো অবিদ্যা গুচে মোহোৰ সেৱাত ।।
নোচোৱয় মোক দোষ গুণে জগতৰ ।
পৰম ঈশ্বৰময় প্ৰকৃতিতো পৰ ।।৩২
আপোনাৰ বোধে মঞিঁ আপোনি সংযমী ।
অন্তৰ্য্যামি ৰূপে আছা জীৱক নিয়মি ।।
আপোন শকতি নিজ মায়া বশ্য কৰি ।
আপোনাকে থাকন্ত আপুনি চিন্তি হৰি ।।৩৩
অনন্তৰে কৰি হৰি ধ্যান সমাপত ।
যথাবিধি কৰি স্নান পৱিত্ৰ জলত ।।
সন্ধ্যা উপাসনা সমৰ্পিয়া নাৰায়ণ ।
জলদানে তৰ্পি দেৱ ঋষি পিতৃগণ ।।৩৪

বিচিত্র পৱিত্র বস্ত্র পিন্ধি অনন্তৰে ।
বলি বিশ্বদেৱ যাগ কৰি দামোদৰে ॥
অগ্নিহোত্র কৰি পাছে জগতৰ বাপ
বাক্য মন নিয়মি কৰন্ত মন্ত্র জপ ॥৩৫
দেৱ ঋষি পিতৃ বৃদ্ধসবক অৰ্চ্চন্ত ।
পূজা অবসানে আদিত্যক অৰ্ঘ দেন্ত ॥
অনন্তৰে গৈয়া দান দেন্ত ভগৱন্ত ।
শুনিয়োক লেখা যত গোদান কৰন্ত ॥৩৬
চৌৰাশী অধিক ত্রয়োদশ সহস্রেক ।
ঘৰে ঘৰে প্ৰতিদিনে দিয়ন্ত প্ৰত্যেক ॥
সুৱৰ্ণৰ শৃঙ্গ তাম্র পৃষ্ঠ কাংস্যোদৰ ।
ৰজতৰ খুৰা পুচ্ছে বিচিত্র চামৰ ॥৩৭
গলে ঘণ্টা মুকুতাৰ মালা বিতোপন ।
প্ৰথম প্ৰসূতা ঘটস্রৱা ধেনুগণ ॥
বিচিত্র বসন গাৱে বাচৰু লগত ।
সুৱৰ্ণ দক্ষিণা তিলে সমে ধেনু যত ॥৩৮
বেদবিদ ব্ৰাহ্মণক অলঙ্কৃত কৰি ।
মনক সন্তোষি দান দেন্ত দেৱহৰি ॥
পৰম আনন্দ মনে জগতৰ স্বামী ।
দেৱ দ্বিজ গুৰু গো বৃদ্ধক প্ৰণামি ॥৩৯
আপোনাৰ বিভূতিকো নমি ভগৱন্ত ।
কপিলা প্ৰমুখ্যে মঙ্গলাকো পৰশন্ত ॥
দেৱদ্বিজ বৃষ ঘৃত দৰ্পণক চাই ।
নৈবেদ্য সম্ভাৰ বিভজন্ত যদুৰায় ॥৪০
ব্ৰাহ্মণসবক প্ৰথমতে হৃষিকেশ ।
পিন্ধাৱন্ত গন্ধ পুষ্প চন্দন বিশেষ ॥

দিব্য বস্ত্র অলঙ্কাৰ তাম্বূল কর্পূৰ।
দেন্ত আনো নানা ভোগ্য নৈবেদ্য প্রচুৰ ॥৪১
সুদূৰ আমাত্য বৃদ্ধ আনো যত যত।
সমস্তক অনুক্রমে পাছে বণ্টা দেন্ত ॥
অনস্পুৰ * চাৰি নগৰস্থ যত জাতি।
যাৰ যেন কাম প্রভু পূৰিলন্ত আতি ॥৪২
ভার্য্যা পুত্র নাতি সমস্তৰে পূৰি মন।
অনুৰূপে যাক যেন দিয়া নাৰায়ণ ॥
দিব্য পঞ্চামৃত ষড় ৰস যত ভোগ।
আপুনিয়ো গৈয়া কৰিলন্ত উপযোগ ॥৪৩
ভূষণৰো ভূষণ সুন্দৰ কলেবৰ।
নৰলোক বিভূষণ প্রভু দামোদৰ ॥
সিয়ো শৰীৰক দেৱ দৈৱকী নন্দন।
ভূষণ কৰান্ত দিব্য অগৰু চন্দন ॥৪৪
পীত বস্ত্র জলে আতি শ্যাম শৰীৰত।
বিজুলি প্রকাশে যেন সজল মেঘত ॥
ৰত্নময় অলঙ্কাৰে কৰে জাতিষ্কাৰ।
নির্ম্মল গগণে যেন জ্যোতি কৰে তাৰ ॥৪৫
নৱ দিবাকৰ যেন কৌস্তভ গলত।
শ্রীবৎস পঙ্কতি জলে চাৰু হৃদয়ত ॥
ত্রৈলোক্যমোহন মহামূৰুতি মধুৰ।
কোটি কন্দর্পৰো দর্প দেখি হোৱে চূৰ ॥৪৬
ৰুক্মিণী প্রমুখ্যে নিৰন্তৰে নাৰীগণে।
কৃষ্ণ-মূৰ্ত্তি অমৃতক পিয়ন্ত নয়নে ॥

---

* নগৰৰ বাহিৰত থকা।

সলজ্জ কটাক্ষে হাস্য প্ৰেম নিৰীক্ষণে ।
অৰ্চ্চন্ত কৃষ্ণক নিৰন্তৰে ৰঙ্গমনে ।।৪৭
অনন্তৰে মাধৱৰ সাৰথি দাৰুক ।
পৰম অদ্ভুত ৰথ জোগান্ত প্ৰভুক ।।
সব্য সুগ্ৰীৱ মেঘ পুষ্প বলাহক ।
নিযোজি আছন্ত ৰথে চাৰিও ঘোটক ।।৪৮
নানা ৰত্নে বিৰচিত দিব্যৰথ খণ্ড ।
বিচিত্ৰ পতাকা সুবৰ্ণৰ ধ্বজদণ্ড ।।
সাজি আনি সাৰথি বিমান বিপৰীত ।
কৃষ্ণক প্ৰণামি আগে ভৈলা উপস্থিত ।।৪৯
দেখি পাছে কৃষ্ণে সাৰথিৰ ধৰি হাতে ।
চৰিলা ৰথত পাছে ত্ৰৈলোক্যৰ নাথে ।।
উদ্ধৱ সাত্যকি সমে প্ৰভু দামোদৰ ।
উদয় গিৰিত যেন জ্বলন্ত ভাস্কৰ ।।৫০
নাৰীগণে মেৰু হন্তে পাছে নাৰায়ণ ।
কটাক্ষে হাসিয়া তাসম্বাৰ হৰি মন ।।
প্ৰতি প্ৰতি গৃহহন্তে প্ৰথমে আসন্ত ।
দ্বাৰত দেখিয়া একে মাত্ৰ ভগৱন্ত ।।৫১
আগে পাছে অসংখ্য আমাত্যে বেঢ়ি আসি ।
চতুৰ্ভিতি মাধৱক চলন্ত উপাসি ।।
শিৰৰ উপৰে শ্বেত ছত্ৰ জ্যোতি কৰে ।
যেন পূৰ্ণ শশী নীল মেঘৰ উপৰে ।।৫২
দুই পাশে বিঞ্চে দুই ধৱল চামৰে ।
যেন ৰাজহংস দুই আকাশে সঞ্চৰে ।।
ধীৰে ধীৰে সুধৰ্ম্মা সভাক চলি যান্ত ।
অমৃত কটাক্ষ হাস্যে সমস্তকে চান্ত ।।৫৩

বেঢ়ি যাই অসঙ্খ্যাত হয় হস্তী ৰথ ।
প্ৰজাৰ ভিতৰত দলদোপ কৰৈ পথ ॥
এহিমতে সুধৰ্ম্মা সভাত প্ৰৱেশন্ত ।
দেৱৰো দেৱতা আদি দেৱ ভগৱন্ত ॥৫৪
সুধৰ্ম্মা সভাৰ কিবা কহিবো মহত ।
প্ৰৱেশিলে যুবা হোৱে বৃদ্ধগণ যত ॥
মহা চিৰৰোগী সবো পাৱয় সকাশ ।
প্ৰৱেশ মাত্ৰকে চয় উৰ্ম্মিৰ বিনাশ ॥৫৫
মনুষ্যৰ ধৰ্ম্মে তেজে যাহাত চৰিলে ।
দেৱতাবো প্ৰতি আতি তাহতেসে মিলে ॥
একেজন প্ৰৱেশিলে যাহাৰ মধ্যত ।
তাৰ প্ৰতিবিম্ব লাগে ফটিক তম্ভত ॥৫৬
প্ৰতি প্ৰতি তম্ভে তাক দেখিয় প্ৰত্যেক ।
এককে বেঢ়িয়া যেন থাকয় অনেক ॥
বাসৱৰ সভা বিশ্বকৰ্ম্মে নিৰ্ম্মিলন্ত ।
তাহাৰ মহিমা কোনে কহিবেক অন্ত ॥৫৭
হীৰা মৰকত ৰত্ন কাসে জ্যোতি কৰে ।
কৃষ্ণক সাদৰে পঠায় দিলা পুৰন্দৰে ॥
ত্ৰিদশে ক্ৰীড়িলা যাত মহা কৌতূহলে ।
কৃষ্ণৰ প্ৰসাদে পায়া মনুষ্যসকলে । ৫৮
অহৰ্নিশে পৰম আনন্দে কেলি কৰে ।
তাহাৰ মাজত প্ৰৱেশন্ত দামোদৰে ॥
ৰত্নময় সিংহাসনে প্ৰভু নাৰায়ণ ।
শৰীৰৰ কান্তি কৰে দিশক প্ৰসন্ন ॥৫৯
সভাস্থল জ্বলে যেন দিব্য সৰোবৰ ।
গহীন গম্ভীৰ জন লোক নিৰন্তৰ ॥

কৃষ্ণ ভৈল যেন নীল উৎপল সাক্ষাত ।
কুমুদ কমল যদু বীৰগণ তাত ।।৬০
ৰাজহংস চৰে যেন ধৱল চামৰ ।
হয় হস্তী ভৈল যেন কুম্ভীৰ মগৰ ।।
নটে ভাটে গাৱে চাৰু কৃষ্ণৰ কীৰ্ত্তন ।
তেজৈ যেন ৰাৱ জলচৰ পক্ষীগণ ।।৬১
কৃষ্ণৰ আগত বিপ্ৰগণে পঢ়ে বেদ ।
হংসৰ আৰাৱ যেন শুনি অবিচ্ছেদ ।।
মৃদঙ্গ গোমুখ শঙ্খ মুৰুজ কাহাল ।
ৰুদ্ৰক কৰিলা ঘোষ তাল কৰতাল ।।৬২
চতুৰ্ভিতি বেঢ়ি পঞ্চ শব্দ বজাৱে ।
সাগৰৰ উৰ্ম্মি যেন উথলয় ৰাৱে ।।
নটীসবে নটে গাৱৈ গায়নসকল ।
পঢ়ে তুতি নতি কতো কৰয় মঙ্গল ।।৬৩
প্ৰকাশন্ত কৃষ্ণ যদুগণৰ মাজত ।
গ্ৰহগণৰ মাজে যেন চন্দ্ৰ আকাশত ।।
সাত্যকি উদ্ধৱ আছা কৃতাঞ্জলি হুই ।
চন্দ্ৰৰ দুই পাশে যেন গুৰু শুক্ৰ দুই ।।৬৪
যদুবীৰগণ ভৈল গ্ৰহগণ সৰি ।
সভাত আছন্ত বসি কৃষ্ণক আৱৰি ।।
উপসন্ধিগণে উপকথাক প্ৰকাশে ।
নানা হাস্যৰসে বিভু কৃষ্ণক উপাসে ।।৬৫
কতো পুৰাতন পুণ্য ৰাজাসকলৰ ।
পৰম পৱিত্ৰ যশ কহে নিৰন্তৰ ।
পুৰাণ কাহিনী শুনি মিলে মহোৎসৱ ।
প্ৰসন্ন বদনে কতো কৰে হৰি হৰি ৰৱ ।।৬৬

চিন্ন চৌণ্ডা ধ্বজ কতো নচুৱাৰে তুলি।
নমাৱয় মাথা কতো জয় কৃষ্ণ বুলি॥
কৰয় প্ৰাৰ্থনা কতো প্ৰাৰ্থকসকলে।
যেই যিবা খোজে দেন্ত কৃষ্ণে কৌতূহলে ॥৬৭
কৃষ্ণৰ মধুৰ মূৰ্ত্তি নেত্ৰে কৰি পান।
আছে প্ৰাণীগণ যোগী যেন কৰি ধ্যান॥
উদ্ধৱ সাত্যকি নন্দ সুনন্দ প্ৰমুখ্যে।
কৃষ্ণৰ চৰণ চিন্তি বসি আছে সুখে ॥৬৮
প্ৰসন্ন বদনে হৰি চান্ত চতুৰ্ভিতি।
অমৃত বৰিষি যেন কৰন্ত তৃপিতি॥
গহীন গম্ভীৰ বাক্য অমৃত সমান।
কৰ্ণাঞ্জলি ভৰি আতি প্ৰজা কৰৈ পান ॥৬৯
পৰম ঈশ্বৰ কৃষ্ণ জগত নিবাস।
কৰতে আছয় শত্ৰু কৌটিৰো বিনাশ॥
আপোনাৰ কান্তি কোটি চন্দ্ৰমাকো গঞ্জি।
বসিয়া আছন্ত প্ৰভু সমজ্যাকে ৰঞ্জি ॥৭০
নমো নমো নাৰায়ণ নিত্য নিৰঞ্জন।
প্ৰণত পালক ভৱভয় বিভঞ্জন॥
যাৰ কৃপালেশে সিদ্ধি হোৱে মনস্কাম।
হেন জানি নিৰন্তৰে বোলা ৰাম ৰাম ॥৭১

—:০:—

# দুলড়ি

সেহি সময়ত শুনিয়ো নৃপতি
যেন কথা আত পাছে ।
কৃষ্ণত ভকত ৰাজাগণ যত
জৰাসন্ধে বান্ধি আছে ॥
মথুৰাত সিটো কৃষ্ণক যুজন্তে
লগত নগৈলা তাৰ ।
সেহি কোপে পাপী বন্দী কৰি আছে
নৃপতি কুৰি হাজাৰ ॥৭২
তাহাৰা সবৰ সৰ্বস্ব সকলে
আগ্ৰহি আনিয়া ঘৰে ।
বলৰ দৰ্পত পৰম গৰ্বত
কটাক্ষো কাকো নকৰে ॥
আহ্মাৰ লগত কৃষ্ণক নুযুজে
দেখোক মোহোৰ দন্দি ।
তাহাৰা সবৰ মাথা কাটি দিয়া
পূজিবোহো ৰণচণ্ডী ॥৭৩
এহিবুলি ৰাজা গণক নিৰোধি
থৈলা গিৰি গহ্বৰত ।
সমস্ত ৰাজাৰ শৰীৰ সুখাইল
পৰম সিটে দুখত ॥
শ্ৰীমদজল গুচিল সমস্ত
শুদ্ধভৈল তনু-মন ।
প্ৰণত পালক জানিয়া কৃষ্ণৰ
চৰণে লৈলো শৰণ ॥৭৪

ইসব দুখক দূৰ কৰে হেন
কৃষ্ণ বিনে আন নাই।
আলোচি কৃষ্ণৰ পাশক সঙ্গোপে
দিলেক দূত পঠায় ॥
সুধৰ্ম্মা সভাত মাধৱ আছন্ত
সমস্ত দিশ প্ৰকাশি।
সেহি সময়ত সিংহ দুৱাৰত
দূত প্ৰৱেশিলা আসি ॥৭৫
দ্বাৰত ৰহিয়া বোলৈ দ্বাৰপাল
জানায়ো কৃষ্ণ চৰণে।
কৃষ্ণক দেখিতে আমি আসি আছো
মহা গোপ্য প্ৰয়োজনে ॥
শুনি গৈয়া দ্বাৰী কৃষ্ণক প্ৰণামি
বোলয় দেৱ আদেশ।
তোহ্মাক দেখিতে আসি আছে নাথ
মনুষ্য জন বিশেষ ॥৭৬
কৃষ্ণৰ আদেশে দ্বাৰী ভেন্তাইলেক
আগত আনি সাক্ষাত।
দণ্ডৱতে পৰি মাধৱক দূতে
কৰিলেক প্ৰণিপাত ॥
শিৰে কৃতাঞ্জলি ধৰি অৱনতে
দূতে বুলিবাক লৈল।
তোহ্মাৰ অৰুণ পদ দৰশনে
জন্মৰ সাফল ভৈল ॥৭৭

দেৱৰো দেৱতা পৰম ঈশ্বৰ
সনাতন তুমি হৰি ।
তোহ্মাৰ চৰণ সাক্ষাতে দেখিলো
কিনো আজো ভাগ্য কৰি ॥
তোহ্মাৰ ভৃত্যৰ ভৃত্যৰো কিঙ্কৰ
জানা মোক যদুপতি ।
যি কাৰ্য্যক স্বামী আমি আসি আছো
শুনিয়ো তাক সম্প্ৰতি ॥৭৮
তোহ্মাত ভকত নৃপতি সবক
বন্দী কৰি জৰাসন্ধ ।
গিৰি গহ্বৰত থৈয়া আছে পাপী
অনেক কৰি প্ৰবন্ধ ॥
তাহাৰা সবৰ বোলে আসি আছো
তোহ্মাৰ পাশক লাগি ।
অনেক কাতৰে কৰিয়া তোহ্মাত
পঠাইল শৰণ মাগি ॥৭৯

—:০:—

# ছবি

ৰাজাগণে বোলে হেন হে কৃষ্ণ কৃষ্ণ প্ৰভু
শুনা বোলো চৰণে প্ৰণামি ।
তোহ্মাৰ চৰণ দুই সংসাৰ মধ্যত সাৰ
জানিয়া শৰণ লৈলো আহ্মি ॥

সংসাৰ তাপত ভয় হুয়া আমি ৰাজাচয়
চাপিলো চৰণ ছায়াতল ।
নমো নমো দেৱ হৰি তাপচয় দূৰ কৰি
কৰা কৃপা ভকত বৎসল ॥৮০

কোটি কোটি ব্ৰহ্মাণ্ডৰ নাথ তুমি নাৰায়ণ
সৃষ্টি স্থিতি লয়ৰ কাৰণ ।
মায়াৰ ঈশ্বৰ দেৱ চৰাচৰে কৰো সেৱা
ভকতৰ ভয় বিমোচন ॥
হেন দেৱ দামোদৰ হিত চিন্তি জগতৰ
পৃথিৱীত ভৈলাহা বেকত ।
তোহ্মাৰ অভয়পদ পঙ্কজে প্ৰণাম কৰো
আমি হেৰা ৰাজাগণ যত ॥৮১

মনুষ্যৰ ভিন্নমতি তোহ্মাত নুপুজৈ ৰতি
আক ভালে জানিলো নিশ্চয় ।
তোহ্মাত ভকতি হীন ভৈব যিটো বুদ্ধি ক্ষীণ
নুগুচে তাহাৰ মৃত্যুভয় ॥
ৰিক্ৰমে পাতকে ৰত কাম্য কৰ্মে উনমত
ভৈল সবে লোক নিৰন্তৰ ।
পৰম কুশল কৰ্ম তোহ্মাৰ ভকতি ধৰ্ম
কটাক্ষো নকৰে তাক নৰ ॥৮২

তোহ্মাৰেসে মায়াময় সংসাৰ সাগৰে সিটো
পশি কৰে তাহাতে বিগ্ৰহ ।
ৰিষয় প্ৰমত্ত হুই জীৱিকাক চিন্তে সাৰ
ৰাত্ৰি দিনে ধনত আগ্ৰহ ॥

কোটি কোটি ব্ৰহ্মাণ্ডৰ নাথ তুমি নাৰায়ণ
সৃষ্টি স্থিতি লয়ৰ কাৰণ ।
মায়াৰ ঈশ্বৰ দেৱ চৰাচৰে কৰো সেৱ
ভকতৰ ভয় বিমোচন ॥
হেন দেৱ দামোদৰ হিত চিন্তি জগতৰ
পৃথিৱীত ভৈলাহা বেকত ।
তোমাৰ অভয়পদ পঙ্কজে প্ৰণাম কৰো
আমি হেৰা ৰাজাগণ যত ॥৮১

মনুষ্যৰ ভিন্নমতি তোহ্মাত নুপুজৈ ৰতি
আক ভালে জানিলো নিশ্চয় ।
তোহ্মাত ভকতি হীন ভৈল যিটো বুদ্ধি ক্ষীণ
নুগুচে তাহাৰ মৃত্যুভয় ॥
বিক্ৰমে পাতকে ৰত কাম্য কৰ্ম্মে উনমত
ভৈল সবে লোক নিৰন্তৰ ।
পৰম কুশল কৰ্ম্ম তোহ্মাৰ ভকতি ধৰ্ম্ম
কটাক্ষো নকৰে তাক নৰ ॥৮২

তোহ্মাৰেসে মায়াময় সংসাৰ সাগৰে সিটো
পশি কৰে তাহাতে বিগ্ৰহ ।
বিষয় প্ৰমত্ত হুই জীবিকাক চিন্তে সাৰ
ৰাত্ৰি দিনে ধনত আগ্ৰহ ॥
সন্তক পালিবা তুমি দুৰ্জ্জনক বিনাশিবা
ইসে কাৰ্য্যে ভৈলা অৱতাৰ ।
সন্তসবে পাৱৈ দুখ দুষ্টৰ উদয় ভৈল
নুবুজিলো একো অৰ্থ আৰ ॥৮৩

তুমি ৰক্ষা কৰা যাক সিয়ো জনে পাৱৈ দুখ
কিবা নিজ কৰ্ম্মৰ বিপাকে ।
তোমাৰ আজ্ঞাক লঙ্ঘি মহন্তক পীড়া কৰে
তথাপি কুশলে সিটো থাকে ॥
তোমাত বিমুখ যিটো তাহাৰ দুৰ্গতি হৌক
আমি পুনু তোমাত ভকত ।
তথাপিতো আমি কেনে অনেক নিকাৰ ভুঞ্জো
কোনে বুজে দৈৱৰ মহত ॥৮৪

হেনবা বুলিবা কিনো দুখ পাৱা তোৰা সবে
শুনা প্ৰভু ইহাৰ উত্তৰ ।
বিষয়ৰ সাধ্য যত নৃপতি সবৰ দুখ
সাক্ষাতে স্বপ্নৰ সমসৰ ॥
সৱ সম কলেবৰ পুত্ৰ দাৰা আদি কৰি
কেৱলে দুখৰ বহো ভাৰ ।
হানি অপমানচয় শোক মোহ মহাভয়
দিনে ৰাত্ৰি নুগুচে অপাৰ ॥৮৫

কিনো ভৈল মহাকষ্ট আপুনি চিন্তিলো নষ্ট
পূৰ্ব্বতে নভজি তযু পাৱে ।
মায়ায়ে মোহিত হুয়া বিষয় চিন্তিলো মাত্ৰ
আমি সব মহামূঢ় ভাৱে ॥
যিটো পৰমাৰ্থ সুখ তোমাৰ সেৱাত মিলৈ
তাক সবে তেজিলো হেলাত ।
মায়াৰ ৰচনা মিছা ক্লেশতে মজিলো মাত্ৰ
আপুনি কৰিলো আত্মঘাত ॥৮৬

সৰ্ব্বদুখ বিনাশন তোহ্মাৰ চৰণ এবে
শৰণে পশিলো ৰাজাজাক ।
তোহ্মাৰ মায়ায়ে ঘোৰ কৰ্ম্মজৰী বান্ধি আছে
প্ৰভু আবে নিবৰ্ত্তাৱা তাক ॥
সম্প্ৰতিক জৰাসন্ধ বন্দী কৰি থৈয়া আছে
ভুঞ্জো আমি অনেক নিকাৰ ।
বুলিবা আপুন বলে আপুনি মেলান হোৱা
ইটো শক্য নাহিকে আমাৰ ॥৮৭

অযুতেক ময়মত্ত হস্তীৰ সমান বলে
সিংহে যেন ছাগলীক আনি ।
আপুনি গৃহত সিটো অনেক নিগ্ৰহ কৰৈ
তুমি আবে মেলায়োক জানি ॥
তোহ্মাৰ ভকত বুলি আমাক পীড়য় আতি
শুনা তাৰ গৰ্ব্বৰ কাৰণ ।
তেইশ তেইশ অক্ষৌহিনী সেনা তাৰ ৰণে জিনি
পূৰ্ব্বত বধিলা নাৰায়ণ ॥৮৮

সুদৰ্শন ধৰি হাতে তুমি জগতৰ নাথে
দৰ্পচূৰ কৰিলা তাহাৰ ।
ঘিণে নকাটিলা ধৰি সিংহে যেন হৰিণক
জিনিলাহা সপ্তদশ বাৰ ॥

তুমি প্ৰভু জগতৰ অনন্ত শকতিধৰ
মনুষ্য মাৰ্গত ৰতি কৰি ।
পাছে তুমি একবাৰ যুদ্ধে যেন নপাৰিয়া
কৌতুকে পলাইলা দেৱহৰি ॥৮৯

তোহ্মাৰ বীৰ্য্যৰ বল বিক্ৰমক নজানিয়া
জিনিলো বুলিয়া মহামন্দ ।
বাঢ়ি গৈল মহাদৰ্প সেহিটো গৰ্ব্বত থাকি
আহ্মাক বান্ধিলে জৰাসন্ধ ॥
বিপক্ষ জানিয়া প্ৰভু তোহ্মাৰ প্ৰজাক পীড়ৈ
তুমি বিনে গতি আন নাই ।
জানিয়া গৰুড়কেতু আমাৰ মোক্ষৰ হেতু
চিন্তিয়োক আপুনি উপায় ॥৯০
দূত নিগদতি প্ৰভু এহিমতে ৰাজাগণে
ৰাত্ৰি দিনে তোহ্মাক দেখিত ।
অনেক যতনে আতি তযু পদপঙ্কজত
সবে দৃঢ় কৰি আছে চিত্ত ॥
পৰম প্ৰপন্ন দীন দাস সমস্তক দুখ
সাগৰত কৰিয়ো উদ্ধাৰ ।
কৰিয়ো কৰুণা নাথ অনাথসবক প্ৰতি
গতি মতি তুমিসে আমাৰ ॥৯১
নমো নমো নাৰায়ণ নৰৰূপী নিৰঞ্জন
দৈৱকীৰ গৰ্ভে অৱতাৰ ।
কেশীকংস আদি কৰি দানৱগণক মাৰি
সংহৰিলা পৃথিৱীৰ ভাৰ ॥
যদুকুল কমলৰ প্ৰকাশক দীনকৰ
যাৰ কৃষ্ণ হেন মহানাম ।
হেনয় কৃষ্ণৰ পাৱে সুদৃঢ় বিশ্বাস কৰি
নিৰন্তৰে বোলা ৰাম ৰাম ॥৯২

## পদ

এহিমতে দূতে যেবে কথা কহি আছে।
দেৱ ঋষি নাৰদ মিলিলা তৈতে পাছে ॥
হাতে দিব্য বীণাখানি সৰ্ব্বক্ষণে বান্ত।
মধুৰ বচনে মাধৱৰ গুণ গান্ত ॥৯৩
মাথাত পিঙ্গলজটা অগ্নিশিখা সম।
মুখে অল্প হাসি পৰিধান ব্যাঘ্ৰচৰ্ম্ম ॥
শৰীৰৰ কান্তি আতি জ্বলৈ দিশপাশ।
পৃথিৱীত ভৈল যেন আদিত্য প্ৰকাশ ॥৯৪
প্ৰিয় মাধৱৰ জন্ম কৰ্ম্মক প্ৰকাশি।
ফুৰন্ত লোকৰ পাপ সমূহ বিনাশি ॥
সুমৰন্তে কৃষ্ণ মূৰ্ত্তি হোৱন্ত সাক্ষাত।
পৰিপূৰ্ণ প্ৰেমানন্দ নুগুচে হিয়াত ॥৯৫
নেত্ৰৰ নুগুচে সদা আনন্দ লোতক।
হৰিষৰ বেগে আতি সৰ্ব্বাঙ্গ পুলক ॥
সমস্তে লোকক মহা আনন্দ কৰন্তে।
সুধৰ্ম্মাক পাই দশোদিশ প্ৰকাশন্তে ॥৯৬
নাৰদক দেখিয়া ঈশ্বৰ ভগৱন্ত
সমস্ত সমাজে তাৱক্ষণে উঠিলন্ত ॥
দেৱৰো দেৱতা মহেশ্বৰ নাৰায়ণ।
শিৰে পৰশিয়া দেৱ ঋষিৰ চৰণ ॥৯৭
সভাসদ সমে কৰিলন্ত নমস্কাৰ।
পৰম হৰিষে আনন্দৰ নাহিপাৰ ॥
ৰত্নময় আসনত বসাই অনন্তৰে।
ষড়ৰ্ঘে কৰিলা পূজা পৰম সাদৰে ॥৯৮

ঋষিয়ো হৰিষে বেদমন্ত্ৰ কৰি নাদ।
সভাগমে কৃষ্ণক কৰিলা আশীৰ্বাদ ॥
অমৃত সমান প্ৰিয় মধুৰ বচনে।
তপিয়া মুনিক মাতিলন্ত নাৰায়ণে ॥৯৯
আজি কিনো আস্মাৰ মিলিল মহাভাগ।
যিহেতু তোস্মাক দেখিবাক পাইলো লাগ ॥
যাক দেখিবাক নপাৰন্ত দেৱগণ।
মানুষে দেখিলোঁ হেন ঋষিৰ চৰণ ॥১০০
বিষয়ীৰ আস্মাৰ মলিন মহা চিত্ত।
তোস্মাৰ চৰণ ৰেণু কৰিলা পৱিত্ৰ ॥
তুমি মহা মুনিৰ মহিমা কৈবো কত।
পৱিত্ৰ কৰিয়া ফুৰা তিনিও জগত ॥১০১
ঈশ্বৰ নিৰ্ম্মিত ইটো যতেক সংসাৰ।
আত অবিদিত কিছু নাহিকে তোস্মাৰ ॥
যেন বায়ু বাহিৰে ভিতৰে গতি কৰে।
সেহিমতে চিত্ত তুমি জানা সমস্তৰে ॥১০২
সম্প্ৰতিক পুছোঁ এক কাহিনী তোস্মাত।
যুধিষ্ঠিৰ দাদা কিবা কৰন্ত সাক্ষাত ॥
কিবা একো মনোৰথ হুইয়া আছে তান।
জানিবাক চাহোঁ মোত কৈয়ো বিদ্যমান ॥১০৩
হেন শুনি দেৱঋষি গুণন্ত মনত।
নুবুজি কৃষ্ণৰ ইটো মায়াৰ মহত্ত্ব ॥
সমস্তে জীৱৰে সাক্ষী আত্মা অন্তৰ্য্যামী।
এন্তে নজানন্ত কিছু জানিয়াছোঁ আমি ॥১০৪
হেন শুনি কৃষ্ণত নাৰদ নিগদতি।
নুবুজি তোস্মাৰ ইটো মায়া যদুপতি ॥

আপুনি আছাহা যত জগত বিয়াপি ।
আমাক মোহিয়া প্ৰশ্ন কৰাহা তথাপি ॥১০৫
আপুনি সৃজাহা ইটো চৰাচৰ যত ।
সাক্ষী হুইয়া আছা সমস্তৰে হৃদয়ত ॥
জীৱক নিয়ম তুমি কৰা বিদ্যমানে ।
তথাপিতো লোক প্ৰভু তোম্ভাক নজানে ॥১০৬
যিহেতু নজানে তাৰ শুনিও যুগুতি ।
নজ্বলন্ত বহ্নি যেন ভস্মে আছে পুতি ॥
সেহিমতে অন্তৰ্য্যামী ৰূপে আছা হৰি ।
আপন শকতি নিজ প্ৰকাশ আৱৰি ॥১০৭
কৰিলাহা প্ৰশ্ন যিটো নুহি অদভুত ।
দেখিয়াছোঁ তযু যোগ মায়াক বহুত ॥
কোনে বুজে ভালমতে তোম্ভাৰ মায়াক ।
দুঃখ ৰূপে তৰিবাক নপাৰিয়া যাক ॥১০৮
আপন মায়ায়ে তুমি দেৱ ভগৱন্ত ।
কৰা ইটো জগতৰ সৃষ্টি স্থিতি অন্ত ॥
যদ্যপি অসন্ত চৰাচৰ মায়াময় ।
তোম্ভাৰ সম্পৰ্কে সন্ত হেন প্ৰকাশয় ॥১০৯
হেন হৰি তোম্ভাৰ মায়াৰ নাহি সীমা ।
তুমি পৰমাত্মা দেৱ অচিন্ত্য মহিমা ॥
তোম্ভাক জানিতে নাহি শকতি আমাৰ ।
কেৱলে চৰণে মাত্ৰ কৰোঁ নমস্কাৰ ॥১১০
বুলিবাহা হওঁ যদি আত্মা অন্তৰ্য্যামী ।
তেবে কিয় মিছামায়া চেষ্টা কৰো আমি ॥
শুনা দেওঁ ইহাৰ উত্তৰ নাৰায়ণ ।
তোম্ভাৰ অধীন ইটো যত জীৱগণ ॥১১১

মায়ায়ে কৰিলা সমস্তৰে বুদ্ধি হত ।
কৰৈ অহম্মম জড় মিছা শৰীৰত ॥
কৰ্ম্মজৰী বন্দী হুইয়া ফুৰে সংসাৰত ।
নজানে মোক্ষৰ হেতু জীৱে অজ্ঞানত ॥১১২
হেন জীৱ সমস্তক নিস্তাৰিতে মনে ।
লীলায়ে ধৰাহা অৱতাৰ নাৰায়ণে ॥
কৰিয়া প্ৰকাশ নিজ যশ প্ৰদীপক ।
অজ্ঞান আন্ধাৰ হন্তে নিস্তাৰা জীৱক ॥১১৩
তযু গুণ শ্ৰৱণ কীৰ্ত্তন যিটো কৰে ।
অপ্ৰয়াসে সংসাৰ নিস্তৰে সিটো নৰে ॥
হেন হৰি প্ৰশ্ন তুমি কৰাহা আমাত ।
তথাপিতো যেন জানো কহিবোঁ তোহ্মাত ॥১১৪
হে পৰ ব্ৰহ্ম নৰ লোক বিড়ম্বন ।
আসি আছোঁ মঞি এহি কাৰ্য্যে নাৰায়ণ ॥
যুধিষ্ঠিৰ ৰাজাৰ শুনিও প্ৰয়োজন ।
তোহ্মাক অৰ্চ্চিতে তান হুইয়া আছে মন ॥১১৫
ময়ে সাজি দিল দিব্য সভা মনোৰম ।
চতুৰ্দ্দশ ভুবনে নাহিকে যাক সম ॥
মঞিও দেখোঁ নাহি হেন সভা বিপৰীত ।
তাহাতে খোজন্ত ৰাজা তোহ্মাক অৰ্চ্চিত ॥১১৬
মোক পঠাইলন্ত আতি বুলিয়া সাদৰি ।
আমাক কৰন্ত যদি দয়া দেৱ হৰি ॥
তান চৰণৰ অনুগ্ৰহ যেবে পাওঁ ।
ৰাজসূয় কৰি তাঙ্ক অৰ্চ্চিবাক চাওঁ ॥১১৭
হেন অভিমত কৰি যুধিষ্ঠিৰ ৰায় ।
আছন্ত জানিয়া কৃষ্ণ হুইয়োক সহায় ॥

পাণ্ডুনৃপতিৰো মহা হৌক সদগতি ।
পাণ্ডৱক অনুকম্পা কৰিও সম্প্ৰতি ॥১১৮
তোহ্মাৰ প্ৰসাদে মোত নাহি অবিদিত ।
ব্ৰহ্মা আদি কৰি সমস্তৰে জানো চিত্ত ॥
যত দেৱগণ সিদ্ধ গন্ধৰ্ব্ব চাৰণ ।
নৰ নাগ মুনি মহা মহা ৰাজাগণ ॥১১৯
নিৰন্তৰে যুধিষ্ঠিৰ ৰাজাৰ যজ্ঞত ।
তোহ্মাক দেখিতে লাগি আসিব সমস্ত ॥
বুলিবা মানুষ মঞি দৈবকী নন্দন ।
মোক কিয় দেখিতে আসিব দেৱগণ ॥১২০
আমাৰেসে দেৱক দেখিতে যোগ্য হয় ।
ইহাৰ উত্তৰ শুনিয়োক কৃপাময় ॥
নুহিকা মানুষ ব্ৰহ্মময় কলেবৰ ।
চিদানন্দ মূৰ্ত্তি যত জগত ঈশ্বৰ ॥১২১
যিটো শৰীৰৰ গুণ শ্ৰৱণ কীৰ্ত্তনে ।
পৰম পৱিত্ৰ হোৱে মহা ম্লেচ্ছগণে ॥
তোহ্মাত সাক্ষাত যিটো দেখিল নয়নে ।
তাহাৰ ভাগ্যক আৰ বৰ্ণাইব কেমনে ॥১২২
তোহ্মাৰ নিৰ্ম্মল যশ পৰম মঙ্গল ।
স্বৰ্গ মৰ্ত্ত্য পাতালকো ব্যাপিল সকল ॥
দশো দিশ ব্যাপি যশে ঢাকিল ধৰণী ।
ভকতৰ মহাধন যেন চিন্তামণি ॥১২৩
এহি চৰণতে গঙ্গা হুইয়া উতপতি ।
তিনিও জগত কৰে পৱিত্ৰ সম্প্ৰতি ॥
স্বৰ্গে মন্দাকিনী পাতালত ভগৱতী ।
পৃথিৱীত পৰম প্ৰখ্যাত ভাগীৰথী ॥১২৪

হেন তুমি পাৰে যিটো তোহ্মাক দেখিতে ।
মিলিল মঙ্গল ভৈল পৰম পৱিত্ৰ ।।
কহিলোঁ তোহ্মাত যেন পুছিলা আপুনি ।
এহি বুলি ভৈলা পাছে মৌন মহা মুনি ।।১২৫
হেন শুনি পাছে দেৱ দৈবকী নন্দন ।
সমজ্যাক চাহি হেন বুলিলা বচন ।।
শুনা সবে যত যদুবীৰ নিৰন্তৰ ।
কৰিয়া যুগুতি মোত কহিও সত্বৰ ।।১২৬
কিবা আগে পাণ্ডৱ ৰাজাৰ ঠাইক যাওঁ ।
কিবা শৰণীয়া ৰাজাগণক মেলাওঁ ।।
হেন শুনি যদুগণে দিল সমিধান ।
শুনা দেৱ ইটো হেন কাৰ্য্যৰ বিধান ।।১২৭
ৰাজাসকলৰ দূতে দিল আগে জান ।
পাছেসে নাৰদ আসিয়াছা বিদ্যমান ।।
প্ৰথমে শুনিয় যাক তাকে আগকৰি ।
পাছে শুনিবাৰ কাজ পাচত আচৰি ।।১২৮
হেন জানি আমি আগে মাৰো জৰাসন্ধ ।
আহ্মাৰো বিপক্ষ দুৰাচাৰ মহানন্দ ।।
বন্দী কৰি আছে তযু ভক্ত ৰাজাচয় ।
তাসম্বাৰ শুনি আৰো প্ৰাণৰ সংশয় ।।১২৯
আউৰ কিবা চাও আসা এতিক্ষণে যাওঁ ।
জৰাসন্ধ মাৰি ৰাজাগণক মেলাওঁ ।।
উড়াই পৰো হেন মন কৰে পিত পিত ।
লুড়ি পুড়ি আনো তাৰ যত ধন বিত্ত ।।১৩০
যুধিষ্ঠিৰ ৰাজাৰ যজ্ঞৰ ঘৰ-কথা ।
আছোক এখন তাক পাইবোঁহোঁ সৰ্ব্বথা ।।

শত্রুক মাৰিতে কুটুম্বিতা নহৰায় ।
মিত্রৰ কার্য্যক প্রভু সর্ব্বক্ষণে পায় ॥১৩১
নলাগে তোম্মাৰ যাইতে আজ্ঞা যেবে পাওঁ ।
পাঞ্চি পঠাইয়োক আমি যুজিবাক যাওঁ ॥
কোন হয় জৰাসন্ধ আম্মাৰ আগত ।
গর্জ্জে যদুবীৰগণ বলৰ দর্পত ॥১৩২
মাৰো জৰাসন্ধ বুলি কৰে হুলস্থূল ।
মহা কোলাহল ৰোল মিলিল তুম্বুল ॥
কৃষ্ণৰ মনৰ কেহো নজানয় মর্ম্ম ।
প্রথমতে মাধৱে কৰিব কোন কর্ম্ম ॥১৩৩
কতক্ষণে নিজম পৰিল যদুগণ ।
সবাৰো উত্তৰ শুনিয়াছে নাৰায়ণ ॥
বোলন্ত নজানে কেহো কার্য্য ব্যৱহাৰ ।
নুবুজো আশয় একো চিত্তৰ আম্মাৰ ॥১৩৪
মহা মদগর্ব্বে কৰে আতি আড়ম্বৰ ।
এহিবুলি উদ্ধৱক চাহি দামোদৰ ॥
পৰম মধুৰ বাক্য বঢ়াইয়া উৎসৱ ।
বোলন্ত শুনিয়ো মোৰ সুমন্ত্রী উদ্ধৱ ॥১৩৫
তুমিসি পৰম চক্ষু যেন মোৰ প্রাণ ।
সুহৃদ বান্ধৱ তুমি বিনে নাহি আন ॥
মহা মুখ্য মন্ত্রী মন্ত্রণাৰ জানা তত্ত্ব ।
বুদ্ধিত সাগৰ জানা ভাল মন্দ যত ॥১৩৬
গহীন গম্ভীৰ যত গুণেৰ মন্দিৰ ।
সুবোধ সুধীৰ ধীৰ তুমি মহাবীৰ ॥
মোৰ মনোগত তত্ত্ব তুমি জানা মাত্র ।
সর্ব্বজান কুশল মোহোৰ মহা পাত্র ॥১৩৭

সম্প্ৰতিক কহা কেন কৰো বিদ্যমান।
দুই গোটা কাৰ্য্য আসি ভৈল একখান ॥
ৰাজা সমস্তৰ দূত আনি আছে আগে।
তাসম্বাক মেলাইবাক আৱশ্যকে লাগে ॥১৩৮
যুধিষ্ঠিৰ দাদা মোৰ প্ৰাণতো অধিক।
মোক নিবে প্ৰতি দেখা পঠাইলা ঋষিক ॥
তাহানো কৰাইবে লাগে যজ্ঞ ৰাজসূয়।
যুগপতে মিলিল কৰ্ত্তব্য কাৰ্য্য দুই ॥১৩৯
ৰাজা সমস্তৰ দুঃখে নসহে শৰীৰ।
নগৈলে তক্ষিৰ তৈত দাদা যুধিষ্ঠিৰ ॥
দুই গোটা কাৰ্য্য আতি আছে আউল হুইয়া।
তুমি মহা মতি মোক আন্ত বাছি দিয়া ॥১৪০
প্ৰথমতে জৰাসন্ধ ৰজাক নামাৰি।
ৰাজা সমস্তক তাৰে মেলাইতে নপাৰি ॥
কিবা জৰাসন্ধ মাৰি ৰাজাক মেলাওঁ।
কিবা পাণ্ডৱৰ যজ্ঞ কৰাইবাক যাওঁ ॥১৪১
যথা যোগ্য যুগুতি কহিয়ো মহাশয়।
পৰম শ্ৰদ্ধায় তাক কৰিবো নিশ্চয় ॥
এহিমতে সৰ্ব্বজান কৃষ্ণ ভগৱন্ত।
মূঢ়ে যেন উদ্ধৱত উপায় পুচন্ত ॥১৪২
অনন্তৰে কৃষ্ণৰ আদেশ শিৰে ধৰি।
নম্ৰভাৱে মাধৱক নমস্কাৰ কৰি ॥
নাৰদৰ বাক্য যত আকলি মনত।
বুজিলা হৃদয়ে সমজ্যাৰ যেন মত ॥১৪৩
ৰাজদূত বচনক মনে অনুমানি।
চিত্তে মাধৱৰ কাৰ্য্য গৌৰৱক জানি।

সমস্তে যুগুতি আনি কৰি এক মত।
পূৰ্ব্বাপৰ বিমৰষি দঢ়ায়া মনত ॥১৪৪
বচন পণ্ডিত আতি উদ্ধৱ মহন্তে।
বাক্যামৃতে সমজ্যাক তৃপিতি কৰান্তে ॥
কৃতাঞ্জলি হুইয়া অৱনত কৰি কায়।
বুলিবাক লৈলা পাছে মাধৱক চাই ॥১৪৫
শুনা নিৰন্তৰে কৃষ্ণ চৰিত্ৰ অমৃত।
মাধৱৰ পাদ পদ্মে কৰি এক চিত্ত ॥
ঘোৰ পৰলোক তৰিবাৰ কৰা কাম।
পাপৰ নিসঙ্কি হৌক বোলা ৰাম ৰাম ॥১৪৬

---

## দুলড়ি

উদ্ধৱ বদতি শুনা যদুপতি
কিনো ভৈল বিৰম্বন।
যিহেতু আমাত পুছিলা যুগুতি
অন্তৰ্য্যামী নাৰায়ণ ॥
আপুনি সৰ্ব্বজ্ঞ পুছা যেন অজ্ঞ
কিনো আতি বিপৰীত।
আন হেতু নাহি কেৱলে ভৃত্যৰ
মহিমা কৰা বিদিত ॥১৪৭

তোমাৰ মনত কিবা আছে মত
কিমতে জানিবো আমি ।
তথাপি বচন পালি যেন জানো
কহিবো তোমাত স্বামী ॥

নাৰদে যি কৈলা কৰিবঁ যজ্ঞ
যুধিষ্ঠিৰ মহাভাগে ।
তাহান কার্য্যত অৱশ্যে তোমাৰ
সহায় হুইবাক লাগে ॥১৪৮

শৰণীয়া ৰাজা গণক ৰাখিতে
লাগে জৰাসন্ধ মাৰি ।
দুইয়ো গোটা কার্য্য নিশ্চয়ে কর্ত্তব্য
তোমাৰ হোৱে মুৰাৰি ॥

ৰাজসূয় যজ্ঞ জয়ন্তে কৰিতে
লাগয় দিক্‌বিজয় ।
লক্ষেক নৃপতি জিনিয়া একত্র
কৰাইবাহা মহাশয় ॥১৪৯

মোৰ মতে যেবে সেহি সময়ত
জৰাসন্ধ বধ হয় ।
তেবেতো আমাৰ উভয় প্ৰকাৰ
দুতয় কার্য্য সাধয় ॥

তোমাৰো পৰম যশস্যা বাঢ়য়
যজ্ঞ সিজে পাণ্ডৱৰ ।
দুখ অদভুত বন্ধৰ মুকুত
হোৱে নৃপ নিৰন্তৰ ॥১৫০

ইসব কাৰ্য্যৰ শুনিয়ো নিয়ম
কহো অনুক্রমে আমি ।
পাণ্ডৱৰ ইন্দ্র প্রস্থক চলিয়া
প্রথমতে যাইয়ো স্বামী ॥
তথাতে পাণ্ডৱ নৃপতিত পাছে
অনুমতি মাগি লৈয়া ।
তাহান নিমিত্তে তুমি মহামতি
মাগধক বধা গৈয়া ॥১৫১

সিটো মহাবলী অযুত প্রমত্ত
হস্তীৰ বলে সমান ।
তাহাক বধন্তা বলবন্ত মাজে
ভীম বিনে নাহি আন ॥

ভীমৰ হাতত মৰাইবাহা হেন
তোহ্মাৰো হুইয়াছে চিত্ত ।
দ্বৈৰথ যুদ্ধত মাৰিবন্ত ভীমে
তাহাৰো বিধি লিখিত ॥১৫২

এতেকেসে তুমি ভীম ধনঞ্জয়
দুহাঙ্কো লগত লৈয়া ।
ব্রাহ্মণৰ বেশ ধৰিয়া তিনিয়ো
যুদ্ধ প্রার্থিবাহা গৈয়া ॥
পাছে জৰাসন্ধে তোৰা দুইকো তেজি
ভীমক বৰিব ৰণে ।
ঘোৰ যুদ্ধ কৰি মাৰিবন্ত ভীমে
নিমিত্ত তুমি কাৰণে ॥১৫৩

হেনবা বুলিবা ভীম জৰাসন্ধে
দুইহানো বলে সমান ।
সমক সমানে কিমতে মাৰিব
শুনা আৰ সমিধান ॥
দেৱৰো দেৱতা কাল ৰূপী ইটো
কৰা সৃষ্টি স্থিতি লয় ।
ব্ৰহ্মা মহেশ্বৰ নিমিত্তসে মাত্ৰ
তোম্মাতেসে হন্তে হয় ॥১৫৪

হেন হৰি তুমি যাহাৰ সহায়ি
ভৈলা দেৱ কৃপাময় ।
আন কোনো কাম সিটো জনে আৰ
মৃত্যুকো নকৰে ভয় ॥
হেন জানি তুমি ভীমক নিমিত্ত
কৰি বধা জৰাসন্ধ ।
নৃপতি সবৰো খণ্ডিয়ো দুৰ্গতি
সত্তৰে কৰা প্ৰবন্ধ ॥১৫৫

শুনা যেন মতে ৰাজা সকলৰ
ভাৰ্য্যাগণ নিৰন্তৰে ।
গৃহত থাকিয়া তোম্মাৰ নিৰ্ম্মল
যশক কীৰ্ত্তন কৰে ॥

আপন পুত্ৰক কৰয় লালনা
কোলে কৰি লৈয়া তুলি ।
তযু গুণ কৈয়া ক্ৰন্দন নিৰোধে
নকান্দ নকান্দ বুলি ॥১৫৬

জৰাসন্ধ বধি তোৰা সকলৰ
পিতৃক মেলাইব হৰি ।
অল্পতে গৃহক আসিবো সবাৰো
মনত আনন্দ কৰি ॥
যদিবা বালেক নযাস সঞ্জাত
ইহাৰ প্ৰমাণ শুন ।
ভকতৰ দুঃখ তিলেকো নসন্ত
কি কৈবো কৃষ্ণৰ গুণ ॥১৫৭

শঙ্খচূৰ যক্ষ মাৰিয়া গোপীক
মেলাইলা শ্ৰীগোপাল ।
পিতৃক মাতৃক মেলাইলাহা হৰি
বধিয়া কংস বিশাল ॥
ৰাৱণক মাৰি বাঘৰ মুৰাৰি
খণ্ডিলা সীতাৰ দুঃখ ।
গজেন্দ্ৰক হৰি কৰিলা মুকুত
ছিৰিয়া গ্ৰাহৰ মুখ ॥১৫৮

আনো আনো যত ভকত সকলে
কৃষ্ণত শৰণ লৱে ।
সবাৰো দুঃখক কৰন্ত নিৰ্য্যান
ঈশ্বৰ এন্তে মাধৱে ॥
এহিমতে তযু গুণগণ গাৱে
যত ৰাজ মহাদই ।
তাহাৰা সবৰ দুঃখক নিৰ্য্যান
কৰিয়ো সত্বৰে গই ॥১৫৯

জৰাসন্ধ বধ ভৈলে কৃষ্ণ আনো
অনেক কাৰ্য্য সাধয় ।
শিশুপাল আদি ৰাজাক বধক
তেবে অপ্ৰয়াসে হয় ॥
কালৰ বিপাকে পুণ্য পৰিপাকে
তোম্হাৰ গমন হেতু ।
তব অভিমত সিজে কাৰ্য্য যত
পাণ্ডৱ ৰাজাৰ ক্ৰতু ॥১৬০
উদ্ধবৰ হেন শুনিয়া যুগুতি
যত যদু বৃদ্ধগণে ।
গোবিন্দ নাৰদ প্ৰমুখ্যে সবেও
পূজিলা সাধু বচনে ॥
ধন্য ধন্য ইসি উত্তম উপায়
কহিলন্ত মহাভাগে ।
মাধৱে বোলন্ত মোহোৰ মনত
এহিসে যুগুতি লাগে ॥১৬১
আগহন্তে জানো উদ্ধৱ বিনাই
নজানে আনে উপায় ।
এহি বুলি ইন্দ্ৰ- প্ৰস্থক যাইবাক
সাজিলন্ত যদুৰায় ॥
শুনা সভাসদ ভাগৱত পদ
কৃষ্ণৰ লীলা প্ৰধান ।
একচিত্ত কৰি বোলা হৰি হৰি
পাতক হৌক নিৰ্য্যান ॥১৬২

—:():—

# পদ

শুক নিগদতি শুনা ৰাজা পৰীক্ষিত
কৃষ্ণৰ পয়ান লীলা কথা বিপৰীত ॥
সংসাৰ সাগৰে ইসে কৰিবেক ত্ৰাণ ।
কলিতে নাহিকে পুণ্য ইহাৰ সমান ॥১৬৩
অনন্তৰে ভগৱন্ত দৈৱকী নন্দন ।
সাৰথিক চাহি হেন বুলিলা বচন ॥
দাৰুক প্ৰমুখ্যে শুনা সাৰথি সমস্ত ।
ঝাণ্টে ৰথ সাজি আন চলো ইন্দ্ৰপ্ৰস্থ ॥১৬৪
শুনিয়ো উদ্ধৱ অন্তঃপুৰে চলি যাহা ।
মহিষীসৱক তুমি জাণ্টে চলৱাহা ॥
স্বকী স্বকী যানে সবে চলোহো সত্বৰ ।
বাহিৰে চলিলো হেৰা নযাওঁ আৰ ঘৰ ॥১৬৫
চলোক লগত যত দাসী দাস মানে ।
নিৰন্তৰে বেশ্যাগণ চলোক বিমানে ॥
হয় হস্তী ৰথ ৰথী সেনা যত যত ।
চতুৰঙ্গ দলে সাজি চলোক লগত ॥১৬৬
শুনিয়া লোকৰ মহা হৰিষ মিলিল ।
সাজ সাজ বোল ৰোল উৰ্ম্মি উথলিল ॥
সাগৰৰ যেন জলজন্তু উজৰিল ।
পৰম কেতুকে সাজি তেখনে লড়িল ॥১৬৭
উদ্ধৱে চলাইলা যত মহিষী সকল ।
ৰুক্মিণী প্ৰমুখ্যে নাৰী কৰে কুতূহল ॥
কিনো অনুগ্ৰহ কৰিলন্ত কৃষ্ণ স্বামী ।
জানিলো পৰম সুভাগিনী তান আমি ॥১৬৮

স্বামীৰ লগত কুটুম্বৰ ঘৰে যাইবো ।
কুটুম্ব সবৰ সহা সাদৰক পাইবো ॥
আত পৰে আমাৰ আনন্দ কিবা আছে ।
ভকত বৎসল কৃপাময় কৃষ্ণে পাছে ॥১৬৯
বসুদেৱ আদি যত আছে গুৰুজন ।
সমস্ততে অনুজ্ঞা লৈলন্ত নাৰায়ণ ॥
সঙ্কৰ্ষণ জ্যেষ্ঠতো অনুজ্ঞা মাগি লৈলা ।
বুলি মাতি তাঙ্ক দ্বাৰকাৰ ৰক্ষা থৈলা ॥১৭০
শাম্ব কাম আদি যোদ্ধাগণ আছে যত ।
শত্ৰুক শঙ্কায়ে ৰক্ষা থৈলা নগৰত ॥
অনন্তৰে দাৰুকে যোগাইলা ৰথ সাজি ।
সব্য সুগ্ৰীব আদি নিয়োজিয়া বাজি ॥১৭১
চাৰিয়ো ঘোঁৰাক কাছাইলন্ত নানা কাছে ।
নিৰ্ম্মল দৰ্পণ কপালত দিয়া আছে ॥
ৰত্নৰ কিঙ্কিণী শাৰি শাৰি আৰিলন্ত ।
নানা ৰত্ন কামে ৰথ খান মণ্ডিলন্ত ॥১৭২
গৰুড়ৰ ধ্বজ গোট আগত বান্ধিল ।
নানা থানে নানা অস্ত্ৰ শস্ত্ৰ নিবন্ধিল ॥
উপৰে সঞ্জোগি থৈলা ভোজন সম্ভৃত ।
নানা ষড় ৰস দেৱ ভোগ পঞ্চামৃত ॥১৭৩
জ্বলে ৰথ খান যেন সূৰ্য্যৰ সঙ্কাশ ।
তাতে আৰোহিলা প্ৰভু জগত নিবাস ॥
ৰথৰ উপৰে প্ৰকাশন্ত দামোদৰ ।
উদয় গিৰিত যেন জ্বলন্ত ভাস্কৰ ॥১৭৪
দিব্য মুকুতাৰ ছত্ৰ উপৰে প্ৰকাশে ।
পূৰ্ণিমাৰ চন্দ্ৰ যেন নিৰ্ম্মল আকাশে ॥

পীত বস্ত্রে জ্বলে আতি শ্যাম কলেৱৰ ।
বিজুলী ৰঞ্জিত যেন নৱ জলধৰ ।।১৭৫
শ্ৰীমন্ত কিৰীটি জ্বলে অগ্নি শিখা সম ।
ললাটত সুন্দৰ তিলক মনোৰম ।।
বদন মণ্ডল পূৰ্ণ চন্দ্ৰৰ উদয় ।
প্ৰফুল্ল পঙ্কজ যেন নয়ন দুতয় ।।১৭৬
মকৰ কুণ্ডলে গণ্ড প্ৰকাশে প্ৰচুৰ ।
চালি কৰি নাচে যেন দুগোটা ময়ূৰ ।।
ঈষৎ হসিত চাৰু ৰাতুল অধৰ ।
মাণিকৰ কান্তি দন্তপান্তি মনোহৰ ।।১৭৭
চূড়ামণি ৰত্নে চূড়া কৰয় প্ৰকাশ ।
সূৰ্য্যৰ কিৰণে যেন জ্বলে দিশ পাশ ।।
নিৰ্ম্মল কপোল মণি দৰ্পণ সমান ।
যেন নীল তিল ফুল নাসিকা সুঠান ।।১৭৮
মদনৰ ধনু হেন ভ্ৰূব সুবলিত ।
কটাক্ষ দৃষ্টিত যেন বৰিষে অমৃত ।।
কুটিল অলক যেন ভ্ৰমৰৰ পান্তি ।
কম্বু কণ্ঠ মাজে মণি কৌস্তুভৰ কান্তি ।।১৭৯
গজ মুকুতাৰ হাৰ জ্বলে হৃদয়ত ।
যেন দুই ধাৰা গঙ্গা জ্বলে আকাশত ।।
হীৰা মৰকত মণিময় মনোৰম ।
জ্বলে পেচন্দাৰ দ্বিতীয়াৰ চন্দ্ৰ সম ।।১৮০
শক্ৰ চাপ সম জ্বলে গলে বনমালা ।
নানা ৰত্নে বিৰচিত কটিত মেখলা ।।
বলিত বৰ্ত্তুল ভুজ ভুজঙ্গ সমান ।
সুদীৰ্ঘ আঙ্গুলি আতি দেখিতে সুঠান ।।১৮১

চন্দ্ৰমাৰ শাৰি যেন জ্বলে নখচয় ।
আঙ্গুলিত জাপ ৰত্ন আঙ্গুষ্ঠি জ্বলয় ॥
আৰকত কৰ যেন নৱকিশলয় ।
অঙ্গদ কঙ্কণ চাৰু বলয় জ্বলয় ॥১৮২
সিংহবন্ধ কন্ধক দেখন্তে মনোহৰ ।
অশ্বত্থৰ পত্ৰ যেন বলিত উদৰ ॥
হৃদয়ৰ মধ্যত শ্ৰীবৎস কৰে কান্তি ।
নীলমেঘ খণ্ডে যেন জ্বলে বক পান্তি ॥১৮৩
উদৰত ত্ৰিবলী বলিত আৰকত ।
সিন্দূৰৰ ৰেখা যেন জ্বলে অঞ্জনত ॥
পাট পীত ভুনি জ্বলে কটি প্ৰদেশত ।
বিদ্যুত বেঢ়িছে যেন অঞ্জন পৰ্ব্বত ॥১৮৪
কনক কিঙ্কিণী পান্তি কৰে ৰুণ জুন ।
পীত উত্তৰীয় কান্ধে জ্বলে নৱগুণ ॥
কৰী কৰ সম উৰু জানু সুবলিত ।
জঙ্ঘাত হোৰৰ জ্বলে ৰতনে ৰচিত ॥১৮৫
অভিনৱ পদ্ম যেন চৰণ দুতয় ।
তাৰ মাজে মণিময় নূপুৰ জ্বলয় ॥
সুন্দৰ আঙ্গুলি মাজে উজণ্টি ৰত্নৰ ।
পদ্ম মধু লোভে যেন উপাসে ভ্ৰমৰ ॥১৮৬
নিৰ্ম্মল উজ্জ্বল আতি জ্বলে নখচয় ।
শাৰি হুইয়া যেন চন্দ্ৰগণে প্ৰকাশয় ॥
অলকত সম সুকোমল পদ তল ।
ৰঞ্জে ধ্বজ বজ্ৰ যব অঙ্কুশ কমল ॥১৮৭
পৰম মধুৰ মূৰ্ত্তি বসি ভগৱন্ত ।
কোটি শশাঙ্কতো কৰি জ্বলন্তে আছন্ত ॥

অমৃত কোটিতো কৰি দেখি জুৰাই মন ।
ৰূপে কোটি কন্দৰ্পৰো দৰ্প কৰে ছন্ন ।।১৮৮
গহীন গম্ভীৰ কোটি সমুদ্ৰতোধিক ।
বিলাসে জিনন্ত প্ৰভু মহেন্দ্ৰ কোটিক ।।
ধৱল চামৰ দুই পাশত উপাসে ।
দুই ৰাজ হংস যেন মেঘৰ দুই পাশে ।।১৮৯
হেন দিব্য ৰূপে দেৱ দৈৱকী নন্দন ।
শুভ সুমঙ্গলে প্ৰভু কৰিলা গমন ।।
হয় হস্তী ৰথ পত্তি অসংখ্য প্ৰমাণ ।
চতুৰঙ্গ সেনা সাজি ধৰিলা যোগান ।।১৯০
আতি ভয়ঙ্কৰ মাধৱৰ সেনাবল ।
সাক্ষাতে দেখিয় যেন সাগৰ সচচল ।।
অসংখ্য কটকে জল ভৈল সাগৰৰ ।
হস্তী ঘোঁৰা উটে ভৈল কুম্ভীৰ মগৰ ।।১৯১
চলে চমৎকাৰে দিব্য ৰথ অসংখ্যাত ।
দেখি যেন সাগৰৰ আৱৰ্ত্ত সাক্ষাত ।।
মৃদঙ্গ গোমুখ শঙ্খ বাৱে ঢাক ঢোল ।
চতুৰ্ভিতি বেঢ়ি ঘোৰ প্ৰজা কৰে ৰোল ।১৯২
দশো দিশ আকাশক শবদে পূৰিল ।
যেন সাগৰৰ ঘোৰ উৰ্ম্মি উথলিল ।।
কৰিল প্ৰকাশ ভয়ঙ্কৰ সেনাগণে ।
ধ্বজ দণ্ড অস্ত্ৰ শস্ত্ৰ বস্ত্ৰ আভৰণে ।।১৯৩
বিতোপন ছত্ৰ চৰ্ম্ম ধৱল চামৰে ।
যেন আদিত্যৰ ৰশ্মি দিন শোভা কৰে ।।
চলে যূথে যূথে হস্তীচয় ময়মত্ত ।
মদ বিন্দু পড়ি পঙ্ক হোৱে পন্থ যত ।।১৯৪

পাৰৰ প্ৰহাৰে মহী কৰে দল দোপ।
ভয়ঙ্কৰ নাদে ঘোৰ কৰয় আটোপ ॥
কৰে হড় হড় ৰথ চক্ৰৰ সম্বাদ।
বাৰিষা কালৰ যেন মেঘে কৰে নাদ ॥১৯৫
উপৰে সাৰথি বীৰ কাছে কাছি আছে।
হাতে শৰ চাপ ধৰি চলে আগে পাচে ॥
বায়ুকো জিনয় বেগে যতেক ঘোটক।
যেন মুখ মেলি পিবে খোজে আকাশক ॥১৯৬
হ্ৰেষণি শৱদে আতি কৰ্ণে হানে তাল।
আক্ৰান্তে ৰাহুতে সমে কৰয় আস্ফাল ॥
গৰ্দ্দভৰ চিহৰণী মিলয় তৰাস।
অসংখ্যাত উট চলে লঙিঘয়া আকাশ ॥১৯৭
পদাতি কটকে হাতে খাণ্ডা বাৰু ধৰি।
পৰম আটোপে চলে আৰস্ফটি কৰি ॥
মাৰে বাৰু ছাট হাতে লুম্ফিয়া খাণ্ডাক।
কৰি দেৱ ডাম্ফি আতি গৰ্ব্বে ছাড়ে ডাক ॥১৯৮
চিহ্ন ধ্বজ দণ্ড গাছুল বোম্বাল।
তুলি তুলি নচুৱাৱে কৰয় আস্ফাল ॥
চল চল দশো দিশে কৰয় ঘঞ্চাল।
গিৰি গিৰি পয়োভৰে যাই ভূমি চাল ॥১৯৯
কম্পে চৰাচৰ যত দিগজ সকল।
সুৰাসুৰ নাগত লাগিল টল বল ॥
কৃষ্ণৰ পয়ান দেখি মিলিল তৰাস।
অনন্ত কম্পন্ত কূৰ্ম্মে তেজন্ত নিশ্বাস ॥২০০
সাগৰ খলকি তীৰ প্লাৱিল জলে।
পসিল পাতাল মৎস্য মকৰ সকলে ॥

লাগিল উচছৃঙ্ক দিকপাল সমস্তত ।
মাধৱৰ পয়ানত কম্পে ত্রিজগত ।।২০১
হস্তী ঘোঁৰা ৰথ উট মেঠন মহিষে ।
সাগৰ সঙ্কাশ সেনা চলে সহৰিষে ।।
পাৱৰ বেগত ধূলা উঝাৰি সকল ।
দশোদিশ ব্যাপি গৈল গগণ মণ্ডল ।।২০২
মেঘে যেন ঢাকি ৰবি ৰশ্মি ভৈল ছন্ন ।
দিনতে আন্ধাৰ যেন আনে বৰিষণ ।।
খাল বাম গিৰি নদী সৰি হুইয়া যাই ।
কতো কতো নদী মানে নামন্তে শুখাই ।।২০৩
সান্থুৰিয়া পাৰ হোৱে আগুৱান যৈত ।
পাছৰ কটকে পাইলে ধূলা উড়ে তৈত ।।
হেন চমৎকাৰে চলি যান্ত দামোদৰ ।
মহা পাৰিছেদে যান্ত যতেক কুমাৰ ।।২০৪
কৃষ্ণৰ সমান ৰূপে পৰম সুন্দৰ ।
দিব্য বস্ত্রে অলঙ্কাৰে জ্বলে কলেৱৰ ।।
হয় হস্তী ৰথে কতো কতো নৰযানে ।
ছত্র চামৰ আদি অনেক যোগানে ।।২০৫
কৃষ্ণৰ সমান জ্বলে সমস্তৰ কায়া ।
চিনিতে নপাৰি যেন দৰ্পণৰ ছায়া ।।
ষোড়শ সহস্র অষ্টাধিক একশত ।
ৰুক্মিণী প্ৰমুখ্য কৰি মহিষী সমস্ত ।।২০৬
দিব্য বস্ত্র অলঙ্কাৰে মণ্ডিত সকলে ।
ৰত্নে বিৰচিত মুকুতাৰ মালা গলে ।।
মুকুট কুণ্ডল জেঠি মুঠি হেমহাৰ ।
পিন্ধিয়া আছন্ত বহু বিধ অলঙ্কাৰ ।।২০৭

শিখত সিন্দূৰ দিব্য নয়নে কজ্জল।
কুঙ্কুমে ৰঞ্জিত জ্বলে বদন মণ্ডল ॥
পৰম সুন্দৰী ত্ৰিভুবনে অনুপমা।
ওচৰো নপাৰে ৰতি ৰম্ভা তিলোত্তমা ॥২০৮
দিশ পাশ প্ৰকাশি শৰীৰ আতি জ্বলে।
দৰশনে মুনি সমস্তৰো মন টলে ॥
সুবৰ্ণৰ চতুৰ্দ্দোলে চড়িয়া সমস্ত।
পৰম কৌতুকে চলি যান্ত ইন্দ্ৰপ্ৰস্থ ॥২০৯
প্ৰকাশন্ত নাৰীগণ কৃষ্ণৰ লগত।
যেন তাৰাগণ চন্দ্ৰ সমে আকাশত ॥
সহস্ৰ সংখ্যাত দাসী সমান বয়সী।
সমস্তে পদ্মিনী আতি পৰম ৰূপসী ॥২২০
বস্ত্ৰে অলঙ্কাৰে আতিশয় লয়লাসে।
মহিষীক আৱৰিয়া চলয় চৌপাশে ॥
অসংখ্যাত বেশ্যা কাছি পাৰি মহা ৰঙ্গে।
চলয় আনন্দে কৃষ্ণ সঙ্গে অঙ্গে ভঙ্গে ॥২১১
সিদ্ধ মুনিগণ মন মোহে কটাক্ষত।
যাই লাসবেশ কৰি চৰি বিমানত ॥
কতো ৰথে কতো গজে কতো ঘটকত।
মহিষ মেথন উট কতো গৰ্দ্দভত ॥২১২
কতো শকটত কতো হস্তিনীৰ কন্ধে।
দোলত চড়িয়া কতো চলয় প্ৰবন্ধে ॥
ঘোটকত হন্তে গৰ্দ্দভীত হোৱে জাত।
অশ্বতৰী বুলি কতো চড়িয়া তাহাত ॥২১৩
নানা বিধ যানে চলে নানা বিধ ভাৱে।
পদাতি কটক মানে চলে- ভূমি পাৱে ॥

অসংখ্য সম্ভাৰচয় চলে বলধিত।
গাধ উট শকটত কতো গৰ্দ্দভীত ॥২১৪
সাঙ্গি বান্ধি নেই কতো অনেক সম্ভৃত।
উপস্কৰ বস্তু যাৰ যেন মনোনীত॥
যথাত বহন্ত হোৱে তথাতে নগৰ।
শাৰি কৰি টনে নানা বিধ পাড়ে ঘৰ ॥২১৫
পাতৈ হাট বাজাৰ দোকান অসংখ্যাত।
যাৰ যেন লাগৈ কিনা বিকা কৰে তাত॥
নানা বিধ ৰসে ৰঙ্গ ঢঙ্গ কৰে ছনী।
পৰম আনন্দে সবে বঞ্চন্ত ৰজনী ॥২১৬
এহিমতে যান্তে নাৰদক যদুপতি।
অচিচয়া দিলন্ত চলিবাক অনুমতি॥
কৃষ্ণৰ সন্মান আজ্ঞা পাইয়া দেৱ ঋষি।
মাধৱক প্ৰণামিয়া চলিল হৰিষি ॥২১৭
কৃষ্ণৰ মধুৰ মূৰ্ত্তি ধৰি হৃদয়ত।
দেখি শুনি মাধৱৰ ব্যৱসিত যত॥
কৃষ্ণ দৰশনে আনন্দৰ নাহি সীমা।
আকাশে চলিলা দেখি কৃষ্ণৰ মহিমা ॥২১৮
পাছে ৰাজ দূতক ঈশ্বৰ ভগৱন্ত।
প্ৰবোধিয়া প্ৰিয় বাক্যে ভৰসা দিলন্ত॥
নকৰিবি ভয় দূত ভদ্ৰ হৌক তোৰ।
মাগধক বধি দুঃখ খণ্ডিবো দুৰ্ঘোৰ ॥২১৯
হেন শুনি দূতে কৰি কৃষ্ণক বন্দন।
পৰম সন্তোষ মনে কৰিল গমন॥
দিন কতিপয়ে পাইলা ৰাজাগণ পাশ।
সবাতো কহিলা যত কৃষ্ণৰ আশ্বাস ॥২২০

হৈবোহোঁ মুকুত দেখিবোহোঁ কৃষ্ণ মুখ ।
অপেক্ষি আনন্দে সহি থাকিলন্ত দুঃখ ॥
ৰাজদূত নাৰদক পঠাই হৃষীকেশ ।
আনৰ্ত্ত সৌবীৰ ছড়াইলন্ত কতো দেশ ॥২২১
মৰু থান কুৰুক্ষেত্ৰ এড়াই পাছে হৰি ।
গৈলা বহু দুৰ্গ পথ গিৰি নদী তৰি ॥
অনেক সহস্ৰ গ্ৰাম নগৰ ছড়াইল ।
দৃষদ্বতী তৰী সৰস্বতীক এড়াইল ॥২২২
পাঞ্চাল এড়াইয়া বিৰাটক ছড়াইলন্ত ।
পাছে গৈয়া ইন্দ্ৰপ্ৰস্থ সমীপ পাইলন্ত ॥
জগতৰে আত্মা কৃষ্ণ আসন্তে পন্থত ।
দেখে আসি মানে নৰ নাৰীগণ যত ॥২২৩
তেখনে সবাৰো ছিড়ে কৰ্ম্ম অহঙ্কাৰ ।
মিলে মোক্ষ সুখ আনন্দৰ নাহি পাৰ ॥
নয়নৰ পথে আনি কৰি অভ্যন্তৰ ।
মনে মাধৱক অৰ্চ্চা কৰে নিৰন্তৰ ॥২২৪
স্বপ্নতো নেদেখে যাক মহাপাপী জন ।
মনুষ্যৰ পৰম দুৰ্ল্লভ দৰিশন ॥
হেন কৃষ্ণ আসিবাৰ শুনি যুধিষ্ঠিৰ ।
আগ বাঢ়ি তেখনে আসিলা মহাবীৰ ॥২২৫
সুহৃদ সোদৰ সব পুৰোহিত যত ।
ৰাজাক আবৰি ৰঙ্গে আছিল সমস্ত ॥
গাৱে গীত গায়নে বায়নে বাদ্য বাৱে ।
ব্ৰাহ্মণ সকলে বেদ পঢ়ে বহু ভাৱে ॥২২৬
অৰ্চ্চিলন্ত ৰাজা মহা সাদৰে কৃষ্ণক ।
ইন্দ্ৰিয় সকলে যেন সাদৰে প্ৰাণক ॥

দেখিয়া কৃষ্ণক মহা আনন্দ মিলিল।
স্নেহে আতি নৃপতিৰ হৃদয় দ্ৰবিল ॥২২৭
চিৰকালে দেখি প্ৰিয়তম মাধৱক।
হৰিষ বেগত ভৈল সৰ্ব্বাঙ্গে পুলক ॥
প্ৰেম ভাৱে দুইও নয়নৰ বহে নীৰ।
বাহুমেলি কৃষ্ণক ধৰিলা যুধিষ্ঠিৰ ॥২২৮
মক মকি কান্দন্ত মিলিল মহা ভাৱ।
লোতকে তিয়াইলা গোবিন্দৰ সৰ্ব্বগাৱ ॥
নৃপতিৰ দেখি হেন ভাৱ বিপৰীত।
কৃষ্ণো নপৰিলা ধৈৰ্য্য ধৰিবাক চিত্ত ॥২২৯
বুকে বান্ধি নৃপতিক ধৰিলন্ত চাপি।
ৰাখন্তো নেত্ৰৰ নীৰ পৰয় তথাপি ॥
পৰম আনন্দে দুইৰো পুলকিত তনু।
দুইকো দুই আতি আলিঙ্গিলা পুনু পুনু ॥২৩০
ব্ৰহ্মময় মূৰ্ত্তি যিটো লক্ষ্মীৰ আলয়।
দোষ গুণ ৰহিত নিৰ্ম্মল আতিশয় ॥
হেনয় কৃষ্ণক আলিঙ্গন্তে নৃপতিৰ।
গুচিল অশুভ ভৈল নিৰ্ম্মল শৰীৰ ॥২৩১
মোক্ষতো অধিক ৰাজা পাইলা আনন্দক।
নেত্ৰৰ নুগুচে সদা হৰিষ লোতক ॥
সম্ভ্ৰমত পাসৰিলা লোক ব্যৱহাৰ।
পাছে কৃষ্ণে কৰিলা ৰাজাক নমস্কাৰ ॥২৩২
ভাই বুলি ভীমে আসি সাবটি ধৰিল।
মিলিল আনন্দ নেত্ৰে লোতক ঝৰিল ॥
সখি সখি বুলি আতি আনন্দ হৃদয়।
ধৰিলন্ত কৃষ্ণক সাবটি ধনঞ্জয় ॥২৩৩

কৃষ্ণো ধৰিলন্ত হাসি ভীম অৰ্জ্জুনক ।
বাঢ়ি গৈলা প্ৰেম বহে আনন্দ লোতক ॥
সেহি সময়ত দুই মাদ্ৰীৰ কুমাৰ ।
পাৰে পৰি কৃষ্ণক কৰিলা নমস্কাৰ ॥২৩৪

প্ৰেমে দুইৰো লোতক পৰয় সৰসৰি ।
লোতকে তিয়াইলা মাধৱৰ দুয়ো ভৰি ॥
কতোক্ষণে কৃষ্ণে ভীম অৰ্জ্জুনক এৰি ।
মাদ্ৰী সুত দুইকো আশ্বাসিলা হাতে ধৰি ॥২৩৫

ব্ৰাহ্মণসবক কৃষ্ণে নমস্কাৰ কৰি ।
গুৰু বৃদ্ধ জনক নমিলা পাছে হৰি ॥
কৈকেয় সৃঞ্জয় কুৰুগণ যত আছে ।
যথাযোগ্য যাক যেন সাদৰিলা পাছে ॥২৩৬

কাকো প্ৰিয় বাক্যে কাকো প্ৰেম নিৰীক্ষণে ।
কৰিলা আশ্বাস সমস্তকে নাৰায়ণে ॥
কৃষ্ণৰ সন্মানে কৃষ্ণ মূৰ্ত্তি দৰশনে ।
গুচিল কল্মষ প্ৰেম উপজিল মনে ॥২৩৭

এহেন্তে ঈশ্বৰ হেন বোধ ভৈল যাত ।
আনন্দ সাগৰে সবে মজিল সাক্ষাত ॥
চতুৰ্ভিতি কৃষ্ণক নয়ন ভৰি চাৰে ।
ব্ৰাহ্মণ সকলে তুতি কৰে বহু ভাৱে ॥২৩৮

কৰে নৃত্য নর্ত্তকী গায়নে গীত গাৱে ।
পৰম উৎসৱে পঞ্চ শৱদ বজাৱে ।।
এহিমতে সাদৰন্তে সুহৃদ বান্ধৱে ।
পুণ্য শ্লোক শিখামণি ঈশ্বৰ মাধৱে ।।২৩৯
বেঢ়ি যাই লোকে তুতি ভকতি কৰন্তে ।
সালঙ্কৃত পুৰ প্ৰবেশিলা ভগৱন্তে ।।
শুনা নিৰন্তৰে পাপ কৰি উপশাম ।
হৃদয়ে কৃষ্ণক ধৰি বোলা ৰাম ৰাম ।।২৪০

---

## ছুলড়ি

পুৰী পাণ্ডৱৰ মহা মনোহৰ
যেন দুতী অম্ৰাৱতী ।
আৰো মাধৱৰ শৰীৰৰ কান্তি
অধিকে জ্বলে সম্প্ৰতি ।।
হস্তী মদ গন্ধ জলে নিৰন্তৰে
ৰাজপন্থ আছে তিন্তি ।
চিত্ৰ ধ্বজ দণ্ড পতাকা তোৰণ
চিৰলে কৰে দীপিতি ।।২৪১
ৰত্নময় স্থলী চৌপন্থা পদূলি
সাঞ্জি মাঞ্জি ৰঞ্জে আতি ।
ধান্যৰ উপৰে সপল্লৱ পূর্ণ
ঘট আছে পাতি পাতি ।।

অভিনৱ দিব্য বস্ত্ৰ বিভূষণ
পিন্ধি যত নৰ নাৰী ।
সুগন্ধ কুসুম চন্দনে ভূষিত
প্ৰকাশয় শাৰি শাৰি ॥২৪২

স্বৰ্ণ গছাত জ্বলে দুই শাৰি
অনেক প্ৰদীপ পান্তি ।
অসংখ্য সহস্ৰ মন্দিৰে কৰয়
চন্দ্ৰ সূৰ্য্য যেন কান্তি ॥
ৰজতৰ থালে স্বৰ্ণৰ ঘট
নিখিল গৃহ উপৰে ।
জ্বলে অতিশয় বজ্ৰ দ্বাৰচয়
শাৰি শাৰি জ্যোতি কৰে ॥২৪৩

কুন্দৰাক্ষ্য জালে বজাই ধূপ ধূম্ৰ
পন্থক আমোদ কৰে ।
হেন ৰুচিকৰ পুৰী পাণ্ডৱৰ
দেখিলন্ত দামোদৰে ॥
আছোক যুৱতী পুৰুষ জনৰো
নয়নৰ পান পাত্ৰ ।
হেন দামোদৰ পাইলন্ত নগৰ
শুনি নাৰীগণে মাত্ৰ ॥২৪৪

তেতিক্ষণে নৰ	দিলেক লৰৰ
	মিলিল উৎসুক মনে।
গৃহকৰ্ম্ম যত	পতিক পৰ্য্যঙ্কে
	তেজিল যুৱতী জনে ॥
বসন বলয়	খসে খোপাচয়
	নাহি তাতো সাৱধান।
ৰাজপন্থে চলি	আসন্তে কৃষ্ণক
	দেখে গৈয়া বিদ্যমান ॥২৪৫

হস্তী ঘোঁৰা ৰথে	পদাতি সমস্তে
	নিৰোধিয়া যাই পথ।
কৃষ্ণক দেখিতে	লাগি নৰ নাৰী
	চৰে গৃহ উপৰত ॥
কৃষ্ণৰ মধুৰ	মূৰ্ত্তিক দেখিয়া
	যত লোক নিৰন্তৰে।
হোৱে বিমোহিত	কামে জৰ্জ্জৰিত
	চিত্তক আকুল কৰে ॥২৪৬

নয়ন ভ্ৰমৰে	আতি পান কৰে
	কৃষ্ণ মুখ পদ্ম মধু।
পীড়ে কাম জ্বৰে	চলি নিৰন্তৰে
	পৰে পুৰজন বধু ॥
কতোক্ষণে স্বস্থ	হোৱে নাৰী বস্ত
	মনৰ গুচে আকুল।
ভাৰ্য্যাগণ সমে	কৃষ্ণৰ শিৰন্ত
	বৰিষে সুগন্ধ ফুল ॥২৪৭

নয়নৰ পথে মাধৱক নিয়া
হৃদয়ত কৰে ধ্যান।
প্ৰেম নিৰীক্ষণে কুশল পুছই
মনতে কৰি সম্মান ॥
অন্যো অন্যে বোলে ইটো নাৰীগণে
কিনো আছে তপসাই।
দেৱ শিৰোমণি যিটো নাৰায়ণ
তাঙ্কে আছে পতি পাই ॥২৪৮

চন্দ্ৰে সমে যেন নক্ষত্ৰ সকল
ফুৰাই দিশ প্ৰকাশি।
আহাৰা সৱৰ চক্ষুৰ উৎসৱ
বঢ়াৱন্ত হৰি হাসি ॥
সদয় নয়নে লীলাবলোকনে
কৰান্ত আতি তৃপিতি।
হেনয় আনন্দ সাগৰত মজি
থাকে সবে প্ৰতিনিতি ॥২৪৯

এহিমতে নাৰী সকলে কৃষ্ণৰ
কৰয় গুণ কীৰ্ত্তন।
অমৃত সমান হাস্য দৃষ্টি চাই
মাধৱে পূৰন্ত মন ॥
ব্ৰাহ্মণ প্ৰমুখ্য কৰি নগৰত
বঞ্চে লোক যতমান।
যৈতে যিবা পাৰে তৈতে মাধৱক
কৰে আসি বহুমান ॥২৫০

কৃষ্ণ দৰশনে শুদ্ধ হোৱে আতি
প্ৰেমত লোতক ঝৰে ।
অনেক মঙ্গল উপায়ণে আসি
কৃষ্ণ পাৱে পূজা কৰে ॥
নিৰেখি নয়নে হাসি নাৰায়ণে
সিঞ্চন্ত যেন অমৃত ।
সমস্তে লোকৰ দেৱ দামোদৰ
সন্তোষিয়া যান্ত চিত্ত ॥২৫১

---

# ছবি

এহিমতে নিৰন্তৰে কৰন্তে সৎকাৰ পাছে
পাইলা গৈয়া ৰাজাৰ মন্দিৰ ।
অন্তঃপুৰ মাজে মহা মিলি গৈল মহোৎসব
সিটো যুধিষ্ঠিৰ নৃপতিৰ ॥
সাক্ষাতে কৃষ্ণক দেখি নয়নে নিৰেখি আসি
অৰ্চ্চা কৰিলন্ত নিৰন্তৰ ।
মিলিল সপ্ৰেম মনে পীৰিতি প্ৰফুল্ল মুখ
আনন্দতে সমস্তে লোকৰ ॥২৫২
যিটো ত্ৰিজগত পতি ঈশ্বৰ দেৱতা কৃষ্ণ
তান্ক দেখি কুন্তী মহাসতী ।
স্বৰ্ণ খাটৰপৰা তেখনে উঠিয়া আসি
ভৈলা অতি আনন্দিত মতি ॥

ভ্ৰাতৃৰ তনয় বুলি সাবটি ধৰিলা সতী
দ্ৰৌপদী সহিতে ৰঙ্গে আসি।
গলে চাপি মহা স্নেহে শিৰ ঘ্ৰাণিলন্ত মুখে
চুম্বন দিলন্ত মুখে হাসি ॥২৫৩

হৰিষ লোতক সবে শৰীৰক তিয়াইলন্ত
প্ৰেমৰস উপজিল আতি।
অনন্তৰে নাৰায়ণে কৰিলন্ত নমস্কাৰ
পেসী বুলি সাদৰিলা মাতি ॥
দ্ৰৌপদী সুভদ্ৰা দুই কৃষ্ণৰ চৰণ ছুই
কৰিলন্ত শিৰে নমস্কাৰ।
অমৃত সমান প্ৰিয় মধুৰ বচনে হৰি
কৰিলন্ত দুইকো সতকাৰ ॥২৫৪

যিটো দেৱতাৰো দেৱ ত্ৰিজগতে কৰে সেৱ
তাঙ্ক গৃহে আনিয়া নৃপতি।
পূজাৰ নিয়ম যত পাসৰিলা সম্ভ্ৰমত
প্ৰেমত মোহিত ভৈল মতি ॥
ভ্ৰাতৃগণ সমন্বিতি সাদৰিলা মহামতি
আনন্দৰ নাহি আৰ পাৰ।
মহেশ্বৰ মাধৱক সুহৃদ লভিয়া মনে
মহোৎসৱ মিলিল ৰাজাৰ ॥২৫৫

---

## ডুলড়ী

হাত মেলি যেন পাইলন্ত স্বৰ্গক
কৌতুকে যেন নাচন্ত ।
বোলন্ত আহ্মাৰ সমান জানিলোঁ
নাহি মহা ভাগ্যৱন্ত ।।
যিহেতু জগত ঈশ্বৰ সভাৰ্য্যে
গৃহক মোৰ আসিলা ।
এতিক্ষণে মহা মোক্ষতো অধিক
প্ৰসাদ আহ্মাক দিলা ।।২৫৬
এহিবুলি ৰাজা কৃষ্ণৰ চৰণ
পখালিলা প্ৰীতি ভাৱে ।
পাদোদক জলে পৰম হৰিষে
স্নানিলন্ত সবান্ধৱে ।।
সুৰভি কসুম ধূপ দীপ গন্ধ
চন্দন নৈবেদ্য আনি ।
দিব্য বস্ত্ৰ দিয়া ৰত্ন অলঙ্কাৰে
পূজিলন্ত মহামানী ।।২৫৭
পাছে দ্ৰৌপদীক কুন্তী বুলিলন্ত
পুত্ৰবধু শুনিয়োক ।
ৰুক্মিণী প্ৰমুখ্যে মহিষীক মাৱ
যথাযোগ্যে অৰ্চিচয়োক ।।
শাশুৰ বচন শুনিয়া দ্ৰৌপদী
সহৰিষে তাৱ ক্ষণে ।
ৰুক্মিণী প্ৰমুখ্যে কৰিয়া সবাকো
অৰ্চিচলন্ত ৰঙ্গমনে ।।২৫৮

সানুক্ৰমে সতী জানু শিৰে আতি
নমস্কাৰ কৰিলন্ত ।
যাক যেন যোগ্য বস্ত্ৰ অলঙ্কাৰে
সমস্তকে মণ্ডিলন্ত ।।

আনো আনো যত আসিল লগত
সবাৰো মন তুষিল ।
ভাৰ্য্যাগণ সমে কৃষ্ণক নৃপতি
দিব্য গৃহে বাসা দিল ।।২৫৯

প্ৰতিদিনে ৰাজা নৱ নৱ দ্ৰব্য
মাধৱক অৰ্চিচলন্ত ।
গৃহত অধিক সুখে সাৱকাশে
নাৰায়ণে বঞ্চিলন্ত ।।

কুমৰ সৱক বহু বিধ ভাৱে
যথাযোগ্য সাদৰিলা ।
মহা স্নেহে ৰাজা আপোনাৰ নিজ
অন্তঃপুৰে বাসা দিলা ।।২৬০

অমাত্য সকল আনো আছে যত
সেনাগণ মাধৱৰ ।
অনুৰূপে ৰাজা দিলন্ত সাদৰি
সবাহাঙ্কে বাসা ঘৰ ।।
বস্ত্ৰে অলঙ্কাৰে ভোজন সম্ভাৰে
সবাৰো তুষিল মন ।
কৃষ্ণ অনুগ্ৰহ সুমৰি ৰাজাৰ
বাঢ়ে প্ৰেম অনুক্ষণ ।।২৬১

যৈথানি পূৰ্ব্বত অৰ্জ্জুনে সহিতে
ঈশ্বৰ এন্তে মাধৱ ।
খাণ্ডৱ বহ্নিক তৰ্পন্তে ৰাখিয়া
আনিলা ময় দানৱ ॥
তাহাৰ হাতত পাণ্ডৱ ৰাজাক
দিব্য সভা সজাই দিল ।
সিসব কৃষ্ণৰ কৃপাক নৃপতি
অনুক্ষণে সুমৰিল ॥২৬২
প্ৰতিদিনে ৰাজা কৃষ্ণক প্ৰৱেশ
কৰান্ত সভা মধ্যত ।
কৃষ্ণক দেখিয়া মনত মানন্ত
সিদ্ধি ভৈল মনোৰথ ॥
পাছে নাৰায়ণে চড়িয়া ৰথত
অৰ্জ্জুন সহিতে দুই ।
অনেক বিহাৰ কৰন্ত সানন্দে
কটকে আবৃত হুই ॥২৬৩
পাণ্ডৱ ৰাজাৰ প্ৰিয় কাৰ্য্যমানে
সাধিবাক বাঞ্ছা কৰি ।
ভাৰ্য্যা পুত্ৰ সমে কতিপয় মাস
বঞ্চিলন্ত দেৱ হৰি ॥
শুনা সভাসদ ভাগৱত পদ
ইসে ধৰ্ম্ম অনুপাম ।
দুঃখ দূৰ হোক পাতক ছাড়োক
ডাকি বোলা ৰাম ৰাম ॥২৬৪

---

## পদ

শুক নিগদতি শুনা ৰাজা মহাধীৰ।
এক দিনা সভাত আনন্দে যুধিষ্ঠিৰ ॥
বসিয়া আছন্ত মুনিগণ সমন্বিতে।
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য আছন্ত তহিতে ॥২৬৫
ভ্ৰাতৃগণ আছে আৰো বৃদ্ধ জ্ঞাতি যত।
সম্বন্ধী বান্ধৱ আনো আছে সমজ্যাত ॥
সবাৰো মধ্যত ৰত্নময় সিংহাসনে।
মহা পাৰিছেদে আছা বসি নাৰায়ণে ॥২৬৬
দিক পাল মধ্যে যেন আছা পুৰন্দৰ।
গ্ৰহগণ মধ্যে যেন জ্বলে শশধৰ ॥
প্ৰসন্ন বদনে পূৰ্ণ চন্দ্ৰমাকো গঞ্জি।
আনন্দে আছন্ত সবে সমজ্যাক ৰঞ্জি ॥২৬৭
দেখিয়া নৃপতি উঠি সভাৰ মধ্যত।
কৃতাঞ্জলি হুইয়া আতি কৃষ্ণৰ আগত ॥
সমজ্যাত বসিয়া আছন্ত যত জন।
সবাকো শুনাইয়া হেন বুলিলা বচন ॥২৬৮
হে কৃষ্ণ কৃষ্ণ কৃপাময় নাৰায়ণ।
ভকত বৎসল মোত হুইও সুপ্ৰসন্ন ॥
তযু চৰণৰ কৃপালেশ যেবে পাওঁ।
তোক্ষাৰ চৰণ দুইক অৰ্চিচবাক চাওঁ ॥২৬৯
পৰম পৱিত্ৰ যজ্ঞ ৰাজসূয় কৰি।
তযু অংশ সবক পূজিতে চাহোঁ হৰি ॥
তোক্ষাৰ চৰণে পৰি কৰোহোঁ গোচৰ।
হুইয়োক সহায় মোৰ প্ৰভো দামোদৰ ॥২৭০

হেন বা বুলিবা তুমি মোক মহাৰথ ।
চক্ৰবৰ্ত্তী সবাৰেসে ইটো মনোৰথ ।।
কতিপয় গ্ৰামৰ ঈশ্বৰ তুমি হুই ।
কিমতে কৰিবা ইটো যজ্ঞ ৰাজসূয় ।।২৭১
ইহাৰ উত্তৰ শুনিয়োক নাৰায়ণ ।
তোহ্মাৰ কৃপাত ইটো কোন প্ৰয়োজন ।।
যাক কৃপা কৰা তুমি আপনি চৰণে ।
হাততে মুকুতি পদ পাৱে সিটো জনে ।।২৭২
অভদ্ৰক নাশে হেন তোহ্মাৰ পাদুকে ।
অহৰ্নিশে সেবা যিটো কৰয় উৎসুকে ।।
বাক্যে বা কীৰ্ত্তন কৰে মনে বা সুমৰে ।
এতেকে সংসাৰ পাৰ পাৱে সিটো নৰে ।।২৭৩
যদি বাঞ্ছে পাৱে সিটো আনো মনোনীত ।
চক্ৰবৰ্ত্তী ৰাজা যাক নপাৱে দেখিতে ।।
পাদুকা সেৱাত যাৰ এতেক মহিমা ।
তোহ্মাৰ সেৱাৰ কোনে কহি পাৱে সীমা ।।২৭৪
তথাপি তোহ্মাৰ সেৱাৰ যেন ফল ।
সাক্ষাতে দেখোক লোকে ভকতিৰ বল ।।
দেৱৰো দেৱতা ভগৱন্ত মহেশ্বৰ ।
তয়ু পাদ পদ্মে সেৱা কৰে যিটো নৰ ।।২৭৫
তোহ্মাৰ ভক্তিক নকৰয় বহু মান ।
কৰি আছে যিটো মাত্ৰ কৰ্ম্মক প্ৰধান ।।
হেনয় যতেক কুৰু শৃঞ্জয় সকল ।
উভয় নিষ্টৰ প্ৰভু দেখাইয়োক ফল ।।২৭৬
হেন বা বুলিবা ৰাগ ৰহিত ঈশ্বৰ ।
সমস্তে ভূততে মঞি সম নিৰন্তৰ ।।

কেন মতে এতেক বিষয় হৈবো আমি ।
ইহাৰ উত্তৰ দেওঁ জগতৰ স্বামী ॥২৭৭
তুমি ব্ৰহ্ম সনাতন ঈশ্বৰ সাক্ষাত ।
পৰাপৰ ভেদ বুদ্ধি নাহিকে তোহ্মাত ॥
অন্তৰ্য্যামী ৰূপে কৰা জীৱক নিয়ম ।
এতেকেসে আত্মা তুমি জগততে সম ॥২৭৮
নিজানন্দ অনুভব সুখৰ সাগৰ ।
ৰাগ দ্বেষ দম্ভ ভাৱ ৰহিত ঈশ্বৰ ॥
তথাপি তোহ্মাক সেৱে যিটো মহাজন ।
সেৱা অনুৰূপে ফল পাৱে নাৰায়ণ ॥২৭৯
ইহাত অন্যথা ভাৱ নাহি কদাচিত ।
যেন যিটো চাপে কল্পতৰু সন্নিহিত ॥
সেৱা কৰিলেসে নৰে ফল পাৱে পাছে ।
নুখুজিলে কদাচিতো কৈত পাইয়া আছে ॥২৮০
ইহাত বিষম কিছু নাহিকে বৃক্ষৰ ।
তোহ্মাৰো জানিবা হৰি সেহি পটন্তৰ ॥
সেৱা কৰি তোহ্মাত বাঞ্ছিত ফল পাৱে ।
তোহ্মাক বিষম বোলে কোন মূঢ় ভাৱে ॥২৮১
হেন জানি কৰা হৰি কৰুণা আহ্মাক ।
যেনমতে যজ্ঞে মই যজিবো তোহ্মাক ॥
এতেকে বোলন্তে ৰাজা কৃষ্ণৰ আগতে ।
উপজিলে প্ৰেম পৰিলন্ত দণ্ডৱতে ॥২৮২
হেন দেখি হৰি আশ্বাসিলা তাঙ্ক ধৰি ।
মধুৰ বচনে মাতিলন্ত পাছে হৰি ॥
নাৰায়ণ বদতি শুনিয়ো মহাশয় ।
কৰি আছা ধ্যান তুমি উত্তম নিশ্চয় ॥২৮৩

তোহ্মাৰ নিৰ্ম্মল কীৰ্ত্তি ব্যাপিব লোকত ।
দেৱ ঋষি পিতৃ সুহৃদৰো মনোগত ॥
সমস্তে ভূতৰে মহা মনৰ বাঞ্ছিত ।
ৰাজসূয় যজ্ঞ ৰাজে মোৰো আছে চিত্ত ॥২৮৪
হেন জানি আগে নৃপতি সকল ।
কৰিয়ো নিৰ্ব্বশ্য ইটো পৃথিৱী মণ্ডল ॥
যজ্ঞৰ সম্ভাৰ যত কৰি একস্থান ।
পাছে মহা যজ্ঞ ৰাজা কৰা বিদ্যমান ॥২৮৫
বুলিবা নৃপতিগণ জিনিবোঁ কিমতে ।
নকৰিবা শঙ্কা একো ৰাজাক জিনন্তে ॥
তয়ু ভ্ৰাতৃগণ দিকপাল অংশে জাত ।
অকলে জিনিতে পাৰে জগৎ সাক্ষাত । ২৮৬
ভীমসেন অৰ্জ্জুন নকুল সহদেৱ ।
তাসম্বাক সম জগততে নাহিকেৱ ॥
আৰো তুমি কৰি বশ্য ইন্দ্ৰিয় সকলে ।
মোকো জিনি আছা মহা ভকতিৰ বলে ॥২৮৭
হেন তুমি পাৰে কোনে তোমাক জিনিত ।
নকৰিবা মনে ৰাজা সংশয় কিঞ্চিত ॥
নিষ্কিঞ্চন জানো ভৈল মোত পৰ ।
তাক পীড়িবাক নাহি শকতি লোকৰ ॥২৮৮
শ্ৰী যশ তেজে যদি ভৈল সমন্বিত ।
তথাপি শকতি নাহি ভক্তক পীড়িতি ॥
দেৱো আতি ডৰিবাক নপাৰয় যাক ।
পৃথিৱীৰ ৰাজা কিবা কৰিবেক তাক ॥২৮৯
শুক নিগদতি ৰাজা শুনা পৰীক্ষিত ।
কৃষ্ণৰ শুনিয়া ৰাজা বচন অমৃত ॥

প্ৰীতি প্ৰফুল্লিত মুখপদ্ম ভৈল আতি ।
পাছে ভ্ৰাতৃ সকলক বুলিলন্ত মাতি ॥২৯০
শুনা ভীম অৰ্জ্জুন নকুল সহদেৱ ।
তুমিসব বিনে মোৰ বন্ধু নাহি কেৱ ॥
প্ৰাণতো অধিক মোৰ সোদৰ পৰম ।
নাহিকে সুহৃদ হিত তুমিসব সম ॥২৯১
কৰো ৰাজসূয় মাধৱৰ অনুমতি ।
চলিয়োক সবে দিগ বিজয়ক প্ৰতি ॥
লক্ষেক নৃপতি জিনি এক থান কৰা ।
বাঞ্ছা পয়োনিধি হন্তে আমাক উদ্ধাৰা ॥২৯২
শুনা সহদেৱ তুমি চলা দক্ষিণক ।
লৈয়োক সহায় লগে শৃঞ্জয় সৱক ॥
আপুনি পণ্ডিত যুজিবাহা সাৱধানে ।
জিনি আনা তুমি দক্ষিণৰ ৰাজা মানে ॥২৯৩
চলিয়ো নকুল তুমি পশ্চিমক প্ৰতি ।
লৈয়োক লগত মৎস্যগণ মহামতি ॥
জিনি আনা তুমি পশ্চিমৰ ৰাজ্য যত ।
চিত্ত লক্ষি সাৱধানে যুজিবা ৰণত ॥২৯৪
উত্তৰ দিশক চলিয়োক ধনঞ্জয় ।
কৈকেয় সৱক লগে লৈয়োক সহায় ॥
আপুনি সৰ্ব্বজ্ঞ উপদেশ দিবো কিক ।
জিনি আনা যত উত্তৰৰ নৃপতিক ॥২৯৫
চলিয়ো পূবক মহাবীৰ বৃকোদৰ ।
লগত লৈয়োক যদুগণ নিৰন্তৰ ॥
মহা বলৱন্ত কত কহিব মহত ।
জিনি আনা পূবৰ নৃপতিগণ যত ॥২৯৬

নকৰা বিলম্ব এতিক্ষণে চলিয়োক ।
লক্ষেক নৃপতি জিনি আনি দিয়ো মোক ॥
নিৰন্তৰে কৰ ভাৰ লৈয়া যথোচিত ।
লগতে আনিবা যত যজ্ঞৰ সম্ভৃত ॥২৯৭
ৰাজাৰ আদেশ পাই চাৰিয়ো সোদৰ ।
ভৈল বল বৃদ্ধি আৰো তেজে মাধৱৰ ॥
পৰম প্ৰাৰম্ভে সবে চলি গৈল সাজি ।
অসংখ্যাত সেনা সঙ্গে ৰথ গজ বাজী ॥২৯৮
যাক যি দিশক পাঞ্চিলন্ত যুধিষ্ঠিৰ ।
সেহি সেহি দিশে চলি গৈলা চাৰি বীৰ ॥
সুবোধ সুথিৰ ধীৰ গহীন গম্ভীৰ ।
ৰণত পণ্ডিত সৱে নিষ্কম্প শৰীৰ ॥২৯৯
আৰো মাধৱৰ চৰণত সেৱা বল ।
ইঙ্গিতে জিনিলা সৱে পৃথিৱী মণ্ডল ॥
চাৰিয়ো দিশৰ নৃপতিক ৰণে জিনি ।
অজাত শাল্বক আনি দিলা ভিন্নি ভিন্নি ॥৩০০
সুবৰ্ণ ৰজত ৰত্ন অসংখ্য প্ৰমাণ ।
চামৰ কমল গান্ধ দিলা বিদ্যমান ॥
দেখিয়া ৰাজাৰ মহা আনন্দ মিলিলা ।
চাৰি সোদৰক আতি প্ৰশংসা কৰিলা ॥৩০১
নিশেষে জিনিলা চাৰি বীৰে চাৰি দিশ ।
হেন মনে মানি ৰাজা কৰন্ত হৰিষ ॥
তাসম্বাৰ মুখে কথা শুনিলন্ত পাছে ।
পৰম দুৰ্জ্জয় জৰাসন্ধ ৰহি আছে ॥৩০২
মিলিল মনত অসন্তোষ বিপৰীত ।
পাপিষ্ঠক জিনন্তা নাহিকে পৃথিৱীত ॥

কিমতে কৰিবো আবে যজ্ঞ ৰাজসূয় ।
মনত গুণন্ত ৰাজা অধো মুখ হুই ॥৩০৩
দেখিয়া মাধৱে আশ্বাসিলা নৃপতিক ।
জৰাসন্ধ বধিতে সংশয় কৰা কিক ॥
মই যাৰ সহায় আছোক জৰাসন্ধ ।
ব্ৰহ্মা আদি দিনকৰ কৰিয়া প্ৰবন্ধ ॥৩০৪
জানিয়া নৃপতি ঘোৰ চিন্তা তেজিয়োক ।
ভীম অৰ্জ্জুনক মোৰ লগত দিয়োক ॥
তিনিবীৰে জৰাসন্ধ ৰাজাক বধিয়া ।
দিবো কৰ ভাৰ তুমি অনুমতি দিয়া ॥৩০৫
শুনিয়া ৰাজাৰ মহা হৰিষ মিলিল ।
কৃষ্ণৰ লগত দুয়ো বীৰক পাঞ্চিল ॥
কৃষ্ণক বোলন্ত প্ৰভু চিন্তিয়ো উপায় ।
যেনমতে জৰাসন্ধ ৰাজা বদ্ধ যায় ॥৩০৬
পাছে কৃষ্ণে উদ্ধৱৰ বচন সুমৰি ।
ভীম অৰ্জ্জুনক লগে লৈয়া দেৱহৰি ॥
জৰাসন্ধ বধিবাক মনে হৃষিকেশ ।
চলিলা তিনিয়ো ব্ৰাহ্মণৰ ধৰি বেশ ॥৩০৭
গিৰি ব্ৰজ পতি একে ৰথে গৈলা চলি ।
যৈত আছে বৃহদ্ৰথসুত মহাবলী ॥
বিদুৰতে থৈয়া ৰথ আদিত্য বেলাত ।
ভৈলা তিনি বীৰ ৰাজ গৃহত সাক্ষাত ॥৩০৮
দ্বাৰে নপশিয়া আতি কৰি মহালীলা ।
বাহুৰ আচাৰে ভীমে গৰক ভাঙ্গিলা ॥
সেহি পথে গৈয়া অন্তস পুৰত পশিলা ।
ৰসি আছে জৰাসন্ধ সাক্ষাতে দেখিলা ॥৩০৯

ব্ৰাহ্মণৰ স্থানে তিনি বীৰ শিৰোমণি ।
উচ্চস্বৰে আতি কৰিলন্ত বেদধ্বনি ॥
আশীৰ্ব্বাদ কৰন্ত আগত হুয়া থিয় ।
কপটে বোলন্ত ৰাজা হুয়ো চিৰজীয় ॥৩১০
শ্ৰী যশ কীৰ্ত্তি হৌক ধৰ্ম্মৰ উদয় ।
তিনিয়ো ব্ৰাহ্মণ আমি জানা মহাশয় ॥
বিদুৰৰে পৰা শুনি তযু মহাগুণ ।
প্ৰাৰ্থিবে আসিলো আমি তিনিয়ো ব্ৰাহ্মণ ॥৩১১
গৃহস্থ সবৰ অথিতিসে মহাগুৰু ।
আৰো প্ৰাৰ্থকৰ তুমি যেন কল্পতৰু ॥
আশীৰ্ব্বাদ কৰো হৌক তোহাৰ কল্যাণ ।
ভিক্ষুক জানিয়া মহাৰাজা দিয়ো দান ॥৩১২
বুলিবা ব্ৰাহ্মণসব খোজা নাম ধৰি ।
যে দিবে যোগ্য নোহে দিবো কেন কৰি ॥
পুত্ৰাদি বিয়োগ যাৰ পৰম দুষমহ ।
কিমতে দিবেক যাত আতি বৰ গ্ৰহ ॥৩১৩
ইহাৰ উত্তৰ শুনিয়োক নৃপবৰ ।
নাহিকে অকাৰ্য্য যেন অসাধু লোকৰ ॥
সেহিমতে দাতাৰো নেদিবো হেন চিত ।
পুত্ৰ দেহ আদি কৰি নাহি কদাচিত ॥৩১৪
দাতা সকলৰ চিত্ত পৰম উদাৰ ।
দেখে মায়াময় ইটো যতেক সংসাৰ ॥
আছে আনবস্তু দান কৰে কলেৱৰ ।
নাহি আত্মা পৰ সমদৰশি লোকৰ ॥৩১৫
অনিত্য দেখিয়া পাৰ্থকক সাধু নৰে ।
মৃত্তিকা সদৃশ নিজ প্ৰাণ দান কৰে ॥

H. E. SCHOOL LIBRARY

অসত্য শৰীৰ সত্য যশস্যাক পাৰে ।
তাহাৰ যশস্যা মহাজন সবে গাৱে ॥৩১৬
হেন জানি পৰম সামৰ্থ যিটো জন ॥
আপোনাৰ যশস্যা নকৰে সম্পাদন ॥
পৰম নিন্দিত সিটো অধম মনুষ্য ।
দেখিতে বৰ্জ্জিত লাগে পৰম অস্পৃশ্য ॥৩১৭
বুলিবাক হিত নতো ইটো কথা শুনি ।
কোনে কাক দিয়া আছে প্ৰাণক আপুনি ॥
ইহাৰ উত্তৰ কহো শুনা বিদ্যমান ।
আছিলন্ত হৰিশ্চন্দ্ৰ নৃপতি প্ৰধান ॥৩১৮
বিশ্বামিত্ৰ ঋষিক পৃথিৱী দান দিলা ।
দক্ষিণাৰ পদে পুত্ৰ ভাৰ্য্যাকো বিকিলা ॥
আপুনিয়ো চাণ্ডালত বিক্ৰয় গৈলন্ত ।
ঋণ সুজি ব্ৰাহ্মণৰ দক্ষিণা দিলন্ত ॥৩১৯
দেখা ৰাজা কেন বীৰ কীৰ্ত্তিৰ মহত ।
অযোধ্যাৰ যত লোক সহিতে পাছত ॥
অক্ষয় স্বৰ্গক গৈল আনন্দে নৃপতি ।
তাহান নিৰ্ম্মল যশ প্ৰচাৰ সম্প্ৰতি ॥৩২০
দানদিয়া ৰন্তিদেৱ কুতুম্বে সহিতি ।
চল্লিশ দিৱস উপবাসে মহামতি ॥
জল ফুতি মাত্ৰ কৰিবাক চান্ত পান ।
প্ৰাৰ্থক অতিথি পায়া তাকো দিলা দান ॥৩২১
পাছে ব্ৰহ্মলোক তেহো পাইলা সেহি ফলে ।
আজিও প্ৰচাৰ যশ পৃথিৱী মণ্ডলে ॥
উঞ্ছবৃত্তি ব্ৰাহ্মণে সুহোষ নাম তান ।
নাহি মহা সুখী আৰ তাহান সম্মান ॥৩২২

মহা উপবাসে আতি প্ৰাণ যাই ফুটি ।
সকুতুম্বে ভুঞ্জিবাক চান্ত গুণ্ডা গুটি ॥
তাকো অথিতিক দান দিয়া মহাযশী ।
সকুতুম্বে ব্ৰহ্মালোক পাইলা হৰিষি ॥৩২৩
শিৱি নামে এক মহাৰাজা আছিলন্ত ।
শেন হন্তে কপোতিক ৰক্ষা কৰিলন্ত ॥
আপোনাৰ মাংস কাটি শেনক দিলন্ত ।
সেহি ফলে অক্ষয় স্বৰ্গত বঞ্চিলন্ত ॥৩২৪
মহাযশী বলিৰায় প্ৰহলাদৰ নাতি ।
জগত ব্যাপিল যাৰ নিৰ্ম্মল সুখ্যাতি ॥
বিপ্ৰৰূপী বিষ্ণুক সৰ্ব্বস্ব দান দিল ।
নিজ গুণে মাধৱক অধীন কৰিল ॥৩২৫
কপোত কপোতী দুয়ো আছে এক ডালে ।
বৈল এক ব্যাধ আসি তৈত নিশাকালে ॥
দেখি উপবাসে আসি অতিথি ৰহিল ।
আম্মাক ভুঞ্জোক বুলি বহ্নিত পৰিল ॥৩২৬
আপুনাৰ মাংস কৰি অতিথিক দান ।
ভাৰ্য্যা সমে পাইল পক্ষী স্বৰ্গলোকে থান ॥
দেখি ব্যাধে পাছে কপোতীৰ মহাসত্য ।
ৰিপৰীত বিৰকতি মিলল মনত ॥৩২৭
মহা পুণ্য থানে দেহা দহি অগনিত ।
স্বৰ্গ পাইল পৰম নিৰ্ম্মল হুয়া চিত্ত ॥
এহি মতে আনো মহা অনেক মহন্ত ।
অনিত্য শৰীৰে নিত্য পদক পাইলন্ত ॥৩২৮

৫

জানিয়া নৃপতি দান দিয়োক আমাক ।
এহি বুলি ভৈলা পাচে তিনিয়ো অবাক ॥
শুনা ভাগৱত যত সমাজিক লোক ।
বোলা ৰাম ৰাম মহা পাতক গুচোক ॥৩২৯

---

## ছবি

শুক মুনি নিগদতি শুনিয়োক নৰপতি
পাছে জৰাসন্ধ নৃপবৰ ।
মনত আলোচে শুনি বাক্যৰ গম্ভীৰ ধ্বনি
আকৃতি দেখিয়া শৰীৰৰ ॥
সবাৰো দেখিল পাছে ধনু গুণ লাগি আছে
কৰ বান্ধি আছয় হাতত ।
নুহিকে ব্ৰাহ্মণ জাতি অধম ক্ষত্ৰিয় আতি
দেখি পাছে তিনিকো পুৰত ॥৩৩০

জানিলো সামৰ্থ নুয় যুদ্ধত নিৰ্ব্বল হুয়
তাতেসে ধৰিল বিপ্ৰবেশ ।
কপটত মিত্ৰ পাতি জীৱৰ নিমিত্তে আতি
ভিক্ষা মাগি ফুৰে দেশে দেশ ॥
তথাপিতো আমাসাক বিমুখ কৰিয়া আজি
অৱশ্যে কৰিবো বন্ধুমান ।
বোলো অঙ্গীকাৰ কৰি খোজে যেবে আৰা সৱে
দুস্ত্যজ প্ৰাণকো দিবো দান ॥৩৩১

শুনি আছো বলিৰায় অনেক নির্ম্মল কীর্ত্তি
দশো দিশ ব্যাপিল সকল।
কপট বামন হৰি ঐশ্বর্য্যত ভ্ৰষ্ট কৰি
যদ্যপি নিলন্ত ৰসাতল ॥
শ্ৰীবাঞ্চি বাসৱৰ যদি দেৱ দামোদৰ
ব্যাজে বিপ্ৰ হুয়া আসিলন্ত।
কপট বিষ্ণুক জানি শুক্ৰ ঋষি মহামানী
অনেক নিশেষ বুলিলন্ত ॥৩৩২

তথাপিতো কৰি মান বিষ্ণুক দিলন্ত দান
ত্ৰৈলোক্য সম্পত্তি দৈত্যৰাজ।
জানি আসন্বাক আজি অনিত্য প্ৰাণক দিয়া
সাধিবোহো আপোনাৰ কাজ ॥
ক্ষণিক শৰীৰে যিটো ক্ষত্ৰিয় অধম সবে
নসাধয় বিপ্ৰৰ প্ৰয়োজন।
আপোনাৰ আতি মহা যশ ৰাশি নসাঞ্চিলা
ধিক ধিক তাহাৰ জীৱন ॥৩৩৩

এহি মতে দঢ়াই আতি বুলিলা তিনিকো মাত্তি
শুনিয়োক ব্ৰাহ্মণ সকল।
যেহি লাগে খোজা তাক দিবো সত্যে বোলো বাক
নুহিবেক প্ৰাৰ্থনা বিফল ॥
শুনি পাছে নাৰায়ণে বুলিলন্ত ৰঙ্গ মনে
শুনা ৰাজা কহো বিদ্যমান।
বোলোহো নিশ্চয় বাণী সত্য ৰাখি মহামানী
দিয়োক দ্বৈৰথ যুদ্ধদান ॥৩৩৪

নুহিকো ব্ৰাহ্মণ জাতি তিনিয়ো ক্ষত্ৰিয় আতি
যুদ্ধ হেতু আসি আছো নিষ্ঠ ।
এন্ত বীৰ বৃকোদৰ এন্ত মহা ধনুৰ্দ্ধৰ
ধনঞ্জয় ভীমৰ কনিষ্ঠ ॥
দুহানো মাণ্ডল ভায় জান তঞিঃ মহাৰায়
কৃষ্ণ মঞিঃ তোৰে প্ৰাণ বৈৰী ।
শুনিয়া কৃষ্ণৰ বাণী জৰাসন্ধ মহামানী
হাসিলেক আতি উচচ কৰি ॥৩৩৫

ডাকি বোলে জৰাসন্ধ শুন অৰে মহামন্দ
যুদ্ধ আজি দিবো স্বৰূপত ।
কিন্তু ভয়াতুৰ তঞিঃ তোক নুযুজিবো মঞিঃ
হাৰি মোত আছস পূৰ্ব্বত ॥
ৰণত তৰাসে আতি আপুন মথুৰাপুৰী
তেজি তঞিঃ পৰম দুৰ্জ্জন ।
তোৰ কথা কৈবো কত হস্তুৱায়া লোকযত
সাগৰত পশিলি শৰণ ॥৩৩৬

অৰ্জ্জুন শৰীৰ ক্ষীণ যুদ্ধতো বলত হীন
বয়সো কনিষ্ঠ মোত কৰি ।
বুদ্ধি বল পৰাক্ৰমে যুদ্ধত কুশল শ্ৰমে
ভীমেসে কেৱলে মোক সৰি ॥
কৃষ্ণ ধনঞ্জয় দুই যুদ্ধৰ কিছোৱো নুই
ভীম তোৰ শুনি আছো নাৱঁ ।
পৰাক্ৰমে দেখ মোৰ কৰিয়া প্ৰহাৰ ঘোৰ
দৰ্পচূৰ কৰিয়া পথাৱঁ ॥৩৩৭

অস্ত্ৰ শস্ত্ৰ কিছো নাই আসি আছ শুদা গায়
খোজ মোত কিবা অস্ত্ৰ লাগে।
ইঙ্গিত জানিয়া আতি বাজৰ লোহাৰ ঘোৰ
গদা দুই দিল আনি আগে ॥
বোলে ভীমসেন তঞি গোটেক বাচিয়া লউ
আউৰ গোট লৈবো ময় পাছে।
ময় আগে লৈলে তোৰ খঙ্গাৰ কৰিবি বৰ
বুলিবি স্বদৃঢ় লৈয়া আছে ॥৩৩৮
এহি বুলি ভয়ঙ্কৰ ভীমক দিলেক গদা
আপুনিয়ো লৈলেক অপৰ।
কাছি পাৰি বীৰকাছে সৰে সমন্বিতে পাছে
বাহিৰ ভৈ গৈলন্ত নগৰ ॥
নমো নমো নাৰায়ণ দুঃখ শোক বিনাশন
চৰণ পঙ্কজযুগ যাৰ।
জগত নিস্তাৰ হেতু কপট মানুষ হৈয়া
দৈৱকীত ভৈলা অৱতাৰ ॥৩৩৯
কলিৰ লোকক প্ৰভু মহা অনুগ্ৰহ কৰি
নিজ গুণ কৰিলা প্ৰচাৰ।
যাক শুনি ভণি আতি মহা পাপী অন্ত্যজাতি
মহা সুখে নিস্তাৰে সংসাৰ ॥
পতিত পাৱন জানি তোমাত শৰণ লৈলো
মায়া মোৰ কৰা উপশাম।
অনুগ্ৰহ কৰা মোক সমজ্যাৰ যতলোক
ডাকি সবে বোলা ৰাম ৰাম ॥৩৪০

---

# পদ

শুক নিগদতি শুনিয়োক নৃপবৰ।
পাছে ৰণ ভূমিত মাগধ বৃকোদৰ ॥
দুইকো দুই অন্যো অন্যে কৰিয়া যুগুত।
কৰিলন্ত দুয়ো বীৰে যুদ্ধে অদভুত ॥৩৪১
চতুৰ্ভিতি বেঢ়ি নগৰৰ নৰনাৰী।
বিপৰীত ৰঙ্গ চাহি ৰৈল শাৰী শাৰী ॥
একপাশ হুয়া সুখে কৃষ্ণ ধনঞ্জয়।
যুদ্ধ চাহি ৰহিলন্ত দুয়ো মহাশয় ॥৩৪২
যুদ্ধৰ নিয়ম যত কহো অনুক্ৰমে।
গদাৰ সমৰ মহা মিলিল প্ৰথমে ॥
কৰে গদা ধৰি দুয়ো বীৰে ফুৰে পাক।
নিৰ্ঘাত সদৃশ দুয়ো বীৰে ছাৰৈ ডাক ॥৩৪৩
গদাৰ শ্ৰমত দুয়ো পৰম কুশল।
কৰন্ত বিচিত্ৰ আতি অনেক মণ্ডল।
কতো বেলা বামে কতো দক্ষিণে ফুৰন্ত।
চিদ্ৰ লক্ষি দুয়ো বীৰে প্ৰহাৰ কৰন্ত ॥৩৪৪
ফুৰন্তে দুই হাতো যুদ্ধে শোভে আতিশয়।
যেন ৰঙ্গ মাজে নট দুই প্ৰকাশয় ॥
ঘোৰ যুদ্ধ মাজে দুয়ো পৰম নিৰ্ভয়।
দুইয়ো দুইক ইঙ্গিতে কটাক্ষ নকৰয় ॥৩৪৫
বজ্ৰ সম গদা দুয়ো কৰয় প্ৰহাৰ।
জাত জাত অগ্নি বাজ হোৱে দুইৰো গাৱ ॥
নগণয় দুয়ো তাক ৰণত দুৰ্ম্মদ।
দশো দিশ পূৰে আতি গদাৰ শৱদ ॥৩৪৬

ঠাক ঠিক মাত্ৰ শুনি লণ্ডবয় আকাশ।
বজ্ৰৰ নিৰ্ঘাতে যেন জলে গৰ্ভ ত্ৰাস॥
গদাৰ প্ৰহাৰে দুইৰো শোভে নিৰন্তৰ।
মত্ত যুদ্ধ কৰে যেন দুগোটা কুঞ্জৰ॥৩৪৭
তাৰ যেন দন্তৰ শৱদ অতিশয়।
দুইহাতো গদাৰ কোৰ শোভে সেহিনয়॥
বায়ু বেগে গদা আসি পৰে শৰীৰত।
উৰু কৰ কটি কক্ষ হনু প্ৰদেশত॥৩৪৮
হুঃ বুলি মাৰে গদা শৰীৰৰ বলে।
যেন মত্ত হস্তী শুণ্ড আচাৰয় জলে॥
গদায় গদাত কতো মাৰে ঠাতকৰি।
দিশক বিয়াপি যাই অগনি উফৰি॥৩৪৯
মাথাত পৰিয়া ঘোৰ অগ্নি যাই জ্বলি।
থাকে পৰি কতো বেলি দুহাকো নাকলি॥
মৰিল বুলিয়া লোকে কৰে কোলাহল।
বোলে একেবাৰে ভৈল দুহাত্তৰো কাল॥৩৫০
কৰন্ত ক্ৰন্দন লোকে দুইহাত্তকো চায়।
কতো বেলি অন্তৰে অগনি লাগে ঠাই॥
ধুঞা ঠাই ভৈলে লোকে দুইকো দেখে পাছে।
গদা ধৰি আটোপ কৰন্ত দুয়ো আছে॥৩৫১
বোলে নিৰন্তৰে দেখি দুইহাত্তৰো পিত।
কিনো নিদাৰুণ দুয়ো বীৰ বিপৰীত॥
গদাৰ কোৰত শৰীৰৰ উঠে জুই।
তথাপিতো কটাক্ষ নকৰে ইটো দুই॥৩৫২
সেহি সময়ত যত দেৱগণ মানে।
যুদ্ধ চাহিবাক মনে আসিলা বিমানে॥

সিদ্ধ মুনি বিদ্যাধৰ গন্ধৰ্ব্ব চাৰণ ।
নিৰন্তৰে আইলা যত অপেশ্বৰাগণ ।।৩৫৩
যুদ্ধ চাহি নিৰন্তৰে বৈল আকাশত ।
শুনা দুয়ৰো যুদ্ধ যেন মিলিল পাছত ।।
পুনৰপি দুয়ো বীৰে দুহান্তকো মাতি ।
গদা ধৰি দুয়ো আৰম্ফতি কৰে আতি ।।৩৫৪
মাৰ মাৰ বুলি দুয়ো বীৰ মহাশয় ।
দশন কামুৰি দুয়ো দুহাঙ্কো গৰ্জ্জয় ।।
হেৰ মাৰো বুলি কৰৈ গদাৰ প্ৰহাৰ ।
শৰীৰত পৰৈ আসি কৰি ঠাতকাৰ ।।৩৫৫
অন্যো অন্যে প্ৰহাৰ কৰয় বিপৰীত ।
কঠিন গাৰত গদা হোৱে চূৰ্ণীকৃত ।।
আক্ৰান্তে যুজয় যেন দোগোটা কুঞ্জৰ ।
ভাগি গৈল তাৰ যেন ডাল আকনৰ ।।৩৫৬
সেহি মতে দুইৰো যেৱে গদা ভাগি গৈল ।
পাছে দুয়ো বাহুযুদ্ধ কৰিবাক লৈল ।।
দুয়ো মহাবীৰ যেন প্ৰমত্ত কেশৰী ।
ক্ৰোধে দুয়ো মুষ্ঠিত প্ৰহাৰে মুঠি ধৰি ।।৩৫৭
বাহুত ধৰিয়া কোপে আটোপে আজোৰে ।
কঙ্কাল ফান্দিয়া ধৰি অধৰ কামোৰে ।।
অনেক আক্ৰান্তে শৰীৰৰ বলে টানে ।
মাৰয় চাপৰ দুয়ো দুহাঙ্কো সন্ধানে ।।৩৫৮
আন্তৰিয়া পুনু আতি মাৰে বাহু দাম্ফি ।
বাঘে যেন গৰ্জ্জি পুনৰপি ধৰে হাম্ফি ।।
হাতে পাৱে শিৰে গলে চান্দে মালজৰী ।
এক পিণ্ড হুয়া কৰে বগৰা বগৰি ।।৩৫৯

কবৈ হৰহৰি হাত ভাঙ্গে মৰমৰি ।
নাহি ভ্ৰূভঙ্গ খণ্ড যাই আতি চবি ।।
কৰি এৰা এৰি কতো হোৱয় অন্তৰ ।
মহা গৰ্বে বীৰনাদ কৰে ভয়ঙ্কৰ ।।৩৬০
ফুৰে দুয়ো পাক যেন কুমাৰৰ চাক ।
গৰ্জ্জে যেন প্ৰমত্ত মাতঙ্গ ছাৰৈ ডাক ।।
ধৰিয়া হামফুলি কতো আচাৰয় তুলি ।
হিয়াত বৈসাৰে মুথি কতো হুঃ বুলি ।।৩৬১
পাৰে দোঙ্গা দুঙ্গি কতো আঙ্কোৱালি ধৰি ।
কৰৈ থাক থাক কতো দুইহান্তো আতৰি ।।
কৰকৰ কৰি কতো দশন চৰ্ব্বই ।
খাইবো তোৰ মুণ্ড বুলি দুহান্তো গৰ্জ্জয় ।।৩৬২
মুণ্ডে মুণ্ডে যুদ্ধ কতো কৰৈ বৰ ৰাগে ।
অন্যো অন্যে যুজে যেন দুই ভেৰা ছাগে ।।
হিয়ায়ে হিয়ায়ে যুদ্ধ কৰে আতিশয় ।
দোগোটা ৰাক্ষসে যুদ্ধ কৰে যেন নয় ।।৩৬৩
বাহুৰে বাহুৰে যুদ্ধ কৰে মহা ৰঙ্গে ।
শুণ্ডে শুণ্ডে যুজে যেন দোগোটা মাতঙ্গে ।।
পাৰে পাৰে যুজে দুয়ো বীৰ মহা শ্ৰমে ।
লাথি যুদ্ধ কৰে যেন দুই তুৰঙ্গমে ।।৩৬৪
নানা বিধ যুদ্ধ দুয়ো কৰয় প্ৰবন্ধে ।
মহা চন্দে বন্ধে ভীমসেন জৰাসন্ধে ।।
কতো একপিণ্ড কতো হোৱয় অন্তৰ ।
বহুবিধ শ্ৰম কতো দেখাৱে মালৰ ।।৩৬৫
নিৰ্ঘাত শব্দে দুয়ো বজায় কৰতাল ।
শব্দে পুৰয় দিশ বিদিশ সকল ।।

মাৰে বাহু তালি আচাৰয় হাত পাৱ।
মাথা জঙ্কাৰিয়া কতো কৰে বহুভাৱ ॥৩৬৬
কৰয় আস্ফাল দুয়ো বীৰ মহামাল।
দুইৰো পয়োভৰ আতি যাই ভূমিচাল ॥
ওপৰত দিয়া দেও তেজয় আতাস।
বজ্র পৰে বুলি কতো হোৱয় তৰাস ॥৩৬৭
চিত্র চাই কতো আসি লৱৰন্তে ধৰি।
মাৰয় আচাৰ পৰৈ গিৰিসিত কৰি ॥
য়াই পোত সমূলি পৃথিৱী কৰি খাল।
উঠি কতো ধৰি মাৰৈ আউৰ আস্ফাল ॥৩৬৮
যাই পেত পৰি সিটো পৃথিৱী কম্পাই।
দশন কামুৰি উঠি থাকে তাকে চাই ॥
পৰম ক্রোধত দুয়ো দুইক পাৰে গালি।
মোহোৰে হাতত ভালে ইবাৰ এৰাইলি ॥৩৬৯
হাসি বোলে দুয়ো আতে কৰ মহমহ।
মোচৰি চিণ্ডিবো মুণ্ড খানিতেক ৰহ ॥
এহি বুলি লৰৰি আণ্ঠুত আণ্ঠু মাৰে।
ভাঙ্গে খুলি বজ্র সম মুষ্টিৰ প্রহাৰে ॥৩৭০
চাপৰ মুকুতি লাথি মাৰে ঘৰাকাতি।
দুইকো দুই দাৰুণ প্রহাৰ কৰে আতি ॥
কৰি জৰাজৰি কতো পৃথিৱীত পৰে।
নির্ঘাত পড়ন্তে যেন বসুমতী লৰে ॥৩৭১
যৈতে যৈতে পৰৈ দুইহান্তৰো আণ্ঠুমুণ্ড।
খালপৰি তৈতে বৰ হুয়া থাকে কুণ্ড ॥
গাণ্ডি গোত পৰি হোৱে সৰোবৰ মান।
হাত ভৰি পৰি আতি হোৱে যেন জান ॥৩৭২

মাল বান্ধ ধৰি কতোবেলি থাকে পৰি ।
উঠৈ পুনৰপি দুয়ো দুইহান্তকো এড়ি ॥
কোপে চক্ষু আৰকত কম্পাৱে অধৰ ।
ফোফাই মহানাগে যেন দুয়ো বীৰবৰ ॥৩৭৩
মৰ্ম্মস্থান বুজি বজ্ৰসম মুঠি বোলে ।
মাৰি গলদঙ্গা কতো পেহলাৱে নিঢ়ালে ॥
ধৰি দুয়ো বীৰে কতো মোচৰয় ঘাড় ।
হাত পাৱ মুড়ি মড়মড়ি ভাঙ্গে হাড় ॥৩৭৪
কট মট কৰি কতো ধৰৈ দুইকো দুই ।
অঙ্গ ঘৰিষণে শৰীৰৰ উঠৈ জুই ॥
নাকলিয়া দুইকো দিশ পাশ চাইলে ধুঁ ।
মৰিলি বুলিয়া দুয়ো বীৰে বোলে হুঁ ॥৩৭৫
সেহৰা নুহিকে বুলি দুয়ো মহাবলী ।
আটাট কৰিয়া হাসি তোলে খলখলি ॥
নিষ্ঠুৰ প্ৰহাৰে দুয়ো কৰে মালশ্ৰম ।
শিক্ষা বল প্ৰভাৱত দুয়ো বীৰ সম ॥৩৭৬
দাৰুণ যুদ্ধত দুইৰো অঙ্গ ভৈল চূৰ ।
কটাক্ষো নকৰে তাক দুয়ো মহাসুৰ ॥
নিৰ্ব্বিশেষ দুইৰো যুদ্ধ ভৈল আতিশয় ।
বলে ক্ষীণ হোহে দুয়ো পৰম দুৰ্জ্জয় ॥৩৭৭
নাপাৰন্ত ভীমে জৰাসন্ধক জিনিত ।
দেখি অৰ্জ্জুনৰ মন মলিন কিঞ্চিত ॥
সমানক সমে কেনমতে মাৰিবন্ত ।
অৰ্জ্জুনৰ চিত্ত লক্ষি পাছে ভগৱন্ত ॥৩৭৮
চিন্তিবাক লৈলা তাৰ বধৰ উপায় ।
কেনমতে পাপী জৰাসন্ধ বধ জাই ॥

সৰ্ব্বজান কৃষ্ণে জানিলন্ত তাৰক্ষণে ।
পূৰ্ব্বে উপজিল ইটো দুই আদখনে ।।৩৭৯
জৰানাম ৰাক্ষসী একত্ৰ কৰি থৈল ।
তাতেসে ইহাৰ জৰাসন্ধ নাম ভৈল ।।
ইহাৰ বধৰ আৰ নাহিকে উপায় ।
চিৰি মাৰিলেসে জৰাসন্ধ বধ যায় ।।৩৮০
তথাপি সমক সমে কেনে মাৰিবন্ত ।
আপুনাৰ তেজ নিয়া ভীমক দিলন্ত ।।
এবে কেনমতে ভীমে কৰন্ত দুইখান ।
সঙ্কেতিয়া আঙ্ক মঞি দেখাওঁ বিদ্যামান ।।৩৮১
এহিমতে গুণি পাছে তৃণ হাতে ধৰি ।
ভীমক দেখায়া চিৰিলন্ত দেৱহৰি ।।
অমোঘ দৰশী ভীমসেন মহাবলী ।
জানিলন্ত মাধৱৰ সঙ্কেত আকলি ।।৩৮২
জৰাসন্ধ ৰাজা চিৰিলেষে বধ যায় ।
মনে গুণি ভীমে মাগধৰ চিদ্ৰ চায় ।।
বধিবাক মনে আতি কৰন্ত উল্লাস ।
আউৰ কৈক যাস অজি সেন্থেৰে নেৰাস ।।৩৮৩
মাগধে বোলয় তোৰ বীৰত্ব আছোক ।
যতেক শকতি আছে ধৰ আসি মোক ।।
ঘাৰক মুচৰি তোৰ পকাই চিণ্ডো মুণ্ড ।
মুঠিৰ প্ৰহাৰে নুহি বাজ কৰো ভণ্ড ।।৩৮৪
শুনি বিপৰীত ক্ৰোধ উঠিল ভীমৰ ।
কালে পাইল তোক আৰো লপস বৰ্বৰ ।।
মাৰো দুৰাচাৰ বুলি ঘোৰনাদ কৰি ।
পেলাইলা ভূমিত ভীমে মাগধক ধৰি ।।৩৮৫

তাৰ এক পাৱক আপোন পাৱে ভিৰি ।
আউৰ হাতে পাৱ ধৰি পেলাইলন্ত চিৰি ॥
গুদহন্তে তাক কৰিলন্ত দুইফাল ।
যেন মত্তহস্তী চিৰিলেক বৃক্ষডাল ॥৩৮৬
একভৰি অৰ্দ্ধনাভি বাহু একখান ।
মুখৰো অৰ্দ্ধেক এক আখি এক কাণ ॥
অৰ্দ্ধনাক অৰ্দ্ধশিৰ শৰীৰ অৰ্দ্ধেক ।
হেনয় বিকৃত লোকে দেখিল প্ৰত্যেক ॥৩৮৭
হাহাকাৰ ৰোল মহা মিলিল লোকৰ ।
কিনো ভৈলা প্ৰভূ তুমি মাগধ ঈশ্বৰ ॥
কোননো বিধতা হেন বিপত্তি কৰিল ।
মহাবলী জৰাসন্ধ হাসিতে মৰিল ॥৩৮৮
আকস্মিতে লোকক কৰিলা অপকাৰ ।
সিহেতু অধম মৃত্যু মিলিল তোম্বাৰ ॥
মহন্ত সৱক যিটো কৰে উতপাত ।
অবিলম্বে ইসৱ আপদ মিলে তাত ॥৩৮৯
অনন্তৰে ভীমক মাধৱ ধনঞ্জয় ।
পূজিলা সাবটি ধৰি বুলি জয় জয় ॥
দুৰ্জ্জয় ৰাজাক বধিলন্ত মহাবীৰ ।
ধূলা জঙ্কাৰিয়া দুয়ো মাজিলা শৰীৰ ॥৩৯০
জয় জয় ৰোল উঠি গৈল আকাশত ।
বৰিষিলা পুষ্প দেৱে ভীমৰ শিৰত ॥
ধন্য ধন্য বীৰকৰ্ম্ম কৰিলা দুষ্কৰ ।
দুৰ্জ্জনক বধি দুখ খণ্ডিলা লোকৰ ॥৩৯১
এহিবুলি দেৱগণে ভীমক পূজিল ।
মহন্ত সৱৰ মহা আনন্দ মিলিল ॥

দুৰ্য্যোধনৰ মুণ্ডে যেন পৰিল নিৰ্ঘাত।
থিয়য়ে মৰিল দুখে হৰিলেক মাত ॥৩৯২
পাছে ভগৱন্ত প্ৰভু দেৱ যদুপতি।
জৰাসন্ধ সুত সহদেৱক সম্প্ৰতি ॥
ৰাজসিংহাসনে কৰিলেক অভিষেক।
মাগধৰ অধিপতি পাতিলা প্ৰত্যেক ॥৩৯৩
নকৰিবা ভয় বুলি কৰিলা আশ্বাস।
ভকতবৎসল প্ৰভু জগতনিবাস।
অনাথৰ নাথ কৃপাময় নাৰায়ণ।
ৰাজাসমস্তক পাছে কৰাইলা মোচন ॥৩৯৪
বিংশতি সহস্ৰ আৰো অধিক অষ্টশত।
জৰাসন্ধে থৈয়া আছে গিৰি গহ্বৰত ॥
সমস্তকে মোচন কৰায়া নাৰায়ণ।
দিলন্ত সবাকো নিজৰূপে দৰিশন ॥৩৯৫
গিৰি গহ্বৰৰ বাজ ভৈল ৰাজাগণ।
মলিন বদন মহা মলিন বসন ॥
ক্ষুধাত সুখাইল তনু আন্ত মুখ শিৰ।
বন্ধনৰ ক্লেশে কাৰো ভৰি নোহে থিৰ ॥৩৯৬
সহদেৱে ভাঙ্গিলেক জিঞ্জিৰি নিহল।
হাতে ভৰি গলে খাৰি বান্ধিলা সকল ॥
বাঢ়ি আছে দাঢ়ি গোম্ফ দেখি লাগে ভয়।
ফুৰি গৈল হাতৰ পাৱৰ নখচয় ॥৩৯৭
গাৱত নাহিকে মাংস আছে অস্থি চৰ্ম্ম।
ধৰিয়া আছন্ত যেন বানপ্ৰস্থ ধৰ্ম্ম ॥
দেখিয়া দায়ায়ে মন কৃষ্ণৰ মজিল।
আপুনাৰ নিজ দিব্যৰূপে দেখা দিল ॥৩৯৮

নৱ ঘনশ্যাম তনু দেখি অদভুত।
জ্বলৈ পীতবস্ত্র যেন মেঘত বিদ্যুত ॥
চাৰু চতুৰ্ভুজ ভুজঙ্গৰ ভোগ সম।
কেয়ূৰ কঙ্কণ জ্বলৈ আতি মনোৰম ॥৩৯৯
হৃদয়ত জ্বলৈ চাৰু শ্ৰীবৎসৰ পান্তি।
কম্বু কণ্ঠ মাজত কৌস্তুভে কৰৈ কান্তি ॥
পদ্মগৰ্ভ সম জ্বলৈ আয়ত লোচন।
কুন্দ কড়ি সম জ্বলে নিবিড় দশন ॥৪০০
প্ৰসন্ন বদন চাৰু অৰুণ অধৰ।
উত্তম নাসিকা ভ্ৰূযুগ মনোহৰ ॥
শঙ্খপ্ৰায় কৰ্ণে জ্বলৈ মকৰ কুণ্ডল।
তাৰে কান্তি উজ্জ্বল পাণ্ডুৰ গণ্ডস্থল ॥৪০১
শঙ্খ চক্ৰ গদা পদ্ম জ্বলৈ চাৰি হাতে।
ৰত্নময় কিৰীটি প্ৰকাশ কৰৈ মাথে ॥
আপাদলম্বিত বনমালা জ্বলৈ গলে।
গজ মুকুতাৰ হাৰ হৃদয়ত জ্বলে ॥৪০২
ৰঙ্গে জিলি মিলি ৰত্নময় পেচন্দাৰ।
ৰত্নে বিৰচিত সাতেসৰি হেমহাৰ ॥
দিলা লক্ষ্মী বিদিত বহল হৃদয়ত।
সুবৰ্ণৰ ৰেখা যেন কাংস পাথৰত ॥৪০৩
চক্ৰাকৃতি শিৰ কেশ নীল আকুঞ্চিত।
নিৰ্ম্মল কপোলে চাৰু অলক লম্বিত ॥
মুখে অলপ হাসি যেন বৰিষে অমৃত।
জুৰাই তনু মন অতি কটাক্ষ দৃষ্টিত ॥৪০৪
ত্ৰিবলি বলিত মহা ৰঞ্জিত উদৰ।
গহীন গম্ভীৰ দিব্য নাভি সৰোবৰ ॥

কতি প্ৰদেশত জলে পাট পীত ভুনি ।
প্ৰকাশে মেখলা ৰত্নে ৰচিত কিঙ্কিণী ॥৪০৫
উৰু কৰীকৰ জানু জঙঘা মনোহৰ ।
চৰণ দুখানি নৱ পদ্ম সমসৰ ॥
ৰুনজুন কৰি ৰত্ন মঞ্জীৰ জুৰায় ।
ভকতসৱৰ মনোৰথক পূৰয় ॥৪০৬
চম্পক কৰ্ণিকা সম আঙ্গুলিৰ পান্তি ।
নখে নিন্দে মণি ইন্দু দৰ্পণৰ কান্তি ॥
দৰশনে হৰে ভকতৰ তাপচয় ।
আঙ্গুলিত উজণ্টি প্ৰকাশৈ মনোময় ॥৪০৭
ৰাতুল কোমল মনোহৰ পদতল ।
ধ্বজ বজ্ৰ পদ্ম যৱ অঙ্কুশে উজ্জ্বল ॥
অমৃত ৰবিষে অতি চৰণৰ কান্তি ।
স্মৰণ মাত্ৰকে তিনি তাপ উপশান্তি ॥৪০৮
কোটি সূৰ্য্য শশীসম প্ৰকাশৈ শৰীৰ ।
দৰশনে দূৰ কৰে অজ্ঞান তিমিৰ ॥
হেন দিব্য মধুৰ মুৰুতি দামোদৰে ।
দিলা দেখা নৃপতি সৱক দায়াতৰে ॥৪০৯
সাক্ষাতে কৃষ্ণক দেখিলেক ৰাজাগণ ।
মিলিল আনন্দ প্ৰেম উপজিল মনে ॥
অমৃত পৰিয়া যেন শৰীৰ জুৰাইল ।
বন্ধনৰ ক্লেশমানে তেখনে এৰাইল ॥৪১০
মধুৰ মূৰ্ত্তিক যেন নয়নে পিয়ন্ত ।
হৰিষত জিহ্বা মেলি যেন আস্বাদন্ত ॥
পৰম স্নেহত নাকে যেন ঘ্ৰাণিলন্ত ।
বাহু মেলি আলিঙ্গি ধৰিবে যেন চান্ত ॥৪১১

দিব্য ৰূপ দেখি মহা মিলিল উৎসৱ ।
ডাকি উচচস্বৰে কৰিলন্ত হৰি ৰৱ ॥
কৃষ্ণ দৰশনে তাপ সমস্তে হৰিল ।
কৃষ্ণ পদপঙ্কজত অষ্টাঙ্গে পৰিল ॥৪১২

নমাই সৱে মাথ মাধৱৰ চৰণত ।
কৰিলন্ত নমস্কাৰ ৰাজাগণ যত ॥
প্ৰেমে নয়নৰ নীৰ পৰে সৰসৰি ।
তিয়াই লোতকে মাধৱৰ দুয়ো ভৰি ॥৪১৩

আনন্দ সাগৰে নিমজিল ৰাজাগণ ।
কৃষ্ণ কৃষ্ণ কড়ি পৰি আছে কতোক্ষণ ॥
কৃষ্ণপদ পৰশে গুচিল যত ক্লেশ ।
উঠি কৃতাঞ্জলি ধৰি নৃপতি নিশেষ ॥৪১৪

মধুৰ বচনে অৱনত কৰি কায় ।
কৰিল প্ৰশংসা সৱে কেশৱক চাই ॥
পৰিলন্ত পুনৰপি জয় কৃষ্ণ বুলি ।
কেশ জঙ্কাৰিয়া লৈলা চৰণৰ ধূলি ॥৪১৫

কৃষ্ণপদ ধূলি পায়া কৃতকৃত্য ভৈল ।
যোৰ হাতে নম্ৰে স্তুতি কৰিবাক লৈল ॥
শুনা ভাগৱত কথা সভাসদ লোক ।
বোলা ৰাম ৰাম মহাপাতক ছাৰোকে ॥৪১৬

---

৬

# স্তুতি

ৰাজাগণ নিগদিত হে কৃষ্ণ যদুপতি
প্ৰপন্নৰ দুঃখ বিনাশন।
অব্যয় পুৰুষ হেৰা দেৱৰো ঈশ্বৰ দেৱ
প্ৰণামোহোঁ তোমাৰ চৰণ॥
প্ৰপন্ন জনৰ ঘোৰ সংসাৰ দুঃখত হন্তে
কৰা কৃষ্ণ আম্মাক মোচন।
পৰম দুঃখত মহা অপবর্গ্গ দূৰে গৈল
আম্মাৰ নির্ম্মল ভৈল মন॥৪১৭
জৰাসন্ধ ৰাজা কিনো কৰিলেক অনুগ্ৰহ
ৰাজ্যশ্ৰী গুচায়া আম্মাৰ।
তাহাৰ প্ৰসাদে মহা পৰম দুৰ্লভ ইটো
পাদপদ্ম দেখিলোঁ তোম্মাৰ॥
পৰম ঐশ্বৰ্য্য মদে অন্ধ হুইয়া ৰাজাগণ
আপনাৰ কুশল নাজানে।
মায়ায়ে মোহিত হুইয়া অনিত্য চঞ্চল যত
সম্পদকে সত্য কৰি মানে॥৪১৮
সূৰ্য্যৰ ৰশ্মিক যেন বালক সকলে আসি
বালুকাত জল বুদ্ধি কৰে।
সেহিমতে মূঢ় সবে মায়াময় মিছা যত
অৱস্তুক বস্তু বুলি ধৰে॥

শ্ৰীমদ গৰ্ব্বে নষ্ট মতি হুইয়া আতিশয়
আন্নিসৱে নৃপতি পূৰ্ব্বত ।
ইটো পৃথিৱীৰ পদে পৰস্পৰে কৰোঁ যুদ্ধ
জয় আশা কৰিয়া মনত ॥৪১৯

নিৰ্দ্দয় হুইয়া পৰম পৰক জিনিতে প্ৰতি
নাশিলোঁ আপন প্ৰজা যত ।
হেনসে দুৰ্মতি নিজ কুশল বাঞ্ছিলোঁ মাত্ৰ
নগণিয়া মৃত্যুক আগত ॥

হে কৃষ্ণ তযু যিটো দুৰন্ত শকতি কাল
পৰম গম্ভীৰ বেগে আসি ।
তোহ্মাৰ কৃপায়ে প্ৰভু কৰিলেক গৰ্ব্বচূৰ
ৰাজ্য শ্ৰী সকলে বিনাশি ॥৪২০

এবে আমি নষ্ট দৰ্প হুইয়া তযু পাদ পদ্ম
কেৱলে স্মৰিতে মাত্ৰ চাওঁ ।
সংসাৰ চক্ৰৰ দুঃখ তেবেসে এড়াইবো আমি
তযু কৃপা লেশ যেবে পাওঁ ॥

মৃগ তৃষ্ণা সম ইটো ৰাজ্যত নাহিকে কাৰ্য্য
কেৱলে দুঃখৰ মাত্ৰ ভাৰ ।
নাহি সুখ লয় লেশ ইহাৰ সেৱাত নাথ
স্পৃহা আৰ নাহিকে আহ্মাৰ ॥৪২১

পৰলোক কৰ্ম্ম ফল স্বৰ্গ আদি কৰি যত
কৰ্ণৰ ৰচনা মাত্ৰ শুনি ।
তথাটো নাহিকে সুখ আস্পৰ্দ্ধা অসূয়া আদি
তাত আছে অনেক বিধিনি ॥

ক্ষণে ক্ষণে হোৱে ক্ষীণ কৈত পৰে কোন দিন
তনু ইটো ৰোগৰ নিবাস।
অনিত্য শৰীৰে আৰ ইহ পৰলোক সুখ
সেৱাত নকৰোঁ তাৰ আশ ॥৪২২

এগোটা প্ৰসাদ হেন আম্মাৰ দিয়োক দেৱ
মাগোঁ আমি চৰণে তোম্মাৰ।
সংসাৰে ভ্ৰমন্তে যেন তযু পাদ পদ্ম দুইক
নুগুচয় স্মৰণ আম্মাৰ ॥

এতেকে তোম্মাত আমি সমস্তে প্ৰসাদ পাওঁ
আন একো নলাগয় আৰ।
তোম্মাৰো কৃপাৰ প্ৰভু এহিসে পৰম ফল
শুনি আছোঁ বেদৰ বিচাৰ ॥৪২৩

নমো নমো নমো কৃষ্ণ জগত নিবাস দেৱ
নমো পৰমাত্মা নাৰায়ণ।
প্ৰণত জনৰ ক্লেশ নাশন গোবিন্দ প্ৰভু
প্ৰণামোহোঁ তোম্মাৰ চৰণ ॥

এহিমতে ৰাজাগণে কৃষ্ণৰ আগত পৰি
তুতি নতি কৰন্তে আছন্ত।
মেঘৰ গম্ভীৰ ধ্বনি অমৃত মধুৰ বাণী
পাছে মাতিলন্ত ভগৱন্ত ॥৪২৪

# ছুলড়ি

গোবিন্দ বদতি শুনা নৃপবৰ
দেখিয়া ভৈলোঁ তৃপিতি ।
আজি হন্তে মোত তোমাৰ সৱৰ
সুদৃঢ় হৌক ভকতি ॥
জগতৰ আত্মা মই মহেশ্বৰ
কৰিলা মোত বিশ্বাস ।
তোৰা সকলৰ সত্য বাণী আতি
মনক কৰে উল্লাস ॥৪২৫
ঐশ্বৰ্য্য শ্ৰী মদে কৰয় স্বতন্ত্ৰ
উন্মাদ দেখোঁ লোকৰ ।
মহা মত্ত হুইয়া আম্মাকো নগণে
বুদ্ধি হত হুইয়া নৰ ॥
শ্ৰী মদ গৰ্ব্বে কৰয় অনৰ্থ
প্ৰজাক পীড়ে অপাৰ ।
স্ত্ৰী ৰত্ন মানে তাকে মাত্ৰ লাগে
নেদেখে মৰণ আৰ ॥৪২৬
পাপ উগ্ৰ ভৈল দুৰ্জ্জন সকল
সম্পদত হোৱে ভ্ৰষ্ট ।
স্থান হন্তে পাছে পৰে নৰকত
নিজ পুণ্য কৰি নষ্ট ॥

সহস্ৰ অৰ্জ্জুন নহুয় ৰাৱণ
নৰক হেন অপৰ।
শ্ৰী হত হুইয়া গৈল আনো যত
দেৱ দৈত্য নৰেশ্বৰ ॥৪২৭

তুমি সবো আবে ইহাক জানিয়া
আহ্মাত কৰিয়ো ৰতি।
পুত্ৰ দাৰা দেহ আদি কৰি যত
অসন্ত দেখা সম্প্ৰতি ॥

যজ্ঞ কৰি সবে আহ্মাক যজিবা
থাকিয়া নিজ ধৰ্ম্মত।
মোৰ আজ্ঞা ধৰি পালিবা নিয়মে
আপন প্ৰজা সমস্ত ॥৪২৮

হুইয়া সাৱধান পুত্ৰ আদি কৰি
বঢ়াইয়া বংশ সন্ততি।
দুখত সুখত লাভ অলাভত
কৰিবা সমান মতি ॥

দেহত গেহত হৈবা উদাসীন
তেজিবাহা অহম্মম।
আহ্মাতেসে মাত্ৰ কৰিবাহা ৰতি
ধৰিয়া ব্ৰত নিয়ম ॥৪২৯

সুদৃঢ় বিশ্বাসে আহ্মাত সদায়
কৰিবা মন নিবেশ।
অন্তকালে গৈয়া সমস্তে সাক্ষাতে
আহ্মাতে হুইবা প্ৰৱেশ ॥

সম্প্ৰতিক সবে আমাৰ নিমিত্তে
পাইলাহা দুঃখ অপাৰ।
তুমি সবো মোৰ পৰম সুহৃদ
ক্ষমিবা দোষ আমাৰ ॥৪৩০

তোমৰা সবৰ নিকাৰ দেখিয়া
হৃদয় কৰে দগধ।
জৰাসন্ধ পাপী দিলেক নিকাৰ
চিন্তিলো তাহাৰ বধ ॥

ইসব দুঃখক মনত নলৈবা
ভুঞ্জিলাহা নিজ কৰ্ম্ম।
দুঃখ ভুঞ্জি দোষ লোকক নেদিবা
ভকতৰ ইসে ধৰ্ম্ম ॥৪৩১

সুখ দুঃখ যত সবে মায়াময়
যেন স্বপ্ন মনোৰথ।
এহিমতে হৰি নৃপতি সবক
দিলা উপদেশ পথ ॥

শুনা সভাসদ কৃষ্ণৰ চৰিত্ৰ
মনক নিয়ম কৰি।
কৰা কৃপা মোক পাতক ছাৰোক
ডাকি বোলা হৰি হৰি ॥৪৩২

## পদ

শুক নিগদতি শুনা ৰাজা মহা সন্ত ।
এহিমতে নৃপতিসৱক ভগৱন্ত ॥
দিলা উপদেশ প্ৰভু জগত ঈশ্বৰ ।
ক্ষৌৰাদি কৰ্মক আদেশিলা নিৰন্তৰ ॥৪৩৩

অসংখ্যাত দাসী দাস নিয়োজি দিয়াইল ।
ক্ষৌৰ কৰ্ম কৰাই তৈলে শৰীৰ মাজাইল ॥
নিৰ্মল জলত পাছে কৰাইলন্ত স্নান ।
অনন্তৰে সহদেৱ কৰিলা সন্মান ॥৪৩৪

নৰদেৱ যোগ্য দিব্য বসনে ভূষণে ।
ভূষিত কৰাইল পুষ্প অগৰু চন্দনে ॥
পৰমান্নে পঞ্চামৃত কৰাইল ভোজন ।
বহুবিধ ভোগে যুক্ত ভৈল ৰাজাগণ ॥৪৩৫

কৰ্পূৰ তাম্বুল ভুঞ্জি ভৈল আনন্দিত ।
সহদেৱে পূজা কৰিলেক যথোচিত ॥
ৰত্নময় দিব্য অলঙ্কাৰে কৰি লাস ।
দুখত মুকুত হুইয়া কৰন্ত প্ৰকাশ ॥৪৩৬

বাৰিষা এৰাইলা যেন গ্ৰহগণ যত ।
কৰন্ত প্ৰকাশ যেন শৰত কালত ।
জৰাসন্ধে বস্তু আনিছিল যত যত ।
দিয়াইলন্ত কৃষ্ণে ৰাজাগণক সমস্ত ॥৪৩৭

গোবিন্দ কৰিলা পূজা বচন অমৃতি।
আসিয়া দিলা চলিবাক অনুমতি॥
ৰাজাগণে বোলে শুনা প্ৰভু নাৰায়ণ।
ৰাজ্যত আহ্মাৰ আৰ নাহি প্ৰয়োজন॥৪৩৮

তোহ্মাৰ চৰণ চিন্তি থাকিবো সকল।
কুন্দা গুচাই নেদা আহ্মাক নিহল॥
ৰাজ্য মহাভাৰ দিয়া নকৰা নিগ্ৰহ।
দাস বুলি লৈয়া নাথ কৰা অনুগ্ৰহ॥৪৩৯

ৰাজ্যভাৰ দূৰ কৰি কৰাইলা মুকুত।
পুনৰপি বান্ধিবাক নোহয় যুগুত॥
আগে কৃপা কৰি পাছে নকৰিবা নষ্ট।
ৰাজ্য পাইলে আমি ভকতিত হৈবো ভ্ৰষ্ট॥৪৪০

মাধৱে বোলন্ত শুনা নৃপ নিৰন্তৰ।
বিষয়ক কেহোঁ আৰ নকৰিবা ডৰ॥
আহ্মাত ভকতি নৰে নকৰে যাৰত।
বিষয় অনৰ্থ কৰি মাৰয় তাৰত॥৪৪১

নকৰে বিষয়ে মোৰ ভক্তক অনৰ্থ।
যেন ভজা ধান নোহে গাজিৰ সমৰ্থ॥
তুমি সৱে একান্ত ভকতি আছা পাই।
তোমৰাসৱৰ অনৰ্থক শঙ্কা নাই॥৪৪২

মোৰ আজ্ঞা পালি ভোগে ভুঞ্জিয়ো সম্প্ৰতি।
কিন্তু তাত মাত্ৰ নকৰিবা আসকতি॥
দিন কতিপয় থাকি কৰভাৰ লৈয়া।
যুধিষ্ঠিৰ ৰাজাৰ যজ্ঞক আসা গৈয়া॥৪৪৩

এহি বুলি নৃপতিসবক চক্রপাণি ।
মণিময় কাঞ্চনে ৰচিত ৰথ আনি ॥
তাতে তুলি নৃপতিগণক যদুৰায় ।
মহা পৰিছেদে দিলা দেশক পঠাই ॥৪৪৪

প্রণামিয়া কৃষ্ণক নৃপতি নিৰন্তৰ ।
কৃষ্ণৰ প্রসাদে মোক্ষ ভৈলন্ত দুঃখৰ ॥
কৃষ্ণৰ চৰণ দুইক হৃদয়ত ধৰি ॥
চলি গৈলা মনে কৃষ্ণ মহিমা সুমৰি ॥৪৪৫

কষ্ণক এৰন্তে মহা দুঃখ লাগে মনে ।
প্রেমত সবাৰে বহে লোতক নয়নে ॥
উলটি ৰথতে চান্ত কৃষ্ণক নিৰেখি ।
মাধৱো আকুল তাসম্বাৰ ভক্তি দেখি ॥৪৪৬

ৰথতে কৰন্ত মাধৱক দণ্ডৱত ।
এহিমতে ভক্তি ভাৱে ৰাজাগণ যত ॥
ভিন্নে ভিন্নে গৈলা চলি আপন দেশক ।
হোৱন্ত বিস্ময় মনে সুমৰি কৃষ্ণক ।৪৪৭

ভাৰ্য্যা পুত্ৰ আদি যত অমাত্য বৰ্গত ।
কহিলা সবাতে কৃষ্ণ চেষ্টা যত যত ॥
ঈশ্বৰ মাধৱে যেন কৰিলা আদেশ ।
আচৰিলা সাৱধানে নৃপতি নিশেষ ॥৪৪৮

কৃষ্ণৰ কৃপাত এৰাইলন্ত মহা দুঃখ ।
ভুঞ্জিলন্ত পাছে অকণ্টকা ৰাজ্যসুখ ॥
একচিত্তে মাধৱৰ ভকতি কৰিল ।
গৃহতে থাকিয়া সুখে সংসাৰ তৰিল ॥৪৪৯

আত অনন্তৰে শুনা নৃপতি প্ৰস্তুত ।
কৰি ৰাজাগণ দুঃখত মুকুত ॥
পাছে সহদেৱক ঈশ্বৰ নাৰায়ণ ।
বচন অমৃতে তান সন্তোষিলা মন ॥৪৫০

শুনা সহদেৱ জৰাসন্ধৰ তনয় ।
ভুঞ্জ ৰাজ্য ভোগ তঞি নকৰিবি ভয় ॥
পুত্ৰৱতে প্ৰজাক পালিবি নিৰন্তৰ ।
নকৰিবি পীড়া যথোচিতে লৈবি কৰ ॥৪৫১

একচিত্তে মনে মোত কৰিবি ভকতি ।
অন্ত কালে গৈয়া মোক পাইবি মহামতি ॥
সাম্প্ৰতিক পাণ্ডৱৰ যজ্ঞৰ নিমিত্তে ।
চালোঁ আমি আস তঞি পাছত সম্ভৃতে ॥৪৫২

কৃষ্ণৰ আদেশ বাণী শুনি সহদেৱ ।
প্ৰণিপাতি মাধৱক কৰিলেক সেৱ ॥
ভীম অৰ্জুনক পাছে নমস্কাৰ কৰি ।
কৰিলা অনেক পূজা তিনিকো সাদৰি ॥৪৫৩

স্তুতি নতি ভক্তি ভাৱে তিনিকো তুষিলা ।
বস্ত্ৰে অলঙ্কাৰ গন্ধ চন্দনে ভূষিলা ॥
সুৱৰ্ণ ৰচিত দিব্য ৰথ দিলা আনি ।
উঠি তাতে ভীম ধনঞ্জয় চক্ৰপাণি ॥৪৫৪

মাগধ ৰাজাক বধি আনন্দিত ভৈলা ।
পৰম আনন্দে ইন্দ্ৰপ্ৰস্থে চলি গৈলা ॥
নগৰ সমীপ পাইবা শঙ্খক ফুঙ্কিল ।
সুহৃদ সৱক মহা আনন্দক দিল ॥৪৫৫

বিপক্ষ সৱক দুঃখ দিলা বিপৰীত।
মুখ ম্লান পৰিল তবধ ভৈল চিত্ত ॥
ইন্দ্ৰপ্ৰস্থ নগৰত বসে যত জন।
শঙ্খ ধ্বনি শুনিয়া হৰিষ ভৈল মন ॥৪৫৬

ধ্বনিতে জানিল জৰাসন্ধ বধ গৈল।
পাণ্ডৱ ৰাজাৰ মনোৰথ সিদ্ধি ভৈল ॥
অনন্তৰে নগৰ পাইলন্ত তিনি বীৰ।
আগ বাঢ়ি গৈয়া আনিলন্ত যুধিষ্ঠিৰ ॥৪৫৭

বুকে চাপি তিনিকো আলিঙ্গি ধৰিলন্ত।
সজল নয়নে সাধুবাদ কৰিলন্ত।
পাছে ভীমসেন সব্যসাচী নাৰায়ণ।
যুধিষ্ঠিৰ নৃপতিক কৰিলা বন্দন ॥৪৫৮

জৰাসন্ধ বধ কথা কহিলা নিশেষ।
সাধিলো নৃপতি যেন কৰিলা আদেশ ॥
কেশৱে কৰিলা অনুকম্পা যেন মত।
শুনিলন্ত ধৰ্ম্মৰাজা ভীম অৰ্জুনত ॥৪৫৯

ভকত বৎসল গুণ শুনিয়া কৃষ্ণৰ।
আনন্দ লোতক বহে দুইয়ো আখিৰ ॥
প্ৰেমে আকুলিত আতি কৰিলেক চিত্ত।
তম্ভিয়া ৰহিল বাক্য নুবুলি কিঞ্চিত ॥৪৬০

জৰাসন্ধ বধ কথা শুনি অদভুত।
পৰম আশ্চৰ্য্য মন ভৈল কুন্তীসুত ॥
নৃপতি সবৰ মোক্ষ কথা বিপৰীত।
কৃষ্ণ অনুভাৱ শুনি ভৈলন্ত বিস্মিত ॥৪৬১

কিনো কৃপাময় কৃষ্ণ দেৱ ভগৱন্ত।
মনে বিমৰিষি কতোক্ষণ আছিলন্ত ॥
আনন্দ লোতকে বেঢ়ি আছয় কণ্ঠক।
গদ গদ বাক্যে পাছে মাতিলা কৃষ্ণক ॥৪৬২

হে কৃষ্ণ কৃষ্ণ কৃপাময় মহেশ্বৰ।
আছে যত ত্রৈলোক্যৰ গুৰু নিৰন্তৰ ॥
সনতকুমাৰ আদি মহামুনি যত।
যাহাৰ দুৰ্লভ আজ্ঞা বহন্তে শিৰত ॥৪৬৩

ব্ৰহ্মা আদি কৰি প্ৰজাপতি নিৰন্তৰে।
দুৰ্লভ লভিলো বুলি পৰম সাদৰে ॥
ভাগ্য মানি আপনাৰ যত দেৱগণ।
যাৰ আজ্ঞা বহে শিৰে ধৰি অনুক্ষণ ॥৪৬৪

হেনয় পৰম তুমি ঈশ্বৰ মুৰাৰি।
আমি মহা দীন ৰাজাগণ অহঙ্কাৰী ॥
আমাৰো আজ্ঞাক তুমি পালা নাৰায়ণ।
কিনো ভৈল পৰম অদ্ভুত বিড়ম্বন ॥৪৬৫

আমি নাশ যাওঁ আপনাক বৰ মানি।
তোমাৰ বা ইহাতে তেজৰ বোন হানি ॥
পৰিপূৰ্ণ ব্ৰহ্ম তুমি আত্মা নাৰায়ণ।
দ্বিতীয় ৰহিত তুমি শিৱ সনাতন ॥৪৬৬

অন্তৰ্যামী ৰূপে কৰা জীৱন নিয়ম।
শত্ৰু মিত্ৰ উদাসীন সবাহাতে সম ॥
সমস্ততে সমভাৱে আছা নিৰন্তৰ।
নোছোৱে তোমাক দোষে গুণে জগতৰ ॥৪৬৭

এতেকে যতেক কর্ম কৰা দামোদৰ ।
হানি বৃদ্ধি নাহি আৰ তোহ্মাৰ তেজৰ ॥
যেন সূৰ্য্য উদয় অস্তক যান্ত নিত ।
তথাপি তাহাৰ তেজ নুটুটে কিঞ্চিত ॥৪৬৮

আছোক তোহ্মাৰ কত কহিবো মহত্ব ।
তযু পদ সেৱক মহন্তগণ যত ॥
তাসম্বাৰো নাহি অহম্মম মতি ভেদ ।
জগততে তোহ্মাৰ দেখন্ত অবিচ্ছেদ ॥৪৬৯

পশু তুল্য পৰম অজ্ঞানী নৰ যত ।
তাৰ যেন অহম্মম ভাব শৰীৰত ॥
ভকতৰ নাহি মতি সিমত সৰ্বথা ।
তোহ্মাৰ নাহিকে ভেদ ইটো কোন কথা ॥৪৭০

শুক নিগদতি শুনা ৰাজা মহাবীৰ ।
এহি মতে কৃষ্ণক নৃপতি যুধিষ্ঠিৰ ॥
প্ৰণতি পূৰ্বক তুতি কৰিলা অশেষ ।
পাছে নৃপতিক মাতিলন্ত হৃষীকেশ ॥৪৭১

তোহ্মাৰ বিপক্ষ জৰাসন্ধ বধ গৈল ।
পৃথিৱীৰ ৰাজাগণ সবে বশ্য ভৈল ॥
যজ্ঞৰ সম্ভাৰ মানে ভৈল এক স্থান ।
এবে মহাৰাজা যজ্ঞ কৰা বিদ্যামান ॥৪৭২

শুনি নৃপতিৰ আতি উল্লাসিত মন ।
নিমন্ত্ৰণ কৰি আনিলন্ত ঋষিগণ ॥
বেদত পাৰ্গত ব্ৰহ্মবিদ্যা সুসম্পন্ন ।
ভৰদ্বাজ ভাগুৰি ভাৰ্গৱ তপোবন ॥৪৭৩

কশ্যপ সনক ব্যাস বশিষ্ঠ গৌতম।
অসিত মৈত্রেয় ভৃগু কবি নৰোত্তম ॥
চ্যবণ কপিল কলু কারু পৰাশৰ।
বিশ্বামিত্র দেৱল সুমতি সিদ্ধেশ্বৰ ॥৪৭৪

গর্গ বৈশম্পায়ন জৈমিনি পুল ক্রতু।
ধৌম্য ৰাম বামদেৱ আসুৰি সুমন্ত ॥
অথর্বাণ পুলস্ত্য পুলহ মধুচ্ছন্দ।
বীতিহোত্র মুনি বীৰসেন ঋষিকণ্ড ॥৪৭৫

নাৰদ অঙ্গিৰা মুনি দুর্বাসা অগস্তি।
ইসব প্রমুখ্য আনো মুনি মহামতি ॥
দেৱঋষি ব্রহ্মঋষি ৰাজঋষি যত।
অনেক সহস্র আইল লেখা দিবোঁ কত ॥৪৭৬

দ্রোণ কৃপ আদি কৰি বিপ্রগণ যত।
আহ্বান কৰিয়া ৰাজা অনাইলা সমস্ত ॥
বহু মান্য কৰিয়া নৃপতি যুধিষ্ঠিৰে।
ষড়র্ঘে অর্চিয়া পাদোদক লৈলা শিৰে ॥৪৭৭

অৱনতে বাক্য পাছে বুলিলা নৃপতি।
কৰোঁ ৰাজসূয় মাধৱৰ অনুমতি ॥
তোমাৰা সৱৰ যেবে অনুমতি পাওঁ।
তেবে সম্প্রতিক পাত্র বৰিবাক চাওঁ ॥৪৭৮

শুনি মুনি সমস্তৰ আনন্দ মিলিল।
সাধুবাদ কৰি সবে অনুমতি দিল ॥
বিচাৰিয়া দিলা যাক বৰিবে উচিত।
সর্বাঙ্গে সম্পূর্ণ কর্মকাণ্ডে সুশিক্ষিত ॥৪৭৯

ঋত্বিজ সদস্য আদি পাত্র নিৰন্তৰ।
প্ৰথমতে যজ্ঞত বৰিলা নৃপবৰ ॥
সুবৰ্ণৰ লাঙ্গল ধৰিয়া বিপ্ৰগণ।
যজ্ঞৰ ভূমিক বাহি কৰিলা শোধন ॥৪৮০
যথাযোগ্য আচৰিয়া বিধি ব্যৱহাৰ।
দীক্ষা দিয়া ৰাজাক কৰিলা সংস্কাৰ ॥
ঋত্বিজ সকলে পাছে কৰিলা আদেশ।
হুয়োক নৃপতি আবে যজ্ঞত প্ৰৱেশ ॥৪৮১
শুনিয়া নৃপতি পাছে ভৈল কুশহস্ত।
সুবৰ্ণৰ উপস্কৰ মিলাইয়া সমস্ত ॥
অনন্তৰে ত্ৰৈলোক্যৰ লোক আছে যত।
মিলিল সমস্তে আসি ৰাজাৰ যজ্ঞত ॥৪৮২
ধৃতৰাষ্ট্ৰৰাজা পুত্ৰগণ সমন্বিতি।
সবান্ধৱে আছিল বিদূৰ মহামতি ॥
আসিলন্ত কুলবৃদ্ধ ভীষ্ম মহাবলী।
কৰ্ণ আদি আনো কুৰুবল আইল চলি ॥৪৮৩
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰ আছে যত।
যজ্ঞৰ থানক প্ৰতি আসিলা সমস্ত ॥
আনো নৰ নাৰীগণ আইল জাকে জাক।
পৰম উৎসুক মনে যজ্ঞ চাহিবাক ॥৪৮৪
পৃথিৱী মণ্ডলে যত আছিল নৃপতি।
আসিল অসংখ্য সেনাগণ সমন্বিতি ॥
ৰাজ মহাদৈই যত আসিল লগত।
দিলা কৰভাৰ আনি হয় হস্তী ৰথ ॥৪৮৫

যুধিষ্ঠিৰ নৃপতিৰ পূৰি মনকাম।
সুবৰ্ণ ৰজত বস্ত্ৰ দিলা দামে দাম ॥
চামৰ কমলি চাৰু চন্দন আশেষ।
আগৰ কস্তুৰি দিলা কৰ্পূৰ বিশেষ ॥৪৮৬

বহুবিধ ভাজন বসন ৰুচিকৰ।
আনো নানাবিধ বস্তু দিলন্ত বিস্তৰ ॥
কামৰূপ নিবাসী নৃপতি ভগদত্ত।
তাঙ্ক দ্বাৰী সকলে ৰাখিল দুৱাৰত ॥৪৮৭

এহি অল্প ধনে তঞি যজ্ঞক আসিলে।
নৃপতি সবৰো কিনো খণ্ডাৰ অনাইলে ॥
আহ্মাৰ ৰাজাত জনাইবাৰ কিবা কাজ।
উলটিয়া যাহা লাগে আপনাৰ ৰাজ ॥৪৮৮

এহি বুলি দ্বাৰী ভগদত্তক ৰাখিলা।
অনন্তৰে দুৰ্য্যোধনে ৰাজাক দেখিলা ॥
বসিয়াছে ভগদত্ত বিবৰ্ণ বদনে।
পাশ চাপি পাছে পুছিলেক দুৰ্য্যোধনে ॥৪৮৯

কি কৰাহা মহাৰাজা বসি দুৱাৰত।
কহিলেক নৃপতি বৃত্তান্ত কথা যত ॥
মহামানী দুৰ্যোধন শুনিয়া শুখাইল।
যুধিষ্ঠিৰ ৰাজা কিনো সম্পত্তিক পাইল ॥৪৯০

ভগদত্ত হেন ৰাজা যাৰ দুৱাৰত।
দুৱৰী সকলে ৰাখিয়াছে বাহিৰত ॥
কিনো অদভুত ইটো শ্ৰীৰ মহত্ব।
নাজানো পাণ্ডৱে পুণ্য কৰিয়াছে কত ॥৪৯১

পাছে দ্বাৰী সবক বুলিলা দুৰ্য্যোধন।
দ্বাৰী বোলে নুবুলিবা ইসব বচন ॥
অল্প ধন লৈয়া আসিবাৰ ফল পাউক।
বাহিৰে থাকোক নুহি দেশে চলি যাউক ॥৪৯২

শুনি দুৰ্য্যোধন ভৈল মৃতক সমান।
যুধিষ্ঠিৰ ৰাজাত দিলেক গৈয়া জান ॥
কানচিয়া কহিলা বৃতান্ত যেন কথা।
ভগদত্ত নৃপতিৰ হেনসে অৱস্থা ॥৪৯৩

শুনি যুধিষ্ঠিৰে আশ্বাসিয়া নিয়াইলন্ত।
প্ৰিয় বাক্য বুলি পাছে শান্ত কৰাইলন্ত ॥
মাতি যুধিষ্ঠিৰে পাছে সুহৃদ সবক।
নিয়োজি দিলন্ত যত যজ্ঞৰ কাৰ্য্যক ॥৪৯৪

ৰন্ধনশালাক প্ৰতি ভীমক পাঞ্চিল।
নানা বস্তু সম্পাদনে নকুলক দিল ॥
সুবৰ্ণ ৰজত আদি যতকে ভাণ্ডাৰ।
দিলা দুৰ্য্যোধনক তাহাৰ অধিকাৰ ।৪৯৫

জানিলা বিপক্ষ আৰ নাহি আক সম।
ইসে নকৰিবে মোৰ ধনক মৰম ॥
কৰ্ণকো বিপক্ষ আতি জানি মহামানী।
বোলন্ত ইহাক সম নাহি মহাদানী ॥৪৯৬

ইসে মোৰ ধনক মৰম নকৰিব।
দ্বেষ ভাৱে থাকি ধন ব্ৰাহ্মণক দিব ॥
এহি বুলি কৃষ্ণে সমে আলোচি নৃপতি।
দিলন্ত কৰ্ণক দান দিবে মহামতি ॥৪৯৭

সহদেৱ মহন্তক মাতি মহাৰাজ ।
দিলা তাঙ্ক নিয়োজি পূজাৰ যত কাজ ॥
অৰ্জুনক দিলা মহন্তক শুশ্ৰূষণে ।
দিলা দ্ৰৌপদীক অন্ন আদি পৰশনে ॥৪৯৮

যুযুধান বিকৰ্ণ হাৰ্দ্দিক বিদূৰক ।
হৰ্য্য আদি কৰি যত বাহ্লিক পূত্ৰক ॥
সন্তৰ্দন আদি কৰি আনো অপৰ্য্যন্ত ।
চন্দন পেষণ আদি কাৰ্য্যক দিলন্ত ॥৪৯৯

ৰাজসূয় যজ্ঞ কাৰ্য্যে জানিবা স্বভাৱে ।
ৰাজা বিনে আনে কৰ্ম কৰিতে নাপাৰে ॥
মাধৱে বোলন্ত শুনিয়োক মহাৰাজ ।
কৰিয়ো আদেশ মঞি কৰোঁ কোন কাজ ॥৫০০

গুচিল ঈশ্বৰ জ্ঞান মুহিলন্ত হৰি ।
বোলন্ত ধুৰাইয়ো তুমি ব্ৰাহ্মণৰ ভৰি ॥
শুক নিগদতি শুনিয়োক নৃপবৰ ।
ভকত বৎসল গুণ দেখিয়া কৃষ্ণৰ ॥৫০১

দেৱতাৰো দেৱতা ঈশ্বৰ ভগৱন্ত ।
ব্ৰহ্মা আদি কৰি যাৰ চৰণ সেৱন্ত ॥
হেনয় ঈশ্বৰ বশ্য হুইয়া ভকতিত ।
আজ্ঞা মাগিলন্ত যুধিষ্ঠিৰ নৃপতিত ॥৫০২

ভকতিৰ বলৰ কহিয়া নাপাওঁ সীমা ।
যুধিষ্ঠিৰ নৃপতিৰ দেখিয়ো মহিমা ॥
কতকে কহিবো ভাগ্য পাণ্ডৱ ৰাজাৰ ।
ভৈলন্ত ঈশ্বৰ কৃষ্ণ অধীন যাহাৰ ॥৫০৩

অনন্তৰে পৰম ব্ৰহ্মণ্য দেৱ হৰি।
ধুৱাৱন্ত নিৰন্তৰে ব্ৰাহ্মণৰ ভৰি ॥
যাক যি কাৰ্য্যকে পাঞ্চিলন্ত নৃপবৰে।
কৰিবাক লৈলা সবে পৰম সাদৰে ॥৫০৪

দুৰ্য্যোধনে গছিলেক ধনৰ ভাণ্ডাৰ।
লৈয়া থৈয়া চপাই আৰ নাপাৱে আগাৰ ॥
সুবৰ্ণ ৰজত মণি মাণিক্য অপাৰ।
যতেক পাৱন্ত আছে লেখা নাহি তাৰ ॥৫০৫

কতো লৱে থৱে কতো আসন্তে আছয় ॥
অদ্ভুত বিভৱ দেখি মিলিল বিস্ময় ॥
যৈতে পাৱে তৈতে মাত্ৰ থৱে দামকৰি।
মিলিল প্ৰয়াস মহা ফোফাই ভাগৰি ॥৫০৬

এখন ইসৱ কথা পাছ কৰি থওঁ।
শুনা দেৱগণ আসিবাৰ কথা কওঁ ॥
আউল ঝাউল কথা আগ পাছ যত দোষ।
শুনি সভাসদ নকৰিব অসন্তোষ ॥৫০৭

পৰম গহণ কথা সাগৰ সমান।
আমি অল্পমতি যত মূৰ্খতে প্ৰধান।
জানিয়া মোহোৰ দোষ ক্ষমিবা সকল।
যেনে তেনে কৃষ্ণৰ কথাত আছে ফল ॥৫০৮

পৰশিয়া থাকে যদি মহা ম্লেচ্ছগণে।
গঙ্গাৰ জলক বাছি আছয় কমনে ॥
সেইমতে মোৰ যত দোষ পৰিহৰি।
শুনা মহাজনে কৃষ্ণ কথাক সাদৰি ॥৫০৯

আতপৰে কলিত নির্মল ধর্ম নাই ।
শ্রৱণ মাত্রকে মহা মোক্ষ পদ পায় ।।
জানিয়া সমস্তে দুখ কৰা উপসাম ।
ডাকি নিৰন্তৰে নৰে বোলা ৰাম ৰাম ।।৫১০

---

## দুলড়ি

এহিমতে যেবে                পাণ্ডুৰ নৃপতি
        ৰাজসূয় আৰম্ভিল ।
মহা যজ্ঞভাগ                ভুঞ্জিবাক মনে
        দেৱতাগণ আসিল ।।
প্রথমতে ব্রহ্মা                ব্রহ্মলোক হন্তে
        আসিলন্ত হংসযানে ।
তাহানে লগত                আসিলন্ত যত
        প্রজাপতিগণ মানে ।।৫১১
ব্রহ্মাক আবৰি                আসিলন্ত আনো
        সত্যলোকবাসী জন ।
বৃষভত চড়ি                কৈলাসৰ হন্তে
        আসিলন্ত ত্রিনয়ন ।।
ময়ূৰত চৰি                কার্তিক আসিলা
        মূষ যানে গণপতি ।
নন্দী আদি কৰি                যত ভূতগণ
        আসিল মনে তৃপিতি ।।৫১২

ত্ৰিদশে সহিতে ঐৰাৱত কন্ধে
আসিলন্ত পুৰন্দৰ ।
অপেশ্বৰাগণ গন্ধৰ্ব্ব চাৰণ
সিদ্ধ মুনি বিদ্যাধৰ ॥
মহিষত চড়ি আসিলন্ত যম
মৃগত চড়ি পৱন ।
পুষ্পক বিমানে কুবেৰ আসিলা
সঙ্গে যত যক্ষগণ ॥৫১৩

ছাগলত চড়ি অগনি আসিলা
হোম ভোগ অভিলাষী ।
সপত তুৰঙ্গে আসিলন্ত সূৰ্য্য
শশ যানে আইলা শশী ॥

আনো আনো যত আইল গ্ৰহগণ
চড়িয়া নিজ বিমানে ।
একাদশ ৰুদ্ৰ সাধ্য অষ্টবসু
আসিলা যজ্ঞৰ থানে ॥৫১৪

দশো দিশে যত আসিল সমস্ত
যক্ষ ৰক্ষ দেৱৰাশি ।
পাণ্ডৱ ৰাজাৰ সভাত সবেও
একত্ৰ ভৈলন্ত আসি ॥
মকৰত চড়ি বৰুণ আসিলা
নিঋতি নিজ বিমানে ।
পাতালৰপৰা বাসুকি আসিলা
আনো নাগগণ মানে ॥৫১৫

কৈলাস সমান শুক্ল কলেৱৰ
আকাশ গৈয়া লঙঘয় ।
সহস্রেক ফণা স্বৰ্গ ছোৱে গৈয়া
বিষ জালে ফোকাৰয় ॥
কাৰো সহস্রেক কাৰো ফণা শত
কাহাৰো দশ চল্লিশ ।
কোৱাৰি চেলেকি ফোকাৰ তেজন্তে
নাকে বাজ হোৱে বিষ ॥৫১৬
ফণা তুলি তুলি ফাট ফোট কৰি
পৃথিৱী জুৰিয়া আসে ।
বাসুকি প্ৰমুখ্যে সৰ্পক দেখিয়া
পলাই লোক মহা ত্ৰাসে ॥
মাধৱে দেখন্ত সৰ্পৰ ভয়ত
পলাই লোক নিৰন্তৰ ।
নাহি ভয় বুলি দুইয়ো হাত তুলি
আশ্বাসিলা দামোদৰ ॥৫১৭
কৃষ্ণক দেখিয়া সৰ্পৰাজে গৈয়া
তেজিলন্ত ফোটকাৰ ।
সহস্রেক শিৰ নমাইয়া ভূমিত
কৰিলন্ত নমস্কাৰ ॥
এক পাশ হুইয়া আধাৰি পকাইয়া
সৰ্পগণ অসংখ্যাত ।
কৃষ্ণক সন্মান কৰি নিৰন্তৰে
বসিলা সবে সভাত ॥৫১৮

ব্ৰহ্মা হৰ আদি কৰিয়া যতেক
আসিলন্ত দেৱগণ ।
অৰ্জ্জুনে সবাকো সাদৰি নিয়মে
দিলন্ত দিব্য আসন ॥
ব্ৰহ্মাদিকো দেখি পাণ্ডৱ ৰাজাৰ
আনন্দৰ নাহি পাৰ ।
প্ৰণতি পূৰ্ব্বকে প্ৰণামি সবাকে
কৰিলন্ত সত্তকাৰ ॥৫১৯

অনেক শুশ্ৰূষা কৰিয়া বোলন্ত
কিনো মোৰ মহাভাগ ।
সাক্ষতে যজ্ঞত ব্ৰহ্মা আদি কৰি
দেৱতাক পাইলো লাগ ॥
এহি বুলি ৰাজা সবাকে সম্বুধি
অনুমতি মাগি লৈয়া ।
নিয়ম পূৰ্ব্বকে বিধি ব্যৱহাৰে
পূজা আৰম্ভিলা গৈয়া ॥৫২০

আচাৰ্য্য ঋত্বিজ সদস্য প্ৰমুখ্যে
অসংখ্যাত ঋষিগণ ।
মাধৱ মাধৱ স্মৰি প্ৰথমে
কৰিলা স্বস্তিবাচন ॥
অনেক সম্ভাৰে ষোড়শোপচাৰে
কৰিলা পূজা আশেষ ।
মাধৱ প্ৰমুখ্যে পূজিলা দেৱক
নাথাকিল আৰ শেষ ॥৫২১

দীপ ধূপ গন্ধ চন্দন নৈবেদ্য
দিলা অসংখ্যাত কৰি।
মনত উৎসুকে দেৱতাসবক
পূজিলা ৰাজা সাদৰি ॥
অসংখ্য প্ৰমাণ সুবৰ্ণ ভাজন
বসন দিব্য ভূষণ।
উৎসৰ্গি উৎসৰ্গি দিলন্ত নৃপতি
সমস্তৰে পূৰি মন ॥৫২২
পূৰ্ব্বত বৰুণে কৰিলন্ত যেন
মহাযজ্ঞ বিপৰীত।
পাণ্ডৱ ৰাজাৰ যজ্ঞৰ সম্ভাৰ
তহাতো কৰি অধিক ॥
ঋত্বিজসকলে বিধিৰ নিয়মে
হোমকুণ্ড নিৰ্ম্মিলন্ত।
যজ্ঞৰ বহ্নিত অনেক সহস্ৰ
হোম দান কৰিলন্ত ॥৫২৩
বিষ্ণুক সুমৰি মূলমন্ত্ৰ স্মৰি
অনেক দ্বিজসকল।
সমজ্যাক ছানি কৰি বেদ ধ্বনি
পঢ়ন্ত তুতি মঙ্গল ॥
মৃদঙ্গ মুৰুজ গোমুখ তৱল
শিঙ্গা শঙ্খ ঢাক ঢোল।
তাল কৰতাল মহুৰি কাহাল
দুন্দুভি শৱদ ৰোল ॥৫২৪

অনেক সহস্র শৰদৰ ধ্বনি
লঙঘয় স্বৰ্গৰ কোল ।
কৰ্ণে হানে তাল থিতাতে কাহাৰো
নুশুনয় মাত বোল ॥
বাৱে বিদ্যাধৰে গন্ধৰ্ব্বে গাৱয়
অপেস্বৰা কৰে নাট ।
বংশ প্ৰশংসিয়া চপয় পঢ়য়
অনেক সহস্র ভাট ॥৫২৫
লক্ষেক নৃপতি সৱে অৱহিতি
কৰয় যজ্ঞৰ কৰ্ম্ম ।
ত্ৰৈলোক্যৰ লোকে কৰয় প্ৰশংসা
পাণ্ডৱৰ দেখি ধৰ্ম্ম ॥
হৰিৰ সেৱক পাণ্ডৱ ৰাজাৰ
কিনো যজ্ঞ বিপৰীত ।
আশ্চৰ্য্য অদ্ভুত ইমত সভাক
নতো দেখি কদাচিত ॥৫২৬
মাধৱ সহিতে ত্ৰৈলোক্যৰ লোক
পাণ্ডৱৰ সভাসদ ।
অনেক প্ৰাৰম্ভ দেখিয়া প্ৰজাৰ
ভৈ গৈল চিত্ত তবধ ॥
শুনা সভাসদ ভাগৱত পদ
জন্মৰ সাফল হৌক ।
পুৰুষ উদ্ধাৰি বোলা ৰাম হৰি
পাপ ৰসাতল যাউক ॥৫২৭

---

# পদ

শুক নিগদতি শুনা কৌৰৱ নন্দন।
পাণ্ডৱৰ সভাক আসিলা যতজন॥
নভৈল তৃপিতি হেন নাহি কদাচিত।
শুনা আবে দানৰ মহিমা বিপৰীত॥৫২৮

সুৱৰ্ণ ৰজত ৰত্ন অসংখ্য প্ৰমাণ।
সূৰ্য্যসুত কৰ্ণ মহাদানী দেই দান॥
মনক সন্তোষি দান খোজন্ত ব্ৰাহ্মণ।
এগুণ খোজন্তে কৰ্ণে দেই দশগুণ॥৫২৯

সুৱৰ্ণৰ থাল বাটি থুৰি অলঙ্কাৰ।
যেই যিবা খোজে মন পূৰি দেন্ত তাৰ॥
কাঞ্চন চৌদোল দাসী দাস দেশ গ্ৰাম।
হয় হস্তী ৰথ দেন্ত ধনু অনুপম॥৫৩০

গো ভূমি সুবৰ্ণ বসন ৰুচিকৰ।
মণি মৰকত ৰত্ন দিলন্ত বিস্তৰ॥
অসংখ্য দানৰ কথা কহিবোহোঁ কত।
দুঃখী ভিক্ষী দেশান্তৰী আসিলেক যত॥৫৩১

সবাকো মনক তুষি দান বৰষিলা।
মহা দৰিদ্ৰকো অদৰিদ্ৰ কৰি দিলা॥
বাৰিষা কালৰ যেন মহা মেঘচয়।
পৃথিৱীক ঢাকি দিনে ৰাতি বৰিষয়॥৫৩২

সেহিমতে অবিচ্ছেদে বৰিষিল দান।
সমস্তে লোকক ধনে কৰিলন্ত বান॥
নাহি পৰিমিত দান দিলন্ত যতেক।
নিতে নুৱাৰিল শত ভাগৰো ভাগেক ॥৫৩৩

যুধিষ্ঠিৰ নৃপতিৰ অসংখ্য ভাণ্ডাৰ।
পাইয়া আছে দুৰ্য্যোধনে তাৰ অধিকাৰ॥
দেই দান মহাদানী ৰবিসুত কৰ্ণ।
পাণ্ডৱসৱৰ মহা বৈৰী দুইয়োজন ॥৫৩৪

ধনৰ বিভৱ দেখি মহা বিপৰীত।
বৈৰ ভাৱে দগধ কৰয় দুইৰো চিত্ত॥
এগুণৰ ঠাইত শত গুণ কৰে হানি।
তথাপিতো নুটুটে নদীৰ যেন পানী ॥৫৩৫

দেৱাসুৰ নৰ নাগ যতেক আসিল।
নিৰন্তৰে লোকে হেন মনত মানিল॥
ইমত যজ্ঞক নতো দেখি নতো শুনি।
যাহাত মাধৱ পৰিচাৰক আপুনি ॥৫৩৬

সুসম্পন্ন যজ্ঞ কিনো কৃষ্ণৰ দাসৰ।
ৰৈল যশ জগতত চন্দ্ৰ দিবাকৰ॥
এহিমতে যজ্ঞক জগতে প্ৰশংসিল।
শুনা যেনমতে আৰো আশ্চৰ্য্য মিলিল ॥৫৩৭

যজ্ঞৰ নিয়ম যত কৰি সমাপত।
সোমলতামৃত পান কৰে যিদিনত॥
যথাযোগ্য সিদিনাৰো কৰ্ম্মক সংহৰি।
ঋত্বিজ সবাকো সাৱধানে পূজা কৰি ॥৫৩৮

অনন্তৰে সমজ্যাত ভৈলা উপস্থিত।
সমাজ দেখিয়া বড় ভৈল ভয়ভীত ॥
কতোক্ষণে অৱনতে থিৰকৰি চিত্ত।
কৃতাঞ্জলি হুইয়া ৰাজা লাগিল পুছিত ॥৫৩৯

বোলন্ত সৱাকে নমস্কাৰ একে থানে।
পুছোঁহোঁ সবাতে সমজ্যাত আছা যানে ॥
প্ৰথমে পূজিয়া কাক দিবো অৰ্ঘ্যদান।
কহিয়োক সবে কোনজন অগ্ৰমান ॥৫৪০

শুনি সভাসদে অন্যে অন্যক চাহন্ত।
কাক আগে পূজিৱন্ত বিচাৰি নাপান্ত ॥
অদ্ভুত সমাজ দেখি সবাৰো বিস্ময়।
নমাতন্ত কেহো অন্য অন্যে কৰি ভয় ॥৫৪১

ব্ৰহ্মা হৰ আদি কৰি দেৱ অসংখ্যাত।
মহা মহা ঋষি সব আছন্ত সভাত ॥
ভীষ্ম আদিকৰি আছা অনেক মহন্ত।
বড় বড় ৰাজাগণ সভাত আছন্ত ॥৫৪২

বাসুকি প্ৰমুখ্যে বড় বড় নাগগণ।
আনো আনো অসংখ্যাত মহা মহা জন ॥
অনেক নিমিত্তে কেহো সাহস নপান্ত।
বস্ত্ৰে মুখ ঘূৰিয়া সবাকো সবে চান্ত ॥৫৪৩

কাকো কেহো কৰিবাক নপাৰি নিয়ম।
আছা কতোক্ষণ সৱে পৰিয়া নিজম ॥
অসুখ অশান্তি আতি ৰাজাৰ মনত।
কিবা কৰিৱন্ত একো নপাৰন্ত তত্ত্ব ॥৫৪৪

নমাতি আছন্ত সবে পৰিয়া অবাক ।
আগে অৰ্ঘ্য দিয়া ৰাজা পূজিৱন্ত কাক ॥
হেন তথ্য কৰিবাক নপাৰিল কেৱ ।
দেখি বস্ত্ৰ কাছি উঠিলন্ত সহদেৱ ॥৫৪৫

পৰম পণ্ডিত সৰ্ব্বজান মহাধীৰ ।
বুদ্ধিত সুধীৰ শান্ত গহীন গম্ভীৰ ॥
যুধিষ্ঠিৰ নৃপতিক মাতিবাক লৈলা ।
বোলন্ত নৃপতি তুমি বাউল যেন ভৈলা ॥৫৪৬

সৰ্ব্বজান হুইয়া বুদ্ধি হৰুৱালা কিক ।
আজি কেনে ভৈলা তুমি মূৰ্খতো অধিক ॥
তন্ধ হুইয়া আছা শ্ৰুতি জ্ঞান হৰুৱাই ।
কৃষ্ণক নকৰি পূজা কিবা আছা চাই ॥৫৪৭

ভকতসৱৰ পতি প্ৰভু ভগৱন্ত ।
এহেন্তেসে শ্ৰেষ্ঠ অগ্ৰমান্য অৰিহন্ত ॥
জগত প্ৰসিদ্ধ এন্তে সৰ্ব্বদেৱময় ।
ইহাঙ্ক পূজিলে জগতৰে পূজা হয় ॥৫৪৮

দেশ কাল ক্ৰতু মন্ত্ৰ তন্ত্ৰ ধন যত ।
অগনি আহুতি পাত্ৰ ঋত্বিজ সমস্ত ॥
জ্ঞান সাঙ্খ্য যোগধৰ্ম্ম কৰ্ম্ম সমস্তৰ ।
কেশৱেসে পৰমাৰ্থ আত্মা জগতৰ ॥৫৪৯

অনাদি অনন্ত এক ঈশ্বৰ পৰম ।
জগততে দ্বিতীয় নাহিকে যাক সম ॥
জনম মৰণ একো নাহিকে যাহাৰ ।
জগত জনক কৃষ্ণ পুৰুষতে সাৰ ॥৫৫০

আপন আশ্রয় ইটো জগত যতেক ।
সৃষ্টি স্থিতি লয় আৰ কৰন্ত প্ৰত্যেক ।।
যাহাৰ নিমিত্তে ইটো লোক নিৰন্তৰে ।
নানাবিধ ৰূপাশ্ৰয় কৰ্ম্মক আচৰে ।।৫৫১

যিহেতু কৃষ্ণেসেপৰমাত্মা জগতৰ ।
সিহেতু অনেক বিধে চেষ্টা কৰে নৰ ।।
অন্যথা যতেক জড়বস্তু অচেতন ।
এতেকেসে কৃষ্ণ এন্ত জগত কাৰণ ।।৫৫২

যত কৰ্ম্মফল মানে অধীন কৃষ্ণৰ ।
কৃষ্ণ তুষ্ট ভৈলে তুষ্ট হোৱে চৰাচৰ ।।
জানিয়া নৃপতি তুমি থিৰ কৰা মন ।
কৃষ্ণক দিয়োক ইটো মহা অৰিহণ ।।৫৫৩

কৃষ্ণক পূজন্তে যিটোজনে দেই হাক ।
সত্য কৰি বোলো ছুইবে যোগ্য নুহি তাক ।।
পৰম অধম আৰ নাহি তাত পৰে ।
জানিবা আপুনি আত্মঘাত কৰি মৰে ।।৫৫৪

সিসবৰ মত মানে নধৰি মনত ।
কৰা পূজা কৃষ্ণৰ অভয় চৰণত ।।
সৰ্ব্বভূত আত্মা ভেদ শূন্য ভগৱন্ত ।
তাহাঙ্ক পূজিলে ফল হৈবে অপৰ্য্যন্ত ।।৫৫৫

কৃষ্ণক বৰ্ণান্তে চিত্ত কৃষ্ণতে মজিল ।
পৰম ঈশ্বৰ তান জ্ঞান উপজিল ।।
সাম্প্ৰতে দেখন্ত জগতকে কৃষ্ণময় ।
এড়িলেক মায়া ভৈল প্ৰসন্ন হৃদয় ।।৫৫৬

পৰম আনন্দে নয়নৰ বহে নীৰ ।
প্ৰেমৰ বেগত ভৈল পুলক শৰীৰ ।।
নকৰন্ত কাহাকো কটাক্ষ লয়লেশ ।
উৰ্দ্ধ্ববাহু হুইয়া বীৰে বলিগিলা আশেষ ।।৫৫৭
আনন্দৰ ভৰে পাছে মৌন হুইয়া ৰৈল ।
শুনি সভাসদৰ আনন্দ আতি ভৈল ।।
ব্ৰহ্মাহৰ আদি কৰি যতেক আছন্ত ।
সহদেৱ মহন্তক সৱে প্ৰশংসন্ত ।।৫৫৮
সাধু সাধু সহদেৱ পণ্ডিত উত্তম ।
নাহি সৰ্ব্বজান জগততে তুমি সম ।।
বুদ্ধিহীন আমি যত সমস্তে অজ্ঞান ।
তুমিসি সবাকে মহাজ্ঞান দিলা দান ।।৫৫৯
কোটি কোটি ব্ৰহ্মাণ্ডৰ কৃষ্ণেসে ঈশ্বৰ ।
তাহানে অধীন আমি যত চৰাচৰ ।।
হেন ঈশ্বৰকো নুৰাৰিলোঁ তৰ্কিবাক ।
তুমিসি কৰিলা আজি উদ্ধাৰ আম্মাক ।।৫৬০
আজি যেবে সৱে আমি তোম্মাক নপাওঁ ।
অজ্ঞান সাগৰ মাজে পৰি তল যাওঁ ।।
পৰম ঈশ্বৰ জ্ঞান নৌকা দিয়া দান ।
তুমিসি কৰিলা সমস্তকে পৰিত্ৰাণ ।।৫৬১
আসিয়াছোঁ আমি এন্তে কৃষ্ণক দেখিত ।
তথাপিতো আমিসৱে ভৈলোঁ বিমোহিত ।।
আগতে কৃষ্ণক দেখি নজানিলো কেৱে ।
জ্ঞানদীপ দিয়া দেখাইলন্ত সহদেৱে ।।৫৬২

ভীষ্মে আসনৰ উঠি অনেক সাদৰি।
সহদেৱ মহন্তক সাবটিয়া ধৰি ॥
মুখে মুখ দিয়া চুমা দিলা মহাধীৰে।
বুকে চাপি আনন্দে ঘ্ৰাণিলা তান শিৰে ॥৫৬৩
হৰিষ লোতকে তান তিয়াইলন্ত তনু।
পৰম স্নেহত প্ৰশংসিলা পুনু পুনু ॥
কৃষ্ণক নজানি সৱে বংশে যাওঁ তল।
কৰিলে উদ্ধাৰ আজি কুলক সকল ॥৫৬৪
আমাৰ কুলত তঞি ভৈলি বংশধৰ।
উত্তম ভকত তত্ত্ব জানিলি কৃষ্ণৰ ॥
বেদতো ৰহস্য বাপ তোহোৰ যুগুতি।
এহিমতে সৱে তাঙ্ক কৰিলন্ত তুতি ॥৫৬৫
শুনি যুধিষ্ঠিৰে জগতৰে সাধুবাদ।
গুচিল চিত্তৰ তান যতেক বিষাদ ॥
বুজি সভাসদৰ হিয়াৰ অভিপ্ৰায়।
কৰি সহদেৱক প্ৰশংসা মহাৰায় ॥৫৬৬
কৃষ্ণত ঈশ্বৰ জ্ঞান ভৈল বিপৰীত।
প্ৰেমৰসে আকুল কৰিলে তান চিত্ত ॥
কৃষ্ণ পদপঙ্কজে পড়িলা দণ্ডবতে।
প্ৰণামিয়া ষড়ৰ্ঘে পূজিলা ভাল মতে ॥৫৬৭
প্ৰণতি পূৰ্বক ৰাজা অনেক সাদৰি।
প্ৰীতি ভাৱে কৃষ্ণক ধুৱাইলা দুইও ভৰি।
জগত পৱিত্ৰকাৰী পাদোদক জলে।
৮ ভাৰ্য্যা ভাতৃ অমাত্য সহিতে কুতূহলে ॥৫৬৮

সকুটুম্বে হৰিষে শিৰত লৈলা আনি।
আনন্দতে নৃত্য কৰিলন্ত মহামানী ॥
জগত পৱিত্ৰকাৰী কৃষ্ণ পদজল।
ব্ৰহ্মা আদি দেৱে লৈলা কৰি কৌতূহল ॥৫৬৯
সমস্ত সভাৰ শিৰে সিঞ্চিলে হৰিষে।
নিস্তৰিলোঁ বুলি ৰঙ্গ কৰে দশো দিশে ॥
অনন্তৰে যুধিষ্ঠিৰে কৃষ্ণক পূজিল।
চতুঃ শ্যাম অঙ্গৰাগে শৰীৰ ৰঞ্জিল ॥৫৭০
সুগন্ধ পুষ্পৰ অঙ্গ মুণ্ডমালা দিল।
ৰত্নময় অলঙ্কাৰে শৰীৰ মণ্ডিল ॥
কিৰীটি কুণ্ডল হেমহাৰ মনোহৰ।
কেয়ূৰ কঙ্কণ কাঞ্চি নূপুৰ পাৱৰ ॥৫৭১
পিন্ধাইলন্ত দিব্য পীতবস্ত্ৰ ৰুচিকৰ।
নানা ৰত্ন মহাধন দিলন্ত বিস্তৰ ॥
হয় হস্তী ৰথ দোলা দিলন্ত বহুত।
আপোনাকো হৰিষে অৰ্পিলা কুন্তীসুত ॥৫৭২
প্ৰেমত নেত্ৰৰ বহে আনন্দ লোতক।
নপাৰন্ত নৃপতি চাহিবে মাধৱক ॥
পূজি পুনৰপি দণ্ডৱতে পড়িলন্ত।
কৃষ্ণপদ পঙ্কজৰা মাথাত লৈলন্ত ॥৫৭৩
আখি মুখে ঘষি হৃদয়ত ধৰি আনি।
কান্দি কতো বেলি পাছে বুলিলন্ত বাণী ॥
কিনো ধন্য কিনো ধন্য মোহোৰ জীৱন।
ভৈলো মঞি আজি কৃতকৃত্য নাৰায়ণ ।৫৭৪

আজি কিনো মিলিল মোহোৰ মহাভাগ।
ঈশ্বৰ কৃষ্ণক পূজিবাক পাইলো লাগ ॥
যিটো দেৱ সৱাৰো দুৰ্লভ দৰিশন।
কিনো মোৰ ভাগ্য হেন অৰ্চিলো চৰণ ॥৫৭৫
ৰাজাৰ ভকতি দেখি সভাসদ যত।
সবাৰো ঈশ্বৰ জ্ঞান মিলিল কৃষ্ণত ॥
হুইয়া আছে বোধ সহদেৱৰ বচনে।
কৃষ্ণৰ নিৰ্গুণ সিটো মূৰ্তি দৰশনে ॥৫৭৬
মায়া বন্ধ খণ্ডিল গুচিল অহঙ্কাৰ।
নমো জয় কৃষ্ণ বুলি কৰন্ত জোকাৰ ॥
দশো দিশে জয় ৰোল উৰ্মি উথলিল।
অঞ্জলি ভৰিয়া দিব্য পুষ্প বৰষিল ॥৫৭৭
যৈত যিবা লোক আছিলেক যেনমতে।
তৈতে তৈতে কৃষ্ণক নমিলা দণ্ডৱতে ॥
হে কৃষ্ণ ত্ৰাহি ত্ৰাহি ৰোল মাত্ৰ শুনি।
হংসে যেন ৰাৱ কাঢ়ে সৰোবৰ ছানি ॥৫৭৮
উঠি উঠি পুনৰপি দণ্ডৱতে পৰে।
কৰি কৃতাঞ্জলি নম্ৰভাৱে স্তুতি কৰে ॥
ঈশ্বৰ কৃষ্ণক আমি ভৈলো পৰিচয়।
কিনো আজি আহ্মাৰ মিলিল ভাগ্যোদয় ॥৫৭৯
এহিমতে ব্ৰহ্মা আদি কৰি স্তুতি নতি।
শুনি দমঘোষসুত পৰম দুৰ্মতি ॥
কৃষ্ণৰ বিপক্ষ শিশুপাল দুৰাচাৰ।
কৃষ্ণক পূজন্তে গাৱ নসহিল তাৰ ॥৫৮০

## ঝুমুড়ি

শিশুপাল নিদাৰুণ ।
শুনিয়া কৃষ্ণৰ গুণ ॥
উপজিল ক্ৰোধ ভাৰ ।
কম্পয় সকলে গাৰ ॥৫৮১

কোপে আখি আৰকত ।
বসি আছে আসনত ॥
উঠিল তেখনে নষ্ট ।
কৃষ্ণক কৰিয়া কষ্ট ॥৫৮২

বাহু তুলি উপৰক ।
গৰ্জ্জে আতি মাধৱক ॥
গৰ্ব্ব মদে দুৰাশয় ।
কাহাকো নকৰে ভয় ॥৫৮৩

আপন পুৰুষ বাক ।
শুনাই সবে সমজ্যাক ॥
ক্ৰোধে মাতিবাক লৈল ।
কিনো বিপৰীত ভৈল ॥৫৮৪

বেদৰ বচন যত ।
সিও দেখো ভৈল হত ॥
যিটো দুৰাশয় কাল ।
আতো আৰ নাহি ভাল ॥৫৮৫

যেবে সত্য স্বৰূপত।
তেবে কেনে বৃদ্ধ যত ॥
ছৱালৰ বচনত।
ভৈল সবে বুদ্ধি হত ॥৫৮৬

বৃদ্ধৰো চলিল চিত্ত।
ইসে ভৈল বিপৰীত ॥
মহাৰাজা যুধিষ্ঠিৰ।
গহিন গম্ভীৰ ধীৰ ॥৫৮৭

যজ্ঞৰ সমাজ পতি।
আম্মাক আনিলে মাতি ॥
কদৰ্থনা কৰিবাক।
আনিলেক সমজ্যাক ॥৫৮৮

ছৱালৰ বাক্য ধৰে।
সবাকো অমান্য কৰে।
আম্মাবো জীৱন ধিক।
সভাক আসিলে কিক ॥৫৮৯

কোন যুদ্ধে জিনিলেক।
আমাসাক আনিলেক ॥
কুটুম্বিতা নিমিত্তত।
আসি আছো সমাজত ॥৫৯০

সাধিলে তাহাৰ কাজ।
সভাত দিলেক লাজ ॥
এহি মতে দুৰাচাৰ।
কৰি মহা অহঙ্কাৰ ॥৫৯১

সভাক সম্মুখ ভৈল ।
কৃষ্ণক নিন্দিবে লৈল ।।
শুনা সভাসদ লোক ।
জন্মৰ সাফল হৌক ।।৫৯২
মাধৱৰ নাম গুণ ।
কলিত পৰম পুণ্য ।।
জানি আন তেজি কাম ।
নিৰন্তৰে বোলা ৰাম ।।৫৯৩

---

## পদ

সবাক সম্মুখি শিশুপাল দুৰাশয় ।
বোলে শুনা শুনা ওৰা সভাসদচয় ।।
তোৰা সৱে শ্রেষ্ঠ পাত্র বুদ্ধিত সাগৰ ।
নধৰিবা কেহো ইটো বাক্য বালকৰ ।।৫৯৪
আতি শিশু মতি সহদেৱ মূঢ়জন ।
কেনমতে সাদৰিলা ইহাৰ বচন ।।
নতো দেখে সমাজ নজানে ব্যাৱহাৰ ।
বোলে উপকাৰী কৃষ্ণ কুটুম্ব আম্মাৰ ।।৫৯৫
ইহাৰ প্রসাদে সুখে আছোঁ হেন জানে ।
তাতেসে কৃষ্ণক ইটো বৰ বুলি মানে ।।
তুমি সব সভাসদ পতি মহাজন ।
কিসক সাদৰা সৱে ইহাৰ বচন ।।৫৯৬

নুহি যোগ্য কৃষ্ণ ইটো অগ্র অবিহনে ।
নেদিবা সন্মত তুমি সৱ মহাজনে ॥
জগততে শ্রেষ্ঠ দুই ব্রহ্মা মহাদেৱ ।
যাহাৰ চৰণ সুৰাসুৰে কৰে সেৱ ॥৫৯৭
জগত কাৰণ দুইও দেৱতে উত্তম ।
ব্রহ্মাণ্ডতো নাহি ইটো দুইহন্তকো সম ॥
প্ৰথমে নকৰি পূজা আৰা দুইহন্তক ।
কমন যুগুতি পূজা কৰিলা কৃষ্ণক ॥৫৯৮
ব্যাসক প্ৰমুখ্যে মহা মহা ঋষিগণ ।
জপ তপ বিদ্যা ব্রত ধৰি সৰ্ব্বক্ষণ ॥
জ্ঞান বলে নষ্ট কৰি কল্মষ সমস্ত ।
নুগুচয় সৰ্ব্বকালে সমাধি ব্ৰহ্মত ॥৫৯৯
বেদত পাৰ্গত ব্রহ্মনিষ্ঠ সৰ্ব্বদাই ।
লোকপাল সবে পূজা কৰে যাক পাই ॥
যাক পূজা কৰিলে অনন্ত গুণ ফল ।
কেনে মান্য যোগ নুহি ইহাৰা সকল ॥৬০০
পুৰন্দৰ আদি দিকপাল গণ যত ।
কেনে মান্যবিহ অৰা নুহি সমাজত ॥
বাসুকি প্ৰমুখ্যে আছা মহা মহা নাগ ।
আৰা কেন যোগ্য নোহে দিতে অগ্ৰভাগ ॥৬০১
দ্ৰোণ কৃপ আদি কৰি ব্ৰাহ্মণ সমস্ত ।
আৰা কোন যোগ্য নোহে প্ৰথম মান্যত ॥
মহাবলী ভীষ্ম কুলবৃদ্ধ সৰ্ব্বজান ।
পৰম মহন্ত কুৰুকুলতে প্ৰধান ॥৬০২

যাত পৰে ক্ষত্রি আন নাহি পৃথিৱীত।
এন্তে নুহি কেনে অগ্রমান্যক উচিত ॥
সনক সনন্দ আদি যোগী যত মান।
আৰা কোন উচিত নুহিকে অগ্রমান ॥৬০৩

পৃথিৱীৰ যত মহা মহা ৰাজাগণ।
আৰা কেনমতে নুহি অগ্র অৰিহণ ॥
আছা আনো সমাজত অনেক মহন্ত।
আৰা সৱে কোন অগ্রভাগ নাবিহন্ত ॥৬০৪

যত অগ্রমান্য মানে তেজিল সকল।
পৰম অধম কৃষ্ণ কুলৰ পাংশুল ॥
আক পূজিবাক সৱে অনুমতি দিলা।
কেনমতে কৃষ্ণে অগ্রমান্য অৰিহিলা ॥৬০৫

কিবা হেতু পূজা আগে কৰিল কৃষ্ণক।
যেন হবির্ভাগ আনি দিলেক কাকক ॥
বর্ণাশ্রম কুলত বাহিৰ অনাচাৰ।
সৰ্ব্ব ধৰ্ম্মহীন একো নাহি ব্যাৱহাৰ ॥৬০৬

ইহাৰ দোষক মই বৰ্ণাইবোহোঁ কত।
সৰ্ব্বকালে ইটো অধৰ্ম্মত মাত্র ৰত ॥
নাহি একো গুণ স্বেচ্ছাচাৰে প্রবৰ্ত্তয়।
কেনমতে ইটো অগ্রমান্য অৰিহয় ॥৬০৭

ইহাৰ কুলক সপি আছন্ত যযাতি।
মহাজন সবাৰ বাহিৰে ইটো আতি ॥
অভক্ষ ভক্ষণে আৰ ৰতি সৰ্ব্বক্ষণ।
ভৈল কেনমতে ইটো অগ্র অৰিহণ ॥৬০৮

ব্ৰহ্ম ঋষি সবে সেৱা কৰে যি দেশক।
তাক তেজি আশ্ৰয় কৰিল সমুদ্ৰক ॥
পুণ্য-ভূমি মানে এড়িলেক দুৰাশয়।
মহাদুৰ্গা থানে থাকি প্ৰজাক পীড়য় ॥৬০৯

মনুষ্যৰ শত্ৰু আৰ নাহি আত পৰে।
ডকা দিয়া লোকক ফুৰয় নিৰন্তৰে ॥
লুড়ি পুড়ি কাটি মাৰি সৰ্ব্বস্বক লই।
দুৰ্গম সমুদ্ৰ মাজে পলাই থাকে গই ॥৬১০

সমস্ত লোকৰ ইটো অনৰ্থৰ মূল।
আন কোন আপুনাৰো বধিলে মাতুল ॥
জগতৰ যত পাপ হেতু উপজিল।
স্ত্ৰী জাতি পুতনাকো ছোটতে মাৰিল ॥৬১১

আত পৰে জগততো নাহি পাপকাৰী।
গো বধ কৰিয়া আছে অৰিষ্টক মাৰি ॥
কামাতুৰ হুইয়া সম্বন্ধকো নিবিচাৰি।
কৰিলেক প্ৰতিগ্ৰহ যত গোপ নাৰী ॥৬১২

দুৰ্ব্বিনীত হুইয়া যত বেদকে লঙ্ঘিল।
গোৱালৰ স্ত্ৰীক নিয়া কান্ধত বহিল ॥
লোভাবিষ্ট হুইয়া গোৱালৰ ঘৰে ফুৰি।
দধি দুগ্ধ লৱণু খাইলেক কৰি চুৰি ॥৬১৩

বহু বল্কী অবমানী মূৰ্খ অপণ্ডিত।
নুহি আক ইটো পূজা কৰিবে উচিত ॥
বেদ শাস্ত্ৰ নজানে নমানে গুৰুজন।
দিল কেনমতে আক অগ্ৰ অৰিহণ ॥৬১৪

বধি আছে অকাৰণে অনেক জনক ।
আছোক মনুষ্য হিংসা কৰিলে দেৱক ॥
অবগৰ্ব্বে দেৱকো কৰিলে অনাদৰ ।
আপুনি ভুঞ্জিলে ইটো যাগ বাসবৰ ॥৬১৫

হেনসে দুৰ্ম্মতি দেৱ দ্বিজকো নমানে ।
আপুনাৰ সুহৃদক বধি আছে প্ৰাণে ॥
মাৰিলে ইটো নিজ পুত্ৰ নৰকক ।
তাৰ স্ত্ৰীক মানে ইটো আনিলে ঘৰক ॥৬১৬

খুল্লাৰ নগণি ব্যৱহাৰকো লঙ্ঘিল ।
পেসীৱতী বহিনীক বিবাহ কৰিল ॥
পৰম কপটী আৰ নাহি আত পৰে ।
চিত্তত থাকয় আন কাৰ্য্য আন কৰে ॥৬১৭

কেইবা কৰ্ত্তব্য অকৰ্ত্তব্য কিবা হয় ।
কাৰ্য্যাকাৰ্য্য ভাল মন্দ সৱে সম্ভৱয় ॥
হেনয় জনকো আনি অগ্ৰমান্য দিল ।
ইসে বিপৰীত ইটো অন্যায় মিলিল ॥৬১৮

এহিমতে আনো আনো অভদ্ৰ সকল ।
বোলে শিশুপাল নষ্ট মতি অমঙ্গল ॥
ভাল মন্দ একো নুবুলিয়া ভগৱন্ত ।
প্ৰসন্ন বদনে হাস্যে বসিয়া আছন্ত ॥৬১৯

গহীন স্বভাৱে হৰি আছা যেন মেৰু ।
শিশুপালে আৰাৱ কৰয় যেন ফেৰু ॥
প্ৰমত্ত কেশৰী যেন ভগৱন্ত হৰি ।
পৰম গম্ভীৰ ভাৱে আছা ধৈৰ্য্য ধৰি ॥৬২০

যতেক নিন্দিল শিশুপাল মন্দমতি।
উলটাইয়া স্তুতি কৰিলন্ত সৰস্বতী ॥
নোহে নিন্দা স্বৰূপত কৰিলে কীৰ্ত্তন।
পৰম সন্তোষ মন ভৈলা নাৰায়ণ ॥৬২১

পূৰ্ব্বৰ বচন হৰি মনে সুমৰিল।
যিকালত ইটো শিশুপাল উপজিল ॥
তিনি চক্ষু চাৰি হাত সহিতে জন্মিল।
অনন্তৰে আকাশত বচন শুনিল ॥৬২২

ইটো ছৱালৰ এক আখি দুই হাত।
গুচে ততকালে জানা যাহাৰ কোলাত ॥
তাহাৰে হাততে ইটো মৰিব নিশ্চয়।
হেন শুনি সবন্ধু বান্ধৱে ভৈলা ভয় ॥৬২৩

পৃথিৱীৰ ৰাজাগণ যতেক আছিল।
সবাৰো হাতত নিয়া ছৱালক দিলা ॥
কাহাৰো কোলাত নুগুচিল চক্ষু হাত।
অনন্তৰে লৈলা গৈয়া মাধৱে কোলাত ॥৬২৪

এক আখি দুই হাত লুকাইল তেখনে।
দেখি দমঘোষ গৈয়া পৰিল চৰণে ॥
ভাৰ্য্যা সমে মাধৱক কৰয় কাতৰ।
বোলে প্ৰভু আমাক দিয়োক পুত্ৰ বৰ ॥৬২৫

দিনে দশ দোষ আৰ ক্ষমিবাহা জানি।
মাধৱে বোলন্ত পেসী শুনা মোৰ বাণী ॥
দিনে একশত দোষ ক্ষমিবো ইহাৰ।
একশতাধিক ভৈলে চিন্তিবোহো মাৰ ॥৬২৬

শুনি সকুটুম্বে আতি ভৈগৈল সন্তোষ।
একশতাধিক কিবা কৰিবেক দোষ ॥
সেহি বচনক মনে সুমৰিয়া হৰি।
শত পত্র পদ্মপুষ্প গোট হাতে ধৰি ॥৬২৭

পৰম আনন্দে ধৈৰ্য্য মনে হৰি হাসি।
প্ৰত্যেক গালিতে খসাৱন্ত একো পাশি ॥
একশতাধিক জানিবাক ভগৱন্ত।
পদ্মৰ পাশিত তাৰ দোষক গণন্ত ।৬২৮

ভগৱন্ত ঈশ্বৰৰ শুনিয়া নিন্দন।
কৰ্ণত অঙ্গুলি দিয়া সভাসদগণ ॥
মহাদুঃখে সমজ্যাৰ ভৈলন্ত অন্তৰ।
নিন্দা শুনি তথাৰ নুগুচে বিটো নৰ ॥৬২৯

নিজ পুণ্যচয় ভ্ৰষ্ট হুইয়া সিটো জন।
পাপক সঞ্চিয়া কৰে অধোক গমন ॥
ভগৱন্ত কৃষ্ণৰ ভকত যত নৰ।
কোপে শিশুপালক সপন্ত নিৰন্তৰ ॥৬৩০

পাছে পাণ্ডুসুত সবে শুনি অহঙ্কাৰ।
কাছি পাৰি সবে উঠিলন্ত সমজ্যাৰ ॥
মৎস্যগণ কৈকেয় সৃঞ্জয় আছে যত।
অস্ত্র শস্ত্র ধৰি সবে উঠিল সমস্ত ॥৬৩১

আম্মাৰ প্ৰভুক মন্দ বোলে দুৰাশয়।
মহাকোপ কৰি শিশুপালক গৰ্জ্জয় ॥
আম্মাৰ আগতে ঈশ্বৰক নিন্দা কৰে।
বধিবাক মনে কোপ কৰি নিৰন্তৰে ॥৬৩২

ধৰ মাৰ বুলি তাক ধাইলন্ত যতনে।
দেখি খঙ্গে শিশুপালে ধাইলেক তেখনে ॥
হাতে খাণ্ডাবাৰু ধৰি পৰম আটোপে।
কৃষ্ণ পক্ষ সমস্তক গালি পাৰে কোপে ॥৬৩৩

নজানস কাহাক জোঙ্কাস ৰহ ৰহ।
তোৰা সকলৰ আজি ভাঙ্গো মহ মহ ॥
হাতে খাণ্ডা ধৰি সভা মধ্যত নিৰ্ভয়।
বিপক্ষসৱক খেদি আসে দুৰাশয় ॥৬৩৪

হেনদেখি আথে বেথে প্ৰভু নাৰায়ণে।
আসনৰপৰা উঠিলন্ত তাৰক্ষণে ॥
বোলন্ত মনত মহা মিলিল আপদ।
ইটো শিশুপাল ৰাজা মোৰ পাৰিষদ ॥৬৩৫

নাজানে পাণ্ডৱ সৱে ইহাৰ মহত্ত্ব।
মোহোৰ সমান বল আছয় গাৱত ॥
এতিক্ষণে একেতিলে সৱাকো মাৰিব।
সকলো পাণ্ডৱে মিলি আক কি কৰিব ॥৬৩৬

এহিবুলি পৰম সত্বৰে দেৱ হৰি।
নিজ পক্ষ সমস্তক নিবৰ্তাইলা ধৰি ॥
বোলন্ত তোমৰা কিছু নুবুলিবা আক।
যতকে লাগয় গালি পাৰোক আম্মাক ॥৬৩৭

আপনি সাধিবোঁ আপোনাৰ প্ৰয়োজন।
এহি বুলি হাতে চক্ৰ ধৰি নাৰায়ণ ॥
খেদি আসিবাক লাগি আছে শিশুপাল।
চক্ৰহানি শিৰ কাটিলন্ত তত কালে ॥৬৩৮

শিশুপাল ৰাজা হত ভৈল যি বেলাত ।
মহা কোলাহল ৰোল মিলিল সভাত ॥
তাৰ লগৰীয়া ৰাজাগণ আছে যত ।
জীওঁ বুলি প্ৰাণ ৰাখি পলাইল সমস্ত ॥৬৩৯

চৈদ্য দেহ হন্তে জ্যোতি পুঞ্জ উঠি আসি ।
উল্কা শিখা যেন দশো দিশক প্ৰকাশি ॥
কৃষ্ণৰ চৰণে আসি পৰিয়া মিলাইল ।
সৰ্বজনে দেখিলা কৃষ্ণৰে ৰূপ পাইলা ॥৬৪০

পীত বস্ত্ৰে জ্বলে শ্যাম তনু ৰুচিকৰ ।
ৰত্নময় অলঙ্কাৰে জ্বলে কলেবৰ ॥
কঙ্কণ কেয়ূৰে জ্বলে চাৰু চাৰি হাত ।
শঙ্খ চক্ৰ গদা পদ্ম চাৰি অস্ত্ৰ তাত ॥৬৪১

কিৰীটি কুণ্ডল হাৰ গলে বনমালা ।
কনক কিঙ্কিণী বাজে কটিত মেখলা ॥
নয়ন কোমল মুখ চন্দ্ৰৰ মণ্ডল ।
ৰত্নৰ নূপুৰে পাদ পঙ্কজ উজ্জ্বল ॥৬৪২

কৃষ্ণৰ শৰীৰে এবে চিনন নযায় ।
শ্ৰীবৎস কৌস্তুভ দুই চিহ্ন মাত্ৰ নাই ॥
প্ৰদক্ষিণে পড়িয়া প্ৰণামি মাধৱক ।
পৰম সানন্দে চলি গৈল বৈকুণ্ঠক ॥৬৪৩

বুলিবা কৃষ্ণৰ ইটো নিন্দিলে অশেষ ।
কেনমতে পাইল ইটো মাধৱৰ বেশ ॥
পৰম আশ্চৰ্য্য ইটো কথা বিপৰীত ॥
ইহাৰ উত্তৰ শুনিয়োক পৰীক্ষিত ॥৬৪৪

যাক যিটোজনে চিন্তি থাকে অনুক্ষণ।
তাহাৰে স্বৰূপ ৰূপ পাৱে সিটো জন ॥
ভৱনাগে ভয়ৰ কাৰণ নৃপবৰ।
শুনিয়োক ইহাৰ সাক্ষাতে পটন্তৰ ॥৬৪৫

যেন বাঘ পৰুৱা ধৰিয়া পোকা যত।
নমাৰি জীয়ন্তে নিয়া থৱয় বাগত।
বাঘ পৰুৱাকে পোকে চিন্তয় ভয়ত।
জীৱন্ততে তাৰ ৰূপ পাৱয় সমস্ত ॥৬৪৬

সেহিমতে মাধৱক চিন্তিয়া সৰ্বদা।
পাইবেক তাহান ৰূপ ইটো কোন কথা ॥
কহিয়াছোঁ ইহাৰ বৃত্তান্ত কথা যত।
জয় নামে পাৰিষদ আছিল পূৰ্বত ॥৬৪৭

কৃষ্ণৰ ইচ্ছায়ে আসি বিপ্ৰৰ সাপত।
বৈকুণ্ঠৰপৰা উপজায় অসুৰত ॥
হিৰণ্য-কশিপু নামে ভৈল প্ৰথমত।
নৰসিংহ ৰূপে হৰি কৰিলন্ত হত ॥৬৪৮

ভৈল গৈয়া ৰাৱণ দ্বিতীয় জনমত।
ৰাম অৱতাৰে গৈয়া বধিলা ৰণত ॥
ভৈল শিশু পাল আসি তৃতীয় জন্মত ॥
বৈৰভাৱে মাধৱক স্মৰিলে সতত ॥৬৪৯

চিন্তন্তে চিন্তন্তে চিত্তে ভৈল তদাকাৰ।
ইজন্মতো আপনি চিন্তিলা হৰি মাৰ ॥
কৃষ্ণৰ স্বৰূপ পাইয়া বৈকুণ্ঠক গৈলা।
পাৰিষদ হুইয়া পুনু দুৱাৰতে ৰৈল ॥৬৫০

নকৰিবা শঙ্কা কিছু নৃপতি ইহাত।
যেনে তেনে মাধৱক স্মবোক সাক্ষাত ॥
এতেকে কৃষ্ণক পাৱে কৈলোঁ সত্য বাণী।
শুনা এক চিত্তে আৱে প্ৰস্তুত কাহিনী ॥৬৫১

অদ্ভুত দেখিয়া সমজ্যাব লোক যত।
পৰম বিস্ময় হুইয়া গুণন্ত মনত ॥
মহা দুৰাচাৰ শিশুপাল পাপশালী ॥
দেৱভাৱে আতি মাধৱক পাৰি গালি ॥৬৫২

পাইল মহা মোক্ষ যিটো দেৱৰ দুৰ্লভ।
কিনো কৃপাময় কৃষ্ণ ভকত সুলভ ॥
কৃষ্ণৰ দেখিয়া মহা মহিমা সাক্ষাত।
সবাৰে ঈশ্বৰ জ্ঞান ভৈল সিবেলাত ॥৬৫৩

জাত জাত কৰি গাৱ সৱাৰো শিহৰে।
আনন্দত লোতক নয়নৰপৰা পৰে ॥
পিয়ন্ত নয়নে কৃষ্ণ মূৰ্ত্তি অমৃতক।
কুসুম সিঞ্চৰি সৱে প্ৰণামে কৃষ্ণক ॥৬৫৪

জয় জয় কৃষ্ণ বুলি প্ৰশংসা কৰন্ত।
আপনাৰো পৰম ভাগ্যক বখানন্ত ॥
শত্ৰু বুদ্ধি স্মৰি যাক তৰে পাপী জন।
কিনো ভাগ্য তান আসি দেখিলোঁ চৰণ ॥৬৫৫

এহিমতে মাধৱক প্ৰশংসিল তথা।
আত অনন্তৰে আবে শুনা পাছ কথা ॥
শুনা সাৱধান চিত্তে সৱে সভাসদ।
অমৃত সমান মহা ভাগৱত পদ ॥৬৫৬

শিশুপাল মোক্ষ কৃষ্ণ লীলা অনুপাম।
কৰ্ণ ভৰি শুনি কৰা দুখ উপসাম ॥
লভিবা মুকুতি পৰলোকতো সাক্ষাত।
বোলা ৰাম ৰাম চিন্তা পাপৰ বিঘাত ॥৬৫৯

---

## ছবি

শুকমুনি নিগদতি        শুনিলাহা কুৰুপতি
পাইল শিশু পালে যেন গতি।
শুনা আবে বিপৰীত        মহা স্নান অদ্ভূত
কহোঁ মঞি তোক্ষাত সম্প্ৰতি ॥
নৃপ শিৰোমণি ধীৰ        যুধিষ্ঠিৰ নৃপতিৰ
যেন মহা মিলিল মহিমা।
ভৈল মহা মহোদয়        কহি কোনে মহাশয়
সাৰশেষে কৰিবেক সীমা ॥৬৬০
তথাপিতো কিছুমান        কহোঁ শুনা বিদ্যমান
ভৈল যেন মহা অভিষেক।
শিশুপাল ৰাজা যেবে        কৃষ্ণপদ পঙ্কজত
ভৈল গৈয়া প্ৰৱেশ প্ৰত্যেক ॥
পাছে যুধিষ্ঠিৰ ৰাজা        কৰিলা পৰম পূজা
ব্ৰহ্মা আদি যতেক আছন্ত।
অনেক প্ৰবন্ধে গন্ধ        চন্দন নৈবেদ্য বহু
বস্ত্ৰ অলঙ্কাৰে অৰ্চিলন্ত ॥৬৬১

ঋত্বিজ সদস্যগণ সবাৰে তুষিল মন
দিয়া দান দক্ষিণা অশেষ।
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰকো কৰিলা মান্য
দিয়া বস্ত্ৰ ভূষণ বিশেষ॥
কৰি পূজা বিপৰীত সবাৰো বঞ্জিলা চিত্ত
সমজ্যাত যতেক আছিল।
ব্ৰহ্মা হৰ আদি কৰি পৰম তৃপিতি হুইয়া
পাণ্ডৱক সৰে প্ৰশংসিলা ॥৬৬২
সুহৃদ সোদৰ যত জ্ঞাতি বন্ধু সমস্তক
কৰাইলন্ত পৰম তৃপিতি।
যথা যোগ্য সাদৰিলা প্ৰিয় বাক্যে সন্তোষিলা
যুধিষ্ঠিৰ ৰাজা অৱহিতি॥
যেৰে ত্ৰিজগতে পুষ্ট ভৈলন্ত পৰম তুষ্ট
যজ্ঞৰ পূৰিলা যত মান।
পৰম উৎসৱ মনে গঙ্গাক চলিলা ৰঙ্গে
কৰিবাক অৱভৃথ স্নান ॥৬৬৩
অনেক দুন্দুভি ঢোল গোমুখ ধুন্ধুৰী ৰোল
শিঙ্গা শঙ্খ মৃদঙ্গ বজায়।
বীণা বেণু কৰতাল কাহাল মহৰি ভাল
ধ্বনি গৈয়া স্বৰ্গক লঙ্ঘয়॥
আনক বিচিত্ৰ বৰ কৰে মহা মহোৎসৱ
বহুবিধ লোকে দৃষ্টভাৱে।
নটীসৱে কৰে নাট চপয় পড়য় ভাট
অনেক গায়নে গীত গাৱে ॥৬৬৪

## দুলড়ি

পতকা বিচিত্ৰ
নানা চিত্ৰ ধ্বজ
অসংখ্য ছত্ৰ চামৰে ।
পদাতি সমস্তে
হয় হস্তী ৰথে
চৌভিতি যোগান ধৰে ॥
কোশল সৃঞ্জয়
কাম্বোজ কৈকেয়
যদু মৎস্য কুৰু বলে ।
নৃপতি সমস্ত
পৃথিৱীৰ যত
চলে চতুৰঙ্গ দলে ॥৬৬৫
আচাৰ্য্য সকল
ঋত্বিজ সদস্য
আগ কৰি যজমান ।
চলন্ত হৰিষে
বেদধ্বনি কৰি
যতেক দ্বিজ প্ৰধান ॥
গন্ধৰ্ব সকল
দেৱ ঋষি পিতৃ
আকাশ পন্থে চলন্ত ।
স্তুতি নতি কৰি
ব্ৰহ্মা প্ৰতি মুখে
শিৰে পুষ্প বৰিষন্ত ॥৬৬৬
চলে ঝুমা ঝুমি
পৰম উৎসৱে
অলঙ্কৃত নৰ-নাৰী ।
গন্ধে বিভুষিত
কুসুম চন্দন
অনেক সহস্ৰ শাৰী ॥

যতেক যুৱতী বেশ্যা লয় লাসে
চলয় মহা উৎসুকে ।
নানা বিধ ৰসে কৰয় বিহাৰ
মনত মহা কৌতুকে ॥৬৬৭

হৰিদ্ৰা কুঙ্কুম তৈল ঘৃত ঘোল
দধি দুগ্ধ গন্ধ জলে ।
মিশ্ৰ কৰি সৱে গাৱত ধমৱ
নৰ-নাৰী কৌতূহলে ॥

পুৰুষ সবক পুৰুষে সিঞ্চয়
নাৰীক সিঞ্চয় নাৰী ।
অন্যো অন্যে মহা ৰস পৰিহাসে
হাসে আতি ৰিঙ্গপাৰি ॥৬৬৮

ৰাজভাৰ্য্যা মানে নানাবিধ যানে
চলয় আনন্দ মনে ।
বহু বিধ কাছে চৌভিতি চলয়
অনেক পুৰুষ যানে ॥

কৃষ্ণৰ মহিষী চলন্ত সকলে
চড়ি দিব্য বিমানত ।
ৰূপে দশো দিশ প্ৰকাশ কৰয়
দেৱী যেন আকাশত ॥৬৬৯

কুন্তী সত্যৱতী দ্ৰৌপদী প্ৰমুখ্য
নাৰী কুৰু পাণ্ডৱৰ ।
অনেক বিহাৰ কৰি কৌতূহলে
চলি যান্ত নিৰন্তৰ ॥

সুবৰ্ণ ৰথত চড়িয়া উৎসৱে
ৰাজেশ্বৰ যুধিষ্ঠিৰ।
লক্ষেক নৃপতি চলয় যোগোৱে
পাইলা গৈয়া গঙ্গাতীৰ ॥৬৭০
পাণ্ডৱ ৰাজাৰ বঢ়ায় উৎসৱ
ভগৱন্ত নাৰায়ণে।
মহা পৰিচ্ছদে ৰাজাক আৱৰি
চলি যান্ত ৰঙ্গ মনে॥
মহা মহোৎসৱ মিলিল অনেক
আনন্দৰ নাহি পাৰ।
শুনা বিপৰীত গঙ্গাৰ তীৰত
কৰিলা যেন বিহাৰ ॥৬৭১

---

## ছবি

অনেক সহস্ৰ নাৰী যুলি বান্ধি শাৰি শাৰি
গঙ্গাকুল সমস্তে ব্যাপিল।
পৰম আনন্দে গৈয়া সুবৰ্ণৰ নোট লইয়া
নোট খেড়ি খেলাইতে লাগিল॥
ৰত্নময় অলঙ্কাৰে কিৰীটি কুণ্ডল হাৰে
সবাৰে প্ৰকাশে অঙ্গছটা।

কুঙ্কুমে ৰঞ্জয় মুখ দেখন্তে সমান সুখ
মুনি মন কটাক্ষে মোহয় ।।৬৭২

পৰিধান মনোহৰ দিব্য বস্ত্ৰ কাঁচলিৰ
মোট জলে সকলে তিতিল ।
কৰন্তে পৰম ৰঙ্গ সৱাৰে দেখন্ত অঙ্গ
বস্ত্ৰ মানে গাৱতে মিলিল ।।
উৎসুকে মেলান চুল খসি খসি পৰে ফুল
হাস্যে মন মোহে মদনৰ ।
দেখি উৰু মধ্য কুচ কাম বাণে ভৈল মুচ
মলমতি মগুধ পামৰ ।।৬৭৩

হৰিদ্ৰা গোৰস তৈলে সুগন্ধ চন্দন জলে
মোট ভৰি লৈয়া নাৰীগণ ।
যতেক দেৱৰগণ লঘু সম্বন্ধীয়া জন
সৱাহাঙ্কে কৰন্ত সেচন ।।
কুন্তী সত্যবতী আদি নাৰী কুৰু পাণ্ডৱৰ
কৃষ্ণৰ মহিষী যত মানে ।
ৰাজভাৰ্য্যাগণ যত পুৰুষকো আনন্দত
বেঢ়ি মোট মাৰে নাকে কাণে ।।৬৭৪

দুৰ্য্যোধন আদি কৰি দেৱৰগৰক আতি
মোটে জলা কলা কৰিলন্ত ।
গাৱত আছাৰে মোট দান্তত ধৰি পাইয়া হেঁটে
দেখি হাসি হাসি কন্দৰ্পন্ত ।।
দধি মোট ভৰি লৈয়া ব্ৰাহ্মণগণক ধৈয়া
বেঢ়ি সবে মোট মাৰে আগ ।

দধি ধৌত হুয়া দাবি  প্ৰকাশন্ত শাৰি শাৰি
দেখি নাৰীগণে তোলে হাসি ॥৬৭৫
সুগন্ধ চন্দন লৈই  আনন্দে দ্ৰৌপদী গৈই
মোটিলা কৃষ্ণৰ চৰণত ।
ৰুক্মিণীও যুধিষ্ঠিৰ  নৃপতিক মোটিলন্ত
পৰম আনন্দ উৎসৱত ॥
অনন্তৰে সখীসৱে  গঙ্গাৰ জলত গৈয়া
কৰিলন্ত অনেক বিহাৰ ।
শুনা নৃপ পৰীক্ষিত  মহোৎসৱ বিপৰীত
অভিষেক পাণ্ডৱ ৰাজাৰ ॥৬৭৬

---

## ছুলড়ী

যত ৰাজাগণ  ৰত্ন সিংহাসন
মাথাত ধৰি আছন্ত ।
তাহাৰ উপৰে  ভাৰ্য্যা সমন্বিতে
যুধিষ্ঠিৰ প্ৰকাশন্ত ॥
লক্ষেক ৰাজাৰ  উপৰে বসিয়া
দ্ৰৌপদী সহিতে দুই ।
ক্ৰিয়া সমে যেন  কৰন্ত প্ৰকাশ
মহাযজ্ঞ ৰাজসূয় ॥৬৭৭

ব্ৰাহ্মণ সকলে পত্নী সংস্ৰো নানে
কৰিলা যাগ বিশেষ।
পূৰ্ণাহুতি দিয়া কৰিলন্ত সাঙ্গ
যজ্ঞৰ অঙ্গ নিশেষ॥

ঋত্বিজ সকলে গঙ্গাৰ জলত
হুইয়া আনন্দিত চিত্ত।
দ্ৰৌপদী সহিতে কৰাইলা ৰাজাক
মহাস্নান অবভৃথ॥৬৭৮

দুইহন্তৰ কেশ এক ঠাই কৰি
ধৰিয়া দ্বিজ সকলে।
চাৰিও বেদৰ মহা মন্ত্ৰ পঢ়ি
অনেক তীৰ্থৰ জলে॥

লক্ষেক নৃপতি গণৰ উপৰে
অভিষেক কৰিলন্ত।
জম্বুদ্বীপ পতি পাতিয়া শিৰত
মহা ছত্ৰ ধৰিলন্ত॥৬৭৯

সেহি সময়ত ভৈল মহোৎসৱ
পৃথিৱী আকাশ ছানি।
দেৱৰো দুন্দুভি নৰৰো দুন্দুভি
একত্ৰে কৰিল ধ্বনি॥

দেৱ মনুষ্যৰ যতেক শবদ
দশো দিশ পুৰি বাৰে।
অপেস্বৰা সবে নাচয় উৎসুকে
গন্ধৰ্ব্ব গায়নে গাৱে॥৬৮০

দেৱ ঋষি পিতৃ মনুষ্য সকলে
পৃথিৱী আকাশে থাকি ।
ব্ৰহ্মা প্ৰীত মুখে পৰম উৎসৱে
পুষ্প বৰিষিল ঢাকি ॥
ত্ৰৈলোক্যৰ মহা মহোৎসৱ ভৈল
আনন্দৰ নাহি পাৰ ।
পাণ্ডৱ ৰাজাৰ মহিমা বখানি
কৰন্ত জয় জোকাৰ ॥৬৮১

জয় নমো কৃষ্ণ কৰুণা সাগৰ
যিটো দেৱতাৰ দেৱ ।
চৰণ পদ্মত কৰো কোটি শত
প্ৰণতি পূৰ্ব্বকে সেৱ ॥
কৰা কৃপা মোক মায়ায়ে ছাড়োক
দুঃখ হৌক উপশাম ।
সমাজিক লোক পাতক ছাড়োক
ডাকি বোলা ৰাম ৰাম ॥৬৮২

—:০:—

## পদ

শুক নিগদতি শুনা নৃপতি প্ৰত্যেক ।
যেবে যুধিষ্ঠিৰ ভৈলা মহা অভিষেক ॥
সিবেলাত ত্ৰৈলোক্যত আনন্দ মিলিল ।
জয় জয় কৃষ্ণ ধ্বনি ব্ৰহ্মাণ্ড পূৰিল ॥৬৮৩

মহা পাৰিছেদে ৰাজা প্ৰকাশ কৰিল।
ত্ৰৈলোক্যৰ লক্ষ্মী যুধিষ্ঠিৰক বৰিল ॥
ছত্ৰ চামৰ ধ্বজ দণ্ড তুলি তুলি।
কৰয় জোকাৰ জয় যুধিষ্ঠিৰ বুলি ॥৬৮৪

পৰম সম্পত্তি আতি দেখন্তে অদ্ভুত।
কোটি ইন্দ্ৰ সম প্ৰকাশন্ত কুন্তী সুত ॥
শ্ৰীমন্ত সুন্দৰ ধৰ্ম্মময় কলেৱৰ।
ভৈল মহাৰাজ ৰাজেশ্বৰ নৃপবৰ ॥৬৮৫

অনন্তৰে গঙ্গাৰ উঠিলা নিৰন্তৰ।
পিন্ধিলন্ত মহা দিব্যবস্ত্ৰ মনোহৰ ॥
মহাৰাজ অলঙ্কাৰ কৰি পৰিধান।
পাছে সমস্তকে কৰিলন্ত বহু মান ॥৬৮৬

ঋত্বিজ সদস্য আদি কৰি যত জন।
সুহৃদ সোদৰ জ্ঞাতি বন্ধু ৰাজাগণ ॥
দিব্যবস্ত্ৰ অলঙ্কাৰ সমস্তকে দিল।
স্নান অনন্তৰে উঠি সকলে পিন্ধিল ॥৬৮৭

সিবেলাত সমস্তকে দেখিয় শ্ৰীমন্ত।
নিৰন্তৰে নৰ দেৱ যেন প্ৰকাশন্ত ॥
মাথাত বন্দিষ মণি কুণ্ডল কৰ্ণত।
অমূল্য ৰতন হেমহাৰ হৃদয়ত ॥৬৮৮

কটিত কাঞ্চীলি গাৱে বিচিত্ৰ বসন।
পিন্ধিল সুগন্ধ পুষ্প অগৰু চন্দন ॥
স্নান কৰি উঠি নিৰন্তৰে নাৰীগণ।
কৰিলন্ত পৰিধান বস্ত্ৰ আভৰণ ॥৬৮৯

বেশ্যাক দিলন্ত পূৰ্ব্ব বস্ত্ৰ অলঙ্কাৰ ।
আছে তাসম্বাৰ পাৰম্পৰ্য্য ব্যৱহাৰ ।।
নিৰন্তৰে নাৰীগণে কৰন্ত প্ৰকাশ ।
যেন দেৱীগণে কৰে স্বৰ্গত বিলাস ।।৬৯০
চন্দ্ৰ সম জলে মুখ কুঙ্কুমে ৰঞ্জিত ।
নিবিড় দশন চাৰু ঈষত হসিত ।।
কুটিল অলক পান্তি কপোলে লম্বিত ।
কুণ্ডলৰ কান্তি গণ্ডস্থল সুমণ্ডিত ।।৬৯১
কটিত প্ৰকাশ কৰে কনক মেখলা ।
কণ্ঠত প্ৰকাশে মণি মুকুতাৰ মালা ।।
কৰে সাতেসৰি হাৰ হিয়াত প্ৰকাশ ।
পিন্ধি শ্বেত নেত শাৰী কৰে লয়লাস ।।৬৯২
নয়নে কজ্জল জলে শিখত সিন্দূৰ ।
বাজে ৰুণ জুণ কৰি পাৱত নূপুৰ ।।
কৰে ৰঙ্গ ঢঙ্গ নিৰন্তৰে নাৰী নৰ ।
গঙ্গাতীৰ হন্তে পাছে গৈলা নিজঘৰ ।।৬৯৩
অৱভৃথ অভিষেক স্নান সাঙ্গ কৰি ।
কৰিলা সৱাক পূজা নৃপতি সাদৰি ।।
পৰম বৈষ্ণৱ ৰাজা ধৰ্ম্মত তৎপৰ ।
পুনু পুনু পূজা কৰিলন্ত নৃপবৰ ।।৬৯৪
ঋত্বিজসৱক পুনু কৰিলা সন্মান ।
বহু ধন সুবৰ্ণ দক্ষিণা দিলা দান ।।
পৰমান্ন পঞ্চামৃত কৰাইলা ভোজন ।
পিন্ধাইলা পুষ্পৰ মালা অগৰু চন্দন ।।৬৯৫

দিব্যবস্ত্র অলঙ্কাৰে শৰীৰ মণ্ডিল ।
বহু বিধ উপস্কৰ সুৱৰ্ণৰ দিল ।।
দেৱাসুৰ মনুষ্যক তৃপিতি কৰাইল ।
ত্রৈলোক্যৰ লোকে মহা আনন্দক পাইল ।।৬৯৬
অনন্তৰে আচাৰ্য্য ঋত্বিজ গুৰুজন ।
ব্রাহ্মণ ক্ষত্রিয় বৈশ্য যত শূদ্রগণ ।।
দেৱ ঋষি পিতৃ সিদ্ধ মুনি নিৰন্তৰ ।
দশদিগপাল আইল যত নৰেশ্বৰ ।।৬৯৭
যক্ষ ৰক্ষ গন্ধৰ্ব্ব চাৰণগণ যত ।
সমস্তে তৃপিতি আতি ভৈলন্ত যজ্ঞত ।।
মহাৰাজ ঋষিবৰ হৰিৰ দাসৰ ।
দেখি তান মহা মহোদয় নিৰন্তৰ ।।৬৯৮
সাদৰ পূৰ্ব্বকে সবে অনুমতি লৈলা ।
স্বকি স্বকি থানে ব্রহ্মা আদি চলি গৈলা ।।
যজ্ঞক ৰাজাক আতি প্রশংসা কৰন্ত ।
নভৈলা তৃপিতি আতি অমৃত পিয়ান্ত ।।৬৯৯
ধন্য ধন্য ধৰ্ম্ম ৰাজা পাণ্ডুৰ তনয় ।
ধন্য ধন্য যজ্ঞ কৰিলন্ত মহাশয় ।।
যাহাৰ কৰ্ম্মত তুষ্ট ভৈল চৰাচৰ ।
এহিমতে প্রশংসিয়া গৈলা নিৰন্তৰ ।।৭০০
পৰম প্রেমত যুধিষ্ঠিৰ নৃপবৰ ।
কৃষ্ণক ৰাখিলা মহা কৰিয়া কাতৰ ।।
সম্বন্ধি বান্ধৱ মহা সুহৃদ সকল ।
অনুৰাগে সৱাকে ৰাখিলা মহাবল ।।৭০১

নৃপতিৰ কাতৰ দেখিয়া ভগৱন্ত ।
পাণ্ডৱয়ৰৰ প্ৰীতি সাধি ৰহিলন্ত ॥
সাত্যকি প্ৰমুখ্যে যত যদুবীৰগণ ।
দ্বাৰকাক সৱাকো পঠাইলা নাৰায়ণ ॥৭০২

ভাৰ্য্যাগণ সমে নৃপতিৰ প্ৰীতি কৰি ।
কতিপয় মাস আছিলন্ত দেৱহৰি ॥
এহিমতে ধৰ্ম্মসুত নৃপতি তিলক ।
কৃষ্ণৰ প্ৰসাদে সুখে কৰিলা যজ্ঞক ॥৭০৩

শুদ্ধস্তৱ মনোৰথ সাগৰ তৰিল ।
চিন্তাজ্বৰ এড়াই মহা কৃতকৃত্য ভৈল ॥
শুকমুনি বোলন্ত শুনিয়ো নৃপবৰ ।
কৃষ্ণৰ চৰণ সেৱা কৰে যিটো নৰ ॥৭০৪

সংসাৰ তৰন্তো তাৰ নাহিকে প্ৰয়াস ।
পৰম আনন্দে কৰৈ বৈকুণ্ঠত বাস ॥
ইহাকো অদ্ভুত নেদেখিবা কদাচিত ।
শুনিয়ো আশ্চৰ্য্য ইটো কথা বিপৰীত ॥৭০৫

মহা মহা পাপী যাৰ নাম লৈয়া তৰৈ ।
ব্ৰহ্মা হৰো যাহাৰ চৰণ সেৱা কৰৈ ॥
কোটি কোটি ব্ৰহ্মাণ্ডৰ ঈশ্বৰ মুৰাৰি ।
মহামুনি সৱো যাক নপাৰে বিচাৰি ॥৭০৬

সনক সনন্দ আদি যাক ধ্যানে ধৰে ।
হেন ভগৱন্তক পাণ্ডৱ নিৰন্তৰে ॥
কৰিল অধীন ভকতিৰ বলে আনি ।
পৰম আশ্চৰ্য্য ইসে জানা মহামানী ॥৭০৭

প্ৰেম ভকতিত আতি আছে বশ্য কৰি।
যেহি বোলে পাণ্ডৱে কৰন্ত তাকে হৰি ॥
হেনয় পাণ্ডৱে কৰিলন্ত ৰাজসূয়।
জানা ইটো নৃপতি আশ্চৰ্য্য কথা নুই ॥৭০৮

কৃষ্ণ পৰায়ণ সন্ত মহন্ত নৃপতি।
অপ্ৰয়াসে যজ্ঞ কৰিলন্ত মহামতি ॥
পৰম তৃপিতি তাত ভৈল সৰ্ব্বজন।
একে মহা দুৰাশয় বিনে দুৰ্য্যোধন ॥৭০৯

পাণ্ডৱসবৰ মহাশ্ৰী বিপৰীত।
দেখি দুৰ্য্যোধনৰ আকুল কৰে চিত্ত ॥
কুৰুকুল ব্যাধি দুৰ্য্যোধন পাপ মতি।
তাক নষ্ট কৰিবাক মনে যদুপতি ॥৭১০

পাণ্ডৱ ৰাজাৰ শ্ৰীক দেখিয়া প্ৰচুৰ।
প্ৰথমতে কলহৰ জন্মিলা অঙ্কুৰ ॥
শুনি আতি আশ্চৰ্য্য বিস্ময় ভৈল চিত।
শুক মহামুনিত পুচিলা পৰীক্ষীত ॥৭১১

শুনিয়োক শুকদেৱ মুনি মহাশয়।
অজাত শত্ৰুৰ দেখি যজ্ঞ মহোদয় ॥
আছিলন্ত পৃথিৱীৰ ৰাজাগণ যত।
সমস্তৰে ভৈল মহা সন্তোষ মনত ॥৭১২

দেৱাসুৰ মুনিগণ যতেক আছিল।
সবাৰো মনত মহাসন্তোষ মিলিল ॥
দুৰ্য্যোধন ৰাজৰ নভৈল ৰঙ্গ তাত।
কহিয়োক গুৰু আৰ কাৰণ সাক্ষাত ॥৭১৩

যতেক কহিলা কথা অমৃত সমান ।
কৰ্ণাঞ্জাল ভৰি সুখে কৰিলোহো পান ॥
তোম্মাৰ মুখৰ কথা শুনিলো বিস্ময় ।
ছেদিয়োক মুনি মোৰ মনৰ সংশয় ॥৭১৪

শুনি শুকে দিলা পৰীক্ষিতক উত্তৰ ।
শুনা দুৰ্য্যোধনৰ দুৰ্ণয় নৃপবৰ ॥
কৰি আছে সভা ময়দানৱে নিৰ্ম্মান ।
দীৰ্ঘে প্ৰস্থে জুৰি ছয় দণ্ডৰ প্ৰমাণ ॥৭১৫

কৰয় প্ৰকাশ দিব্য সভা মনোহৰ ।
নিজ কান্তি কৰে নিন্দা জ্যোতি আদিত্যৰ ॥
উপৰত আছে দিব্য গৃহ জ্যোতি কৰি ।
যেন মহামেঘ খণ্ড আকাশ আবড়ি ॥৭১৬

মণি ৰত্নময় গঢ় প্ৰাঞ্চি সুবিশেষ ।
বিচিত্ৰ উত্তম দ্ৰব্য সম্পূৰ্ণ অশেষ ॥
নানা বহু ধন ৰত্ন সমে প্ৰকাশয় ।
কৰিল অনেক চিত্ৰমতি সন্তময় ॥৭১৭

ব্ৰহ্মাৰ উত্তম সভা সুধৰ্ম্মা কৃষ্ণৰ ।
সিয়ো সম নুহিকে সভাক পাণ্ডৱৰ ॥
বহুবিধ চিত্ৰ আতি কৰিল বিস্তৰ ।
মনোহৰ বিচিত্ৰ নিৰ্ম্মল সৰোবৰ ॥৭১৮

সুৱৰ্ণৰ কমল প্ৰকাশে অসংখ্যাত ।
মণিময় ৰত্ননাল বৈদুৰ্য্যৰ পাত ॥
কাঞ্চন উৎপল ফুলি আছে বহুতৰ ।
হেমময় পক্ষী ৰাৱ কাঢ়ে নিৰন্তৰ ॥৭১৯

ৰত্ন মৎস্য কশ্যপ ফুৰয় চৰি চৰি।
চিত্ৰময় ঘাট ফটিকৰ খাত খৰি ॥
মহামণি শিলা কৰে পাৰত প্ৰকাশ।
স্থৰভী শীতল মন্দ বহয় বতাস ॥৭২০

নানাবিধ ৰত্নময় বৃক্ষ অসংখ্যাত।
পুষ্পিত কাননচয় শোভা কৰে তাত ॥
পুষ্পৰস পিয়া কৰে ভ্ৰমৰে উড়াৱ।
ইন্দ্ৰ নীল ৰত্নৰ কোকিলে তেজে ৰাৱ ॥৭২১

উড়ে জাকে জাকে সুৱৰ্ণৰ চিত্ৰ পক্ষী।
তেজে সুললিত ৰাৱ ফল ফুল ভক্ষি ॥
বিচিত্ৰ নিৰ্ম্মল জলে পুখুৰী বিশেষ।
হংস চক্ৰবাক জাক সৰালি আশেষ ॥৭২২

নানা বিধ জল থল স্থলে ৰত্নময়।
সৰ্ব্বকালে সুৰভী শীতল গন্ধ বয় ॥
বতাসে যোগাৱে বহুবিধ পুষ্প গন্ধ।
পৰম আমোদে মন কৰয় আনন্দ ॥৭২৩

মায়া বলে ময়ে চিত্ৰ কৰিল সকল।
খাল বাম তাত নাকিলিয় জল থল ॥
মহা মনোহৰ সৰ্ব্বোত্তম নিৰুপম।
সিটো দিব্য সভাক জগতে নাহি সম ॥৭২৪

কমনে বৰ্ণাই অন্ত কৰিব সভাক।
বিশ্বস্থজ ময়ে সাজি আছয় যাহাক ॥
সভাৰ মহিমা ৰাজা কহন নযাই।
তিনিও লোকত উপমাক নাহি ঠাই ॥৭২৫

তাৰ মাজে দুৰ্য্যোধন দিনেক পশিল।
অন্তঃপুৰে পাণ্ডৱৰ সম্পত্তি দেখিল॥
ৰাজসূয় মহোদয় দেখি বিপৰীত।
একে তাৰ দগধ কৰণে আছে চিত্ত॥৭২৬

আৰো অন্তঃপুৰে গৈয়া বিভৱ দেখিল।
হৃদয়ৰ মাজে মহা অগনি জ্বলিল॥
যুধিষ্ঠিৰ ৰাজাৰ সম্পত্তি যেন মত।
কোনে কহিবাক পাৰে তাহাৰ মহত্ত্ব॥৭২৭

নৰেন্দ্ৰ সবৰ শ্ৰী আছে যত যত।
সুৰেন্দ্ৰ সবৰ আছে যতেক স্বৰ্গত॥
দৈত্যেন্দ্ৰ সবৰ লক্ষ্মী আছে যতমান।
পাণ্ডৱ ৰাজাৰ ঘৰে সবে বিদ্যমান॥৭২৮

দিকপাল সবে বৰ দিলন্ত যজ্ঞত।
যাৰ যেন বিভৱ আছিল যেন মত॥
প্ৰকাশ কৰন্ত লক্ষ্মী বহুবিধ ভাৱে।
দেখি দুৰ্য্যোধনৰ অগনি জ্বলে গাৱে॥৭২৯

দ্ৰুপদ নন্দিনী মহাসতী পতিব্ৰতা।
পৰমা সুন্দৰী সুচৰিতা সুবনিতা॥
অনেক সম্পত্তি সমে স্বামীক সেৱন্ত।
স্বৰ্গত ইন্দ্ৰক যেন শচী উপাসন্ত॥৭৩০

সহস্ৰ সংখ্যাত দাসী সমান সুন্দৰী।
সবে সালঙ্কৃতা নানা উপায়ন ধৰি॥
দ্ৰৌপদীৰ সঙ্গে নৃপতিক উপাসয়।
১০ যেন শচী সমে শোভে অপেশ্বৰীচয়॥৭৩১

কৃষ্ণৰ মহিষীগণ ষোড়শ হাজাৰ।
নৃপতিৰ অন্তঃপুৰে কৰন্ত বিহাৰ ॥
ৰত্নময় অলঙ্কাৰে কৰন্ত প্ৰকাশ।
শৰীৰৰ কান্তি আতি শোভে দিশ পাশ ॥৭৩২

শ্ৰোণীভৰে সমস্তৰে শিথিল গমন।
সুবৰ্ণ মঞ্জীৰ পাৱে জনকে সঘন ॥
কুঙ্কুমে অৰুণ মুখ পদ্ম আছে ৰঞ্জি।
কৰয় প্ৰকাশ পূৰ্ণ চন্দ্ৰমাকো গঞ্জি ॥৭৩৩

কপোলে চঞ্চল চাৰু অলক সুহাই।
পদ্মমধু পিয়া যেন ভ্ৰমৰে উড়াই ॥
প্ৰকাশয় গণ্ডমণি কৰ্ণৰ কুণ্ডলে।
হৃদয় মধ্যত ৰত্নময় মালা জ্বলে ॥৭৩৪

উন্নত কঠিন পীন ঘন স্তনভাৰ।
কুচৰ কুঙ্কুমে আৰকত হেমহাৰ ॥
ৰতাসে হালয় চাৰু ক্ষীণ মধ্যদেশ।
পৰিধান ৰুচিকৰ বসন বিশেষ ॥৭৩৫

নাহি ৰূপে সম নিৰুপম নাৰীগণ।
কটাক্ষতে মোহে মুনি সমস্তৰ মন ॥
দুৰ্য্যোধনে সমস্তকে দেখিল সাক্ষাত।
পৰম বিস্ময় মন কৰে উতপাত ॥৭৩৬

কৃষ্ণৰ প্ৰসাদে ৰাজা কৰি ৰাজসূয়।
আনন্দে আছন্ত আতি কৃতকৃত্য হুই ॥
ৰত্নময় সিংহাসনে কৰন্ত প্ৰকাশ।
স্বৰ্গত কৰন্ত যেন মহেন্দ্ৰ বিলাস ॥৭৩৭

ধৰ্ম্মময় সুন্দৰ নিৰ্ম্মল কলেবৰ।
মহাৰাজ অলঙ্কাৰে জ্বলে নিৰন্তৰ॥
কিৰীটি কুণ্ডল হেমহাৰ মনোহৰ।
কেয়ূৰ কঙ্কণ কাঞ্চি নূপুৰ পাৱৰ॥৭৩৮
ধৰি আছে শ্বেতছত্ৰ শিৰৰ উপৰে।
পাঞ্চৰত উপাসয় ধৱল চামৰে॥
সুহৃদ সোদৰ বন্ধু আছয় আৱৰি।
উপাসি আছন্ত নিজ চক্ষু দেৱ হৰি॥৭৩৯
কুলগুৰু ধৌম্য বসি আছন্ত আগত।
উপাসন্তে আছে পাত্ৰ মন্ত্ৰী ৰাজা যত॥
ধ্বজ দণ্ড গাৰ্দ্ধল বোম্বল যত মান।
ধৰিয়াছে বহুবিধ অনেক যোগান॥৭৪০
নটে ভাটে কৰে বহু ভাৱে তুতি নতি।
ব্ৰহ্মাৰ সম্পত্তি যুক্ত হুইয়া মহামতি॥
দিব্য পাৰিচেছ্দে বসি আছা মহাশয়।
শ্ৰীমন্ত শৰীৰ চন্দ্ৰ সম প্ৰকাশয়॥৭৪১
হেন বিপৰীত শ্ৰীক দেখি দুৰ্য্যোধন।
ভৈল আতি তৰধ দগধ কৰে মন॥
সেহি সময়ত মাধৱৰ ভাৰ্য্যাগণে।
মায়াময় চিত্ৰ সভা চাহিবাক মনে।৭৪২
যুধিষ্ঠিৰ নৃপতিত লৈয়া অনুমতি।
চলিলন্ত সৱে সভা চাহিবাক প্ৰতি॥
ত্ৰৈলোক্য মোহিনী এক একৈ বৰবালা।
চলে লয়লাসে যেন পূৰ্ণ শশীকলা॥৭৪৩

ৰুক্মিণী প্ৰমুখ্যে নাৰীগণ অপৰ্য্যন্ত।
পৰম কৌতুকে সভা চাহিয়া ফুৰন্ত।
দ্ৰৌপদী প্ৰমুখ্যে কুৰু পাণ্ডৱৰ নাৰী।
ৰঙ্গে ঢঙ্গে সভা চাহি ফুৰে শাৰি শাৰি ॥৭৪৪

নৃপতিত অনুমতি লৈয়া দুৰ্য্যোধন।
সভা চাহি ফুৰে ৰঙ্গে লৈয়া ভাতৃগণ ॥
ময় মায়া জানি ভীমসেন মহাভাগ।
দুৰ্য্যোধন নৃপতিক কৰিলন্ত আগ ॥৭৪৫

নানা চিত্ৰ বিচিত্ৰময়ৰ মায়া বাজী।
নিৰ্ম্মল ফটিকে দ্বাৰচয় আছে সাজি ॥
দ্বাৰ অদ্বাৰ তাত একোৱে নজানি।
দ্বাৰ বুলি গৈয়া দুৰ্য্যোধন মহামানী ॥৭৪৬

হানিলেক মুণ্ড সিটো দুৱাৰ নাকলি।
দেখি ভীমে হাসি তুলিলন্ত খলখলি ॥
অযুত হস্তীৰ বলে চলে মহাবায়।
সৱাৰো আগত ৰঙ্গে ফুৰে সভা চাই ॥৭৪৭

দুৱাৰত মুণ্ড হানি পাইল মহা চোট।
কপালৰ মাজত বান্ধিল বড় গোট ॥
ভীমৰ হাসিত আতি ভৈল মহা লাজ।
বোলে দুৰ্য্যোধনে মনে কি মোৰ অকাজ ॥৭৪৮

পাছে দ্বাৰী সকলে দুৱাৰ মেলি দিল।
পুনৰপি আৰো এক অকাৰ্য্যে ঠেকিল ॥
ময়ৰ ৰচনা ইটো আতি অনুপাম।
বামক দেখিয় খাল খালক যে বাম ।৭৪৯

খালত পড়িবে মাই নাকলিয়া তাক।
দেখি পহৰীয়া লোকে দিল গৈয়া হাক ॥
তহিতো লাজিল দুৰ্য্যোধন মহাবীৰ।
বঙ্গে লোকে হাসে যেন পাব নচুৱাই ॥১৫০

ময় মায়া চিত্ৰে আতি মনক হৰয়।
লাজ কাজ এৰি তাক চাহিয়া ফুৰয় ॥
অনন্তৰে গৈয়া দেখিলন্ত একস্থল।
সাক্ষাতে খেলাবে ঢৌ দেখি যেন জল ॥১৫১

আগে গৈয়া দুৰ্য্যোধন হাতে বস্ত্ৰ তুলি।
কৰে চাপি চুপনি চলয় জল বুলি ॥
স্থলকে বুলিয়া জল লাজিলা নৃপতি।
দেখি কন্যাগণে হাসি কৰন্ত বিগুতি ॥১৫২

পুনৰপি তৈৰপৰা গৈয়া মহাবল।
দেখিলেক সাক্ষাতে জলক যেন থল ॥
ময় বিশ্বকৰ্ম্মাৰ ৰচনা বিপৰীত।
জল বুলি তাক নাকালল কদাচিত ॥১৫৩

কাপৰে ছোপৰে গৈয়া পৰি তল গৈল।
দেখি সৰ্ব্বজনে বেঢ়ি হাসিবাক লৈল ॥
ৰুক্মিণী দ্ৰৌপদী আদি যতেক সুন্দৰী।
চাপৰি বজাইয়া সৰে হাসে ৰঙ্গ কৰি ॥১৫৪

দেৱৰ সম্বন্ধে পৰিহাস কৰি মাতি।
বাউল ভৈল বুলি সৰে কদৰ্থন্ত আতি ॥
হাসি তুলি ভীমসেনে বজান্ত চাপৰি।
নৃপতিক কদৰ্থন্ত উপালম্ভ কৰি ॥১৫৫

আনো ৰাজাগণে হাসে চতুৰ্ভিতে বেঢ়ি।
শুনিলন্ত যুধিষ্ঠিৰে ৰিম যত গেড়ি॥
পাত্ৰত পুছিয়া জানিলন্ত মহাৰাজ।
দুৰ্য্যোধন ৰাজা পৰি আছে জল মাজ॥৭৫৬

অকাৰ্য্য মিলিল বুলি গৈলন্ত লৰৰি।
তিতি বুৰি দুৰ্য্যোধন আছে জলে পড়ি॥
চতুৰ্ভিতি বেঢ়ি সৱে হাসন্তে আছয়।
দেখিয়া সবাকো নিষেধন্ত মহাশয়॥৭৫৭

মাধৱে ঠাৰন্ত চক্ষু হাসিবাক প্ৰতি।
দেখি হাসি হাসি সৱে মাৰয় বিগুতি॥
মৰণ সমান ভৈল লাজে দুৰ্য্যোধন।
আছে অধোমুখে ক্ৰোধানলে দহে মন॥৭৫৮

ভীমৰ হাসিত যেন মৰিল সমূলি।
যেন লাজে কাহাকো নচাৰে মাথা তুলি॥
স্ত্ৰী সমস্তৰো গিটো শুনি পৰিহাস।
জানুত লগাই মাথা দেন্ত যেন জাস॥৭৫৯

মধুৰ বচনে যুধিষ্ঠিৰে আশ্বাসিল।
সলাইবাক লাগি ভাণ্ডাৰৰ বস্ত্ৰ দিল॥
দিব্য অলঙ্কাৰে তাৰ শৰীৰ মণ্ডিল।
বহুবিধ ভাৱে নৃপবৰে সাদৰিল॥৭৬০

অনেক প্ৰকাৰ প্ৰবোধিলা মহাৰথ।
তথাপিটো তাৰ আৰ চিত্ত নুহি স্বস্থ॥
মৃত্যু কালে ব্যাধি যেন ঔষধ নমানে।
বাঢ়ে যেন বিষ ভুজঙ্গৰ দুগ্ধ পানে॥৭৬১

সেহিমতে নৃপবৰে বৰ লাজ পাই।
কষ্ট মাত্ৰ বাড়য় চিত্তৰ শান্তি নাই॥
অধিকে জ্বলয় ক্ৰোধানল হৃদয়ত।
মহামানী হুইয়া লঘু ভৈলো হেন মত॥৭৬২

নাহিকে বিপক্ষ মোৰ ভীমৰ সমান।
হেন ভীমে মোক হাসিলেক বিদ্যমান॥
শত্ৰুৰ আগত লঘু ভৈলোঁ বিপৰীত।
ইসি অপমানত দগধ কৰে চিত্ত॥৭৬৩

স্ত্ৰীও হাসিলেক মোক জীওঁ আৰ কিক।
মহামানী হুইয়া ভৈলোঁ স্ত্ৰীতো অধিক॥
আতপৰে লঘু আৰ হৈবাক নৰৈল।
গুণি মনে হস্তীনাপুৰক চলি গৈল॥৭৬৪

শুনা সভাসদ মহা ভাগৱত পদ।
দূৰ হৌক ভৱ ৰোগ পৰম আপদ॥
জনম মৰণ দুঃখ স্মৰিও মনে।
জানি এক চিত্তে ভজা কৃষ্ণৰ চৰণে॥৭৬৫

মহাধৰ্ম্ম শিৰোমণি কৃষ্ণৰ চৰিত।
ভৱ ৰোগ বিনাশন পৰম অমৃত॥
কৰ্ণ ভৰি পিয়া কৰা দুখ উপশম।
পাপৰ নিৰ্য্যাণ হোক বোলা ৰাম ৰাম॥৭৬৬

—:0:—

## ছবি

মান ভঙ্গে দুৰ্য্যোধন লঘু হয়া মনে মন
হস্তিনাপুৰক যেবে গৈল ।
মহাৰাজা যুধিষ্ঠিৰ গহীন গম্ভীৰ ধীৰ
মনে কিছু অসন্তোষ ভৈল ॥
হাহাকাৰ সমজ্যাত ভৈলা মহাজন যত
গুণন্ত মনত আৰসাই ।
দুৰাশয়ে দুৰ্য্যোধনে মান ভঙ্গে কষ্ট মনে
গৈল আত কি মিলে উপাই ॥৭৬৭

মনে গুণি ভগৱন্ত মৌন হয়া ৰহিলন্ত
বোলন্ত হৰিবো ভূমি ভাৰ ।
ইটো কুৰু পাণ্ডৱৰ লগায়া কন্দল ঘোৰ
কৌৰৱক কৰিবো সংহাৰ ॥
সিকাৰণে যদুৰায় নিজমায়া দৰশায়
দুৰ্য্যোধন ৰাজাক মোহিলা ।
ময়ৰ মায়াক হৰি নিমিত মাত্ৰসে ধৰি
বিবাদৰ বীজ নিৰূপিলা ॥৭৬৮

ভীমাদিৰ হাস্য প্ৰভু মহামানী নৃপতিৰ
পৰাভৱ কৰিয়া বিধান ।
মনত মানিলা হেন এবেসে ভূমিৰ ভাৰ
সাৰশেষে কৰিবো নিৰ্য্যাণ ॥

এহি বুলি দেৱ হৰি মনত আনন্দ কৰি
মৌন হুয়া নমাতি ৰহিলা ।
পাণ্ডৱৰ প্ৰীতি সাধি আছি কতিপয় দিন
দ্বাৰকাপুৰক চলি গৈলা ॥৭৬৯

কৃষ্ণৰ প্ৰসাদে আতি যুধিষ্ঠিৰ মহামতি
কৰি যজ্ঞ ৰাজ ৰাজসূয় ।
ভৈলা জম্বুদ্বীপ পতি ভ্ৰাতৃগণ সমন্বিতি
ৰহিলন্ত কৃত্য কৃত্য হুই ॥

শুক নিগদতি ৰাজা আহ্মাত পুচিলা যেন
সাৰশেষ কহিলো তোহ্মাত ।
ৰাজসূয় যজ্ঞ হেতু দুৰ্য্যোধন দুৰ্ম্মতিৰ
ভৈল যেন দুৰ্জ্জয় সাক্ষাত ॥৭৭০

যজ্ঞৰ আদিত মন্দ বধি ৰাজা জৰাসন্ধ
যজ্ঞ মধ্যে বধি শিশুপাল ।
দুৰ্য্যোধন মান ভঙ্গ কৰিয়া যজ্ঞৰ অন্তে
যজ্ঞ সাঙ্গ কৰিলা গোপাল ॥

কৃষ্ণৰ চৰিত্ৰ ইটো কৰয় কীৰ্ত্তন যিটো
যিবা জনে শুনৈ একমনে ।
সমস্তে পাপতে শুদ্ধি হৈবেক ভকতি তাৰ
বাঢ়িবেক কৃষ্ণৰ চৰণে ॥৭৭১

ইহলোকে ভোগ ভুঞ্জি পৰলোকে গৈয়া মোক্ষ
পাইবে সিটো নৰ মহামতি ।
পাণ্ডৱৰ ৰাজসূয় যজ্ঞৰ অমৃত কথা
এহিমানে ভৈল সমাপতি ॥

নমো নমো নাৰায়ণ নৰৰূপী নিৰঞ্জন
দৈৱকী নন্দন নাম জাৰ।
যতেক অনৰ্থ মূল ৰধিয়া দানৱ কুল
পৃথিৱীৰ সংহৰিলা ভাৰ ॥৭৭২
নাজানো ভকতি নতি কেৱলে প্ৰণামো মাত্ৰ
আতে প্ৰভু হুয়োক সন্তোষ।
মহা মূঢ়মতি হুয়া বিচাৰিলো তযু গুণ
ক্ষেমা বঢ়া তুতা দোষ ॥৭৭৩
বাহিৰে ভিতৰে তুমি গুৰু অন্তৰ্য্যামী ৰূপে
যেন প্ৰৱৰ্ত্তাইলা মহামতি।
সেহি অনুৰূপে তযু গুণ দোষ নিবন্ধিলো
তযু পদে কৰিয়া মিনতি ॥
তুমি পৰমাত্মা নিজ সুহৃদ ঈশ্বৰ দেৱ
গতি মোৰ তযু গুণ নাম।
তোম্বাৰ অভয় পদ পঙ্কজে শৰণ লৈলো
মায়া মোৰ কৰা উপশাম ॥৭৭৪

---

## ডুলড়ী

জয় জয় নৰ নাৰায়ণ মহা
নৃপচয় শিৰোমণি।
যাহাৰ পৰম প্ৰচণ্ড প্ৰতাপে
ঢাকিল ইটো ধৰণী ॥

সৰ্ব্ব গুণাকৰ যাহাৰ সোদৰ
শুক্লধ্বজ মহামতি।
পৃথিৱীত তেন ৰাম যে লক্ষ্মণ
প্ৰখ্যাত দুয়ো সম্প্ৰতি ॥৭৭৫

দুয়ো মহাধীৰ গহীন গম্ভীৰ
নৃপতিত অগ্ৰগণি।
মহা ধনুৰ্দ্ধৰ শত্ৰু অৰণ্যৰ
দুইহন্তো যেন অগনি ॥
দুয়ো সৰ্ব্বোত্তম নাহি দুইকো সম
দুইহন্তো পুৰুষ সিংহ।
দুয়ো মহেশ্বৰ ঈশ্বৰ কৃষ্ণৰ
চৰণ পঙ্কজ ভৃঙ্গ ॥৭৭৬

দুয়ো মহাশয় ভৈলন্ত উদয়
প্ৰজাৰ পালন হুই।
দুষ্টক বিনাশী সন্তক পালন্ত
যেন ৰাম কৃষ্ণ দুই ॥
সাগৰো পৰ্য্যন্ত ভুঞ্জন্তোক ৰাজ
প্ৰজা করি প্ৰতিপাল।
কৃষ্ণৰ ভকতি প্ৰচাৰি দুইহন্তো
জীৱন্তোক চিৰকাল ॥৭৭৭

শুনা সমজ্যাৰ লোক নিৰন্তৰে
বোলো কৃতাঞ্জলি হুই।
মুৰ্খৰ পদত দূষণ দেখিয়া
নিন্দিতে উচিত নুই ॥

সংসাৰৰ যত আছ মহামূঢ়
সবাতে আমি প্ৰধান।
কহিলো সম্প্ৰতি আৰ অল্পমতি
নাহিকে মোৰ সমান ॥৭৭৮

মহন্ত সবৰ ক্ষেমাসে ভূষণ
জানিবা আক নিশ্চয়।
বিষে সমে যদি অমৃত থাকয়
তাকো মহাজনে লয় ॥

মোৰ পদ যদি বিষ সম ভৈল
কৃষ্ণৰ কথা অমৃত।
দোষ বিষ তেজি কৰিয়োক পান
অমৃত হৰি চৰিত্ৰ ॥৭৭৯

মতি অনুসাৰে বিৰচিলো পদ
আৰিসি টীকাকে চাই।
ৰস অনুসাৰে আনো শাস্ত্ৰ মত
দিলো আনি ঠাই ঠাই ॥

শাস্ত্ৰ বহিৰ্গত যিটো বঢ়া দেখা
ক্ষেমিবা ইটো দূষণ।
ব্যাস মহাকবি তেন্তো ঠাই ঠাই
কথাত দেন্ত বঞ্জন ॥৭৮০

ইকথা থাকোক সম্প্ৰতি কলিত
কৃষ্ণ বিনে গতি নায়।
কলিৰ পাতকে জটিল চিত্তক
চাৱা মনে অৱগায় ॥

পাতকী জনৰ নাহিকে কৰ্ম্মত
অধিকাৰ লয় লেশ।
কৃষ্ণ নাম লৈয়া চাণ্ডালো নিস্তৰে
হেনসে ধৰ্ম্ম বিশেষ ॥৭৮১
জানিয়া বিশ্বাস কৰি নিৰন্তৰে
ধৰা মাধৱৰ নাম।
ৰচিলা মাধৱ নামেসে বান্ধৱ
জানি বোলা ৰাম ৰাম ॥৭৮২

—সমাপ্ত—